www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত অভিজ্ঞতা অবিহনে মানুহে প্ৰকৃত সত্যৰ সম্পূৰ্ণ অৰ্থ কেতিয়াও হৃদয়ংগম কৰিব নোৱাৰে। --- জন ষ্টুৱাৰ্ট মিল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৮৮ ❐ দেওবাৰ ❐ ৭ ছেপ্তেম্বৰ, ২০২৫ চন ❐ ২১ ভাদ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 188 ❐ Sunday ❐ 7th September, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

ইউনিফাইড ডিষ্ট্ৰিক্ট ইনফৰ্মেশ্যন ছিষ্টেম ফৰ এডুকেশ্যন প্লাছ ২০২৪-২৫ৰ প্ৰতিবেদন

# অসমত হ্ৰাস পাইছে আধাতে বিদ্যালয় ত্যাগৰ হাৰ

## প্ৰাথমিক স্তৰত ১৯ জন, উচ্চ প্ৰাথমিকত ১৩ জন, মাধ্যমিকত ১২ জন আৰু উচ্চতৰ মাধ্যমিকত ১৯জন শিক্ষাৰ্থীৰ বিপৰীতে উপলব্ধ এজনকৈ শিক্ষক

**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অসমৰ ৰাজহুৱা শিক্ষাখণ্ডত শেহতীয়াকৈ ইতিবাচক পৰিৱৰ্তনৰ সংকেত দেখা গৈছে, যিটো ইউনিফাইড ডিষ্ট্ৰি'' ইনফৰ্মেশ্যন ছিষ্টেম ফৰ এডুকেশ্যন (ইউডাইছ) প্লাছ ২০২৪-২৫ৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। বিগত কেইবছৰমানৰ পৰা আধাতে বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাইছিল, কিন্তু সাম্প্ৰতিক তথ্যই এই হাৰৰ উল্লেখযোগ্য হ্ৰাসৰ কথা জানিবলৈ দিছে। প্ৰতিবেদন অনুসৰি, নিম্ন প্ৰাথমিক স্তৰত আধাতে বিদ্যালয় ত্যাগৰ হাৰ ৬.২ শতাংশৰ পৰা ৩.৮ শতাংশলৈ, উচ্চ প্ৰাথমিক স্তৰত ৮.২ শতাংশৰ পৰা ৫ শতাংশলৈ, আৰু মাধ্যমিক ▸▸৬ পৃষ্ঠাত




## অনিল আম্বানী আৰু ৰিলায়েন্স কমিউনিকেশ্যনক 'প্ৰৱঞ্চক' ঘোষণা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** বেংক অৱ বৰোদাই ৰিলায়েন্স কমিউনিকেশ্যন আৰু ইয়াৰ প্ৰাক্তন অকাৰ্যবাহী সঞ্চালক অনিল আম্বানীক 'প্ৰৱঞ্চক' হিচাপে ঘোষণা কৰিছে। ▸▸৬ পৃষ্ঠাত

যোৰহাটত বাছ মালিক সন্থাৰ প্ৰতিবাদ

## প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে বাহন অধিগ্ৰহণ! বাছ প্ৰেৰণ নকৰাৰ সিদ্ধান্ত

### নিৰিখ বৃদ্ধিৰ দাবী

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** আগন্তুক ১৩-১৪ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ কাৰ্যসূচীৰ বাবে চৰকাৰে বাছ, ট্ৰেভেলাৰ আদি যাত্ৰীবাহী বাহন অধিগ্ৰহণ কৰিছে। কিন্তু এই অধিগ্ৰহণৰ ▸▸৬ পৃষ্ঠাত



## ভাৰতত কোনো হিন্দু বিদেশী নহয় ঃ দিলীপ শইকীয়া

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** অসমত নাগৰিকত্বৰ প্ৰসংগক লৈ পুনৰ উত্তেজনাৰ সৃষ্টি হৈছে। কেন্দ্ৰীয় চৰকাৰে ইমিগ্ৰেচন এণ্ড ফৰেইনাৰ্ছ এক্ট, ২০২৫ জাৰি কৰাৰ পিছৰ পৰাই ৰাজ্যত প্ৰতিবাদী কাৰ্যসূচীৰ জোৱাৰ উঠিছে, যিয়ে ৰাজনৈতিক ▸▸৬ পৃষ্ঠাত



ধ্ৰুৱ জুৰেল উপ-অধিনায়ক

## শ্ৰেয়াছ আয়াৰ ইণ্ডিয়া-এ দলৰ নতুন অধিনায়ক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ ▸▸৬ পৃষ্ঠাত

## বিটিচি নিৰ্বাচনত বিজনীত ৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰ

**অসমবাৰ্তা, বিজনী, ৬ ছেপ্টেম্বৰ ঃ** বিটিচি নিৰ্বাচনৰ বাবে ২ ছেপ্টেম্বৰত মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া অন্ত ▸▸৬ পৃষ্ঠাত

## অসম আন্দোলনৰ সময়ত ৮৫৫জন শ্বহীদৰ আত্মবলিদানৰ প্ৰতি এই নিৰ্দেশ অপমানজনক ঃ কুমাৰ দীপক দাস

প্ৰব্ৰজন-বিদেশী আইন ২০২৫ৰ বিৰোধিতাৰে অগপৰ সংবাদমেল

# মিত্ৰতা নহয় ভংগ! কেন্দ্ৰৰ নতুন নিৰ্দেশৰ বিৰুদ্ধেহে কাষ চাপিব উচ্চতম ন্যায়ালয়ৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** অসমৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ মিত্ৰদল অসম গণ পৰিষদে (অগপ) শনিবাৰে এক সংবাদমেলৰ আয়োজন কৰি কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া নিৰ্দেশৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনায়। এই নিৰ্দেশে আফগানিস্তান, বাংলাদেশ, আৰু পাকিস্তানৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰ বা তাৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী, আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ ধৰ্মীয় নিৰ্যাতনৰ শিকাৰ হৈ পলাই অহা লোকসকলক বৈধ ▸▸৬ পৃষ্ঠাত

# ভোট চোৰ, গৰু চোৰ আৰু মাটি চোৰৰ শাসন চলিছে অসমত

## অগপই ক্ষমতাৰ স্বাৰ্থত CAAৰ সমৰ্থন কৰি নিজৰ শেষ পৃষ্ঠা লিখিবলৈ আৰম্ভ কৰিছে



### মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক ৰাজনৈতিক কামত অপব্যৱহাৰ কৰাতকৈ কয়লা চিণ্ডিকেটৰ দৰে অপৰাধৰ ওপৰত গুৰুত্ব দিয়ক ঃ গৌৰৱ গগৈ

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলা বিজেপি চৰকাৰৰ তীব্ৰ ▸▸৬ পৃষ্ঠাত

### পেট্ৰ'লত ইথানল মিশ্ৰণৰ নীতিক লৈ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ওপৰত বিস্ফোৰক অভিযোগ

## পেট্ৰ'ল চুৰিৰ কাৰবাৰত জড়িত হৈছে চৰকাৰ ঃ দেবব্ৰত শইকীয়া



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অসম কংগ্ৰেছ বিধায়িনী দলৰ নেতা দেবব্ৰত শইকীয়াই কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰ'লত ইথানল মিশ্ৰণৰ সিদ্ধান্তক তীব্ৰ সমালোচনা কৰি কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ ওপৰত গুৰুতৰ অভিযোগ উত্থাপন ▸▸৬ পৃষ্ঠাত

# ধন দি কবিতা পাঠ কৰিব লাগিব অসম সাহিত্য সভাৰ বিশেষ বাৰ্ষিক পঞ্চৰত্ন-গুৱাহাটী অধিৱেশনত

**অসম বাৰ্তা বিশেষ,** পেঙেৰী, **৬ ছেপ্টেম্বৰ ঃ** অসমৰ ১, ১১১ গৰাকী কবিয়ে ধন দি স্বৰচিত কবিতা পাঠ কৰিব অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনত। এই বৃহৎ সংখ্যক কবিৰ পৰা অহা ২৬ অক্টোবৰ তাৰিখৰ পূৰ্বেই সংগৃহীত সভাৰ পুঁজিত জমা হ'ব মুঠ ২ লাখ ৭৭ হাজাৰ ৭৫০ টকা। উল্লেখযোগ্য যে, অহা ৩১ জানুৱাৰীৰ পৰা ▸▸৬ পৃষ্ঠাত


অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন-গুৱাহাটী অধিৱেশন




### প্ৰধানমন্ত্ৰী মোডীক উচ্চ প্ৰশংসা কৰি ট্ৰাম্পৰ মন্তব্য-মই ইউৰোপীয় ইউনিয়নক লৈহে হতাশ হৈছোঁ, ভাৰতক লৈ নহয়

# ভাৰতৰ প্ৰতি হঠাৎ নৰম স্থিতি মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** ৰাছিয়াৰ পৰা তেল ক্ৰয়ৰ বাবে ভাৰতৰ ওপৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ পিছত ভাৰত আৰু আমেৰিকাৰ ▸▸৬ পৃষ্ঠাত



## ৭৯০ পৃষ্ঠাৰ অভিযোগনামা দাখিল আৰক্ষীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** মেঘালয় আৰক্ষীয়ে ইন্দোৰৰ ব্যৱসায়ী ▸▸৬ পৃষ্ঠাত

## ২২ ছেপ্টেম্বৰত বিটিচিৰ পাঁচ জিলাত চৰকাৰী বন্ধ ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে বড়ো টেৰিটৰিয়েল ▸▸৬ পৃষ্ঠাত

## নাগৰিকত্বৰ সন্দেহত আমগুৰিৰ পৰিয়ালক ঘৰ খালী কৰাৰ নিৰ্দেশ

ভোক্তভোগী পৰিয়ালৰ এজাহাৰ

**অসম বাৰ্তা, আমগুৰি, ৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি ▸▸৬ পৃষ্ঠাত

শ্ৰীভূমি নামকৰণৰ বিৰুদ্ধে জিলাখনত বন্ধৰ কাৰ্যসূচী ৰূপায়ণ

# কৰিমগঞ্জৰ নাম প্ৰত্যাহাৰৰ বিৰুদ্ধে ঠায়ে-ঠায়ে প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শ্ৰীভূমি, ৬ ছেপ্টেম্বৰ ঃ** কৰিমগঞ্জৰ নাম শ্ৰীভূমিলৈ পৰিৱৰ্তনৰ বিৰুদ্ধে শনিবাৰে জিলাখনত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। বদৰপুৰৰ এন চি কলেজক কেন্দ্ৰ কৰি আৰম্ভ হোৱা এই ▸▸৬ পৃষ্ঠাত





# ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণ বৰুৱাক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** উজনী মাজুলীৰ এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হিন্দি বিষয়ৰ অৱসৰী সহঃ শিক্ষক পূৰ্ণ বৰুৱাক আনুষ্ঠানিক ভাবে বিদায় সম্ভাষণ জনাবলৈ আজি বিদ্যালয়খনিত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। পুৱা ১০ বজাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাগুৰু গৰাকীক বিদ্যালয়লৈ আদৰণী জনাই। দিনৰ ১১ বজাৰ পৰা ভকতি দুৱাৰ জ্যোতি ৰঙ্গমঞ্চৰ প্ৰেক্ষাগৃহত বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰী গোটৰ উদ্যোগত আয়োজিত সম্বৰ্ধনা সভাখনি ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দিপালী তামোলী সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সমবেত সংগীতেৰে সভাৰ শুভাৰম্ভ হয়। সভাখন উদ্বোধন কৰি বিদ্যালয়ৰ উপাধ্যক্ষ বিপুল শইকীয়াই কয় সভাখনি উদ্বোধন কৰি বিদ্যালয়ৰ উপাধ্যক্ষ বিপুল শইকীয়াই কয়— "পৃথিৱীত এনে কোনো দান নাই, যি বিদ্যাধন দানৰ সমকক্ষ হ'ব পাৰে। সেই হিচাপেই বিদ্যা মহাধন দান কৰোঁতা শিক্ষক হিচাপে সেৱা আগবঢ়াবলৈ পোৱাটো পৰম ভাগ্যৰ কথা। ইয়াৰ পিছতে আৰম্ভ হোৱা সম্বৰ্দ্ধনা অনুষ্ঠানৰ আঁত ধৰে শিক্ষক গোটৰ সভাপতি দেৱজিৎ খাউণ্ডে আৰু তেখেতক সহযোগিতা আগবঢ়াই বিদ্যালয়ৰ শিক্ষক সমিৰণ মহন্ত আৰু হিমাশ্ৰী বৰাই।" মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিদ্যালয়খনৰ অৱসপ্ৰাপ্ত অধ্যক্ষ ঋষভ চন্দ্ৰ মহন্তই ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ ছাত্ৰছাত্ৰী সকলক গঢ়ি তোলাৰ বাবে শিক্ষক জনে কৰা শ্ৰম, ত্যাগ, আৰু কৰ্মৰাজীৰ ওপৰত বক্তব্য প্ৰদান কৰে। বিদায় সম্বৰ্দ্ধনা সভা খনত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ বিদ্যালয়খনৰ অৱসপ্ৰাপ্ত অধ্যক্ষ সুৰেট চন্দ্ৰ ঘোষ, দুৰ্গেশ্বৰ শইকীয়া, চিৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদুম কুমাৰ মহন্ত, ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ, অৱসৰ প্ৰাপ্ত শিক্ষক নগেন খাউণ্ড, নগেন বৰুৱা, অৱসৰপ্ৰাপ্ত চতুৰ্থবৰ্গ কৰ্মচাৰী যাদৱ দত্তকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। সভাখনিত অৱসৰী শিক্ষক পূৰ্ণ বৰুৱাই বিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে পাৰ কৰা কৰ্মজীৱনৰ কথা শুৱৰী আবেগিক হৈ পৰে। অৱসৰী শিক্ষক গৰাকীক ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ তৰফৰ পৰা দৌল শৰাই, অংগবস্ত্ৰ, গ্ৰন্থৰ টোপোলা, সম্বৰ্ধনা পত্ৰ আদিৰে বিপুলভাবে সম্বৰ্ধনা জনোৱাৰ লগতে, ছাত্ৰ একতা সভা, বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ সমন্বয়ৰক্ষী সমিতি, এলেঙি নৰসিংহ সত্ৰ, অভয়পুৰীয়া শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰ, ভকতি দুৱাৰ মহিলা সমিতি, ভকতিদুৱাৰ জ্যোতিৰংঘৰ সমিতি, ভকতিদুৱাৰ গাঁৱৰক্ষী বাহিনী, ৰাঙলী বাহাৰ যুৱক সংঘ, ভকতি দুৱাৰ তিনিআলি ব্যৱসায়ী সন্থা, কথমিয়া তিনিআলি ব্যৱসায়ী সন্থাকে অনুষ্ঠান-প্ৰতিষ্ঠানকে ধৰি তথা ব্যক্তি বিশেষে বিদায়ী শিক্ষক গৰাকীক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। বিদ্যালয়ৰ শিক্ষক যোগেন হাজৰিকাৰ তত্ত্বাবধানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত গীত-নৃতই উপস্থিত সকলোকে মোহিত কৰে।

# অসম চাহ মজদুৰ সংঘৰ উদ্যোগত খঙ্গীয়াত কৰম পৰ্বৰ বৰ্ণাঢ্য উদ্‌যাপন

**অসম বাৰ্তা, ডিমৌ, ৪ ছেপ্টেম্বৰ ঃ** অসম চাহ মজদুৰ সংঘৰ খঙ্গীয়া চাহ বাগিচাৰ খৰাহাট, খঙ্গীয়া আৰু লাওজান বাগিচা ইউনিটৰ উদ্যোগত আৰু স্থানীয় ৰাইজ, যুৱক-যুৱতীৰ সক্ৰিয় সহযোগত প্ৰথম বাৰ্ষিক কৰম পৰৱ বৰ্ণাঢ্য ৰূপত উদ্‌যাপন কৰা হয়। অনুষ্ঠানটোৰ মুকলি খনি উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ সিং তাঁতীৰ সভাপতিত্বত অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বুঢ়াগোহাঁই। নিৰ্দিষ্ট বক্তা হিচাপে মৰাণ শাখা সংঘৰ জ্যেষ্ঠ সম্পাদক লক্ষেশ্বৰ তাঁতী, অসম চাহ জনজাতি ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দিগন্ত চাহু তাচা, শিৱসাগৰ জিলাৰ সভাপতি ৰাজকিশোৰ ভূমিজ, ডিমৌ শাখাৰ সভাপতি বিশ্বনাথ নাগৰ লগতে কেইবাগৰাকী বিশিষ্ট অতিথিয়ে উপস্থিত হৈ চাহ জনগোষ্ঠীৰ পৰম্পৰাগত জাতীয় উৎসৱ কৰম পৰৱৰ সাংস্কৃতিক আৰু সামাজিক গুৰুত্বৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। বক্তাসকলে সাংস্কৃতিক পৰিচয় জীয়াই ৰখাৰ লগতে পৰম্পৰাগত নীতি-নিয়ম পালন কৰি পৰৱৰ মান সলনি নকৰাকৈ আগবঢ়োৱাৰ আহ্বান জনায়। অনুষ্ঠানত বিশেষ সম্বৰ্দ্ধনা হিচাপে খঙ্গীয়া চাহ বাগিচাৰ প্ৰয়াত স্বত্বাধিকাৰী সুধীৰ প্ৰকাশ জীৰ পৰিয়ালক শ্ৰদ্ধাঞ্জলি পত্ৰ, শৰাই, চেলেং চাদৰ আৰু গামোচাৰে সন্মানিত কৰা হয়। লগতে বাগিচাখনত সৰ্বাধিক পাত ছিঙাৰ মহিলা শ্ৰমিকক পুৰস্কাৰ প্ৰদান কৰা লগতে সাহিত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলকো পুৰস্কাৰ প্ৰদান কৰা হয়। পুৱা ভাগৰ কাৰ্য্যসূচী আৰম্ভ হয় চাফাই অভিযানৰ মাজেৰে। তাৰ পিছত অসম চাহ মজদুৰ সংঘ আৰু কৃষ্টি পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু মঞ্চ উদ্বোধন কৰা হয় ক্ৰমে-বিৰেচন নায়ক, প্ৰমোদ সিং তাঁতী, অশ্বিনী সিং, কইন নাগ, শিৱ কালিন্দী আৰু সত্যকাম পাণ্ডৰে। লগতে সাহিত্য প্ৰতিযোগিতা আৰু ঝুমইৰ প্ৰতিযোগিতাও উদ্বোধন কৰে মিণ্টু ঘটোৱাৰ আৰু অৰ্জুন চাহুৰে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত চাহ জনগোষ্ঠী-আদিবাসী তথা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী চান তাঁতীয়ে বিভিন্ন গীতৰ সমাহাৰে ৰাইজক মোহিত কৰি তোলে। এই আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে উৎসৱটি অধিক উজ্জ্বল ৰূপ লাভ কৰে। দিনজুৰিৰ বৈচিত্ৰ্যময় কাৰ্য্যসূচীৰ অন্তত সভাপতি প্ৰমোদ সিং তাঁতীয়ে শলাগৰ শৰাই আগবঢ়াই সভা ভংগ ঘোষণা কৰে। পাত ছিঙাৰ মহিলা শ্ৰমিকক পুৰস্কাৰ প্ৰদান কৰা লগতে সাহিত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলকো পুৰস্কাৰ প্ৰদান কৰা হয়। পুৱা ভাগৰ কাৰ্য্যসূচী আৰম্ভ হয় চাফাই অভিযানৰ মাজেৰে। তাৰ পিছত অসম চাহ মজদুৰ সংঘ আৰু কৃষ্টি পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু মঞ্চ উদ্বোধন কৰা হয় ক্ৰমে-বিৰেচন নায়ক, প্ৰমোদ সিং তাঁতী, অশ্বিনী সিং, কইন নাগ, শিৱ কালিন্দী আৰু সত্যকাম পাণ্ডৰে। লগতে সাহিত্য প্ৰতিযোগিতা আৰু ঝুমইৰ প্ৰতিযোগিতাও উদ্বোধন কৰে মিণ্টু ঘটোৱাৰ আৰু অৰ্জুন চাহুৰে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত চাহ জনগোষ্ঠী-আদিবাসী তথা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী চান তাঁতীয়ে বিভিন্ন গীতৰ সমাহাৰে ৰাইজক মোহিত কৰি তোলে। এই আকৰ্ষণীয়ছ সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে উৎসৱটি অধিক উজ্জ্বল ৰূপ লাভ কৰে। দিনজুৰিৰ বৈচিত্ৰ্যময় কাৰ্য্যসূচীৰ অন্তত সভাপতি প্ৰমোদ সিং তাঁতীয়ে শলাগৰ শৰাই আগবঢ়াই সভা ভংগ ঘোষণা কৰে।

# ৰূপহীহাটত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ এজন

**অসম বাৰ্তা, ৰূপহীহাট, ৬ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিয়ান অব্যাহত আছে। যোৱা নিশা ৰূপহীহাট আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি পশ্চিম শিঙিমাৰীত ড্ৰাগছৰ বিৰুদ্ধে চলাই এক অভিয়ান। আৰক্ষীৰ অভিয়ানত এটা চাবোনৰ বাকছভৰ্তি ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে এজন ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ নাম গুলজাৰ হুছেইন। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীটোক জেৰা অব্যাহত ৰাখিছে।

# দিঠকানন্দ হাজৰিকাক ওদালগুৰিৰ তিনি সমষ্টিৰ পৰ্যবেক্ষকৰ দায়িত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব দিঠকানন্দ হাজৰিকা সমাগত বিটিচি নিৰ্বাচনৰ ৩১ নং খৈৰাবাৰী (জনজাতি সংৰক্ষিত), ৩২ নং ভেৰগাওঁ (জনজাতি সংৰক্ষিত) আৰু ৩৩ নং নৌনে চেৰফাং (অসংৰক্ষিত) সমষ্টি তিনিটাৰ বাবে পৰ্যবেক্ষক ৰূপে ওদালগুৰিত পদাৰ্পণ কৰিছে। তেওঁ আয়ুক্ত কাৰ্যালয়ৰ কোঠা নং ১ আৰু কোঠা নং ২ত অনুষ্ঠিত মনোনয়ন পত্ৰ দাখিল কাৰ্যসমূহ পৰ্যবেক্ষণ কৰে। তেওঁ বৰ্তমান চৰকাৰী আৱৰ্ত ভৱনৰ ভূমি মহলাৰ কোঠা নং ৩ত সাধাৰণ ৰাইজৰ কথা, আপত্তি আদি শুনিব। ৩৭ নং ধনশিৰি (জনজাতি সংৰক্ষিত) পৰিষদীয় সমষ্টিৰ জনতাই অতিৰিক্ত সচিব (পঞ্চায়ত আৰু গ্ৰামীণ বিকাশ অভিকৰণ বিভাগ) অৰূপ কুমাৰ শৰ্মা (অ.অ.সে.)ক সাক্ষাৎ কৰি নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰিব পাৰিব বুলি প্ৰেছ বিজ্ঞপ্তি যোগে জিলা জনসংযোগ বিভাগৰ পৰা জনাই। আনহাতে সমাগত বিটিচি নিৰ্বাচনৰ বাবে ৩৬ নং হৰিশিঙা (জনজাতি সংৰক্ষিত) পৰিষদীয় সমষ্টিৰ বাবে নিৰ্বাচন পৰ্যবেক্ষক ৰূপে হৰি প্ৰসাদ বৰা (সম্পৰ্ক নং ৯৪৩৫০৬৪৩৯১/ ইমেইল (bora93025 @gmail.com) যোৱা ৩ ছেপ্টেম্বৰৰ দিনা ওদালগুৰিত পদাৰ্পণ কৰিছে। তেওঁ হৰিশিঙা (জনজাতি সংৰক্ষিত) পৰিষদীয় সমষ্টিৰ বাবে আজি অনুষ্ঠিত হোৱা মনোনয়ন পত্ৰ পৰীক্ষা-নিৰীক্ষা কাৰ্যত উপস্থিত থাকে। তেওঁ জনসাধাৰণৰ বাবে আলোচনা কৰিবলৈ ওদালগুৰি আৱৰ্ত ভৱনৰ প্ৰথম মহলাৰ কোঠা নং ৭ (বাগুৰুম্বা)ত অৱস্থান গ্ৰহণ কৰিছে। বিটিচি নিৰ্বাচন-২০২৫ পৰ্যবেক্ষক আৰু প্ৰট'কল চেলৰ সংশ্লিষ্ট ভাৰপ্ৰাপ্ত কাৰ্যনিৰ্বাহক বিষয়াই এটি প্ৰেছ বিজ্ঞপ্তিত এই কথা জানিবলৈ দিয়ে।

# নাগৰিকত্ব সংশোধনী আইনৰ সময়সীমা বৃদ্ধিৰ বিৰুদ্ধে আমগুৰিত ছাত্ৰ মুক্তিৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, আমগুৰি, ৬ ছেপ্টেম্বৰ ঃ** নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে বিদেশী শৰণাৰ্থীক নাগৰিকত্ব প্ৰদান কৰাৰ সময়সীমা ২০২৪ চনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে আজি আমগুৰি চাৰিআলিত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদীসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্তি দাহ কৰাৰ লগতে "নৰেন্দ্ৰ মোদী মুৰ্দাবাদ", "হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ", "বিজেপি হুঁচিয়াৰ" আদি শ্লোগানেৰে ৰাজপথ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত উপস্থিত ছাত্ৰ মুক্তিৰ শিৱসাগৰ জিলা সভাপতি পল্লৱ শইকীয়াই এই সিদ্ধান্তৰ তীব্ৰ সমালোচনা কৰি স্পষ্টভাৱে কয়, "১৯৭১ চনৰ ২৪ মাৰ্চৰ পাছত অহা কোনো বিদেশীক স্বীকাৰ কৰা নহ'ব। অসমখন বিদেশীৰ চৰণীয়া পথাৰ কৰিবলৈ দিয়া নহ'ব"। এই প্ৰতিবাদী কাৰ্যসূচীত ছাত্ৰ মুক্তিৰ আমগুৰি আঞ্চলিক শাখাৰ ৰণ্টু শইকীয়া, জ্যোতিস্মান চেতিয়া, ধ্ৰুৱজ্যোতি হাজৰিকা, নিৰাংকু গগৈ, আদিত্য গগৈ, বিতোপন গগৈৰ লগতে কৃষক মুক্তিৰ যোৰহাট জিলাৰ সভাপতি অৰিন্দম গগৈ আৰু অম্লান গগৈয়ো উপস্থিত থাকে।

# কানাইমাৰা গাঁও পঞ্চায়তৰ আসামেৰ আলগা বৰ্মন পাৰাত শিৱ মন্দিৰ, মা দুৰ্গা দেৱী মন্দিৰৰ কামৰ শুভ উদ্বোধন

**অসম দৰ্শন আঁচনিৰ সহায়ত নিৰ্মাণ কৰা হ'ব মন্দিৰ চৌহদৰ কাম**

**অসম বাৰ্তা, হাটশিঙিমাৰী, ৪ ছেপ্টেম্বৰ ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অন্তৰ্গত কানাইমাৰা গাওঁ পঞ্চায়তৰ আসামেৰ আলগা বৰ্মনপাৰাত আজি একে দিনাই দুখনকৈ মন্দিৰৰ চৌহদৰ কাম শুভ উদ্বোধন কৰে। এই শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে জিলা বিজেপিৰ দলৰ সভাপতি ৰঞ্জিত কুমাৰ সাহা, কানাইমাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ অভিভাৱক মনোৱাৰ ইছলাম মণ্ডল, জিলা বিজেপিৰ সাধাৰণ সম্পাদক আব্দুল আলিম মোল্লা; মণ্ডল কমিটিৰ সভাপতি ৰাজেশ কুমাৰ সাহা, মণ্ডল কমিটিৰ সভাপতি নবানু চন্দ্ৰ বৰ্মন, মণ্ডল কমিটিৰ সাধাৰণ সম্পাদক ৰাইদুল ইছলাম, বিজেপি দলৰ সাধাৰণ সম্পাদক সাহানুৰ ইছলাম আকন্দ আদি কৰি কেবাজনো বিজেপি দলৰ নেতা কৰ্মী আৰু লগতে অঞ্চলটোৰ ৰাইজ। এই অঞ্চলসমূহৰ প্ৰতি চৰকাৰে যথেষ্ট পৰিমাণে গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে বুলি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিজেপিৰ সাধাৰণ সম্পাদক আব্দুল আলিম মোল্লাই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে।

# অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ অক্লান্ত কৰ্মী, চৰকাৰী গাঁওপ্ৰধান নন্দ নাথ কাকতিৰ স্মৃতিচাৰণ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৪ ছেপ্টেম্বৰ ঃ** অসমৰ অস্তিত্বৰক্ষা আন্দোলনৰ অক্লান্ত কৰ্মী, চৰকাৰী গাঁওপ্ৰধান, যোৰহাট গৰুমৰা গুৱালগাঁও খঙীয়া চুকৰ নিৱাসী নন্দনাথ কাকতিৰ স্মৃতিচাৰণ অনুষ্ঠান ৪ ছেপ্টেম্বৰত বাসগৃহত অনুষ্ঠিত হয়। ০১-০১-১৯৬১ত জন্মগ্ৰহণ কৰা আৰু ২০-০৮-২০২৫-ত স্বৰ্গগামী হোৱা নন্দনাথ কাকতিৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আয়োজিত অনুষ্ঠানৰ পূৰ্বে তেওঁৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত ভবেন বৰুৱাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে উপস্থিত থকা সকলে পুষ্পাঞ্জলি অৰ্পণ কৰে। অংশুমান বৰাই বৰগীত পৰিৱেশন কৰাৰ পাছতে প্ৰধান শিক্ষক সুৰজিত বৰাই আঁতধৰা, অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল চন্দ্ৰ বৰাই সঞ্চালনা কৰা স্মৃতিচাৰণত নন্দনাথ কাকতিৰ কৰ্মময় জীৱন, সমাজলৈ অৱদানৰ বিষয়ে অৱসৰপ্ৰাপ্ত শিক্ষক খগেশ্বৰ বৰা, খগেন বৰা, দণ্ডধৰ হাজৰিকা, সমাজকৰ্মী দেৰগাঁৱৰ নুৰুল চুলতান, মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক ৰাজেন বৰা, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া প্ৰমুখ্যে বহুজনে বক্তব্য আগবঢ়ায়। প্ৰভাত বৰা, অনন্ত দাস, ৰাজেন বৰা, দিব্যজ্যোতি বৰা, তিলেশ্বৰ বৰাৰ উদ্যোগত আয়োজিত সভাখনতে যোৰহাট পশ্চিম ৰাজহ চক্ৰ গাঁওপ্ৰধান সমিতি, পশ্চিম যোৰহাট ক্ৰীড়া সন্থা, অসম যুৱ পৰিষদ, অগপ দেৰগাঁও সমষ্টি সমিতি, ৫৮ নং আঞ্চলিক সমিতি, গুৱালগাঁও হৰি মন্দিৰ পৰিচালনা সমিতিৰ সৈতে জড়িতসকলে আনুষ্ঠানিকভাৱে পৰিয়ালবৰ্গক শোক প্ৰস্তাৱ প্ৰদান কৰাৰ উপৰি অনুষ্ঠানকেইটালৈ কাকতিয়ে আগবঢ়াই থৈ যোৱা অৱদানৰ সম্পৰ্কে উল্লেখ কৰে। অঞ্চলটোৰ বহুসংখ্যক গণ্যমান্য ব্যক্তি, পৰিয়ালৰ লোক-আত্মীয়, শুভাকাংক্ষীসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত স্থানীয় ভকত-বৈষ্ণৱ, আইসকলে অংশগ্ৰহণ কৰে। ভাতৃ, অধিবক্তা ইন্দ্ৰজিৎ কাকতিয়ে অংশগ্ৰহণ কৰা লোকসকলৰ পৰিয়ালৰ হৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ঘৰে-ঘৰে গৈ অৱসৰী শিক্ষকক সম্বৰ্ধনা

**অসম বাৰ্তা, সোণতলী, ৬ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কিছমত কাঠমীত শিক্ষক দিৱস উপলক্ষে অৱসৰী শিক্ষক সকলক সম্বৰ্ধনা জনায়। কিছমত কাঠমী মণ্ডল কংগ্ৰেছৰ সভাপতি কলিম উদ্দিনৰ লগতে এটি সজাতি দলীয় কৰ্মীয়ে এই সম্বৰ্ধনা জনায়। উল্লেখ্য, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে আজি কিছমত কাঠমী মণ্ডল কংগ্ৰেছে এই সম্বৰ্ধনা জ্ঞাপন কৰে। পৱিত্ৰ শিক্ষক দিৱস উপলক্ষে মণ্ডলৰ অধীনস্থ দহ গৰাকীকৈ অৱসৰী শিক্ষকক ঘৰে-ঘৰে গৈ সজাতি দলীয় কংগ্ৰেছ কৰ্মীসকলে এখনকৈ মান-পত্ৰ আৰু ফুলাম গামোছাৰে জনায় সম্বৰ্ধনা। স্মৰ্তব্য, অঞ্চলখনৰ অৱসৰী শিক্ষক ক্ৰমে-আফাজ উদ্দিন আহমেদ, ফটিক আলী আহমেদ, পিয়াৰ আলী, মৌলৱী ছামছুল হক, হাইদৰ আলী আহমেদ, আব্দুছ ছালাম, আবুল হুছেইন, ছুলেমান আলী, মনছুৰ ৰহমান খান আৰু জাবেদ আলী হাজৰিকাক সশ্ৰদ্ধাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# শিৱসাগৰত আৰোহণ আঁচনিৰ অধীনত নতুন মেণ্টী-মেণ্টৰসকলৰ সৈতে দিক্‌দৰ্শন কাৰ্যসূচী, মত-বিনিময় অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু শিক্ষা বিভাগৰ সহযোগত আৰোহণ আঁচনি ২০২৫-২৬ৰ অধীনত আজি শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত জিলা পৰ্যায়ৰ নতুন মেণ্টী আৰু মেণ্টৰসকলৰ সৈতে দিকদৰ্শন কাৰ্যসূচী আৰু মত-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত আয়ুষ গৰ্গে উপস্থিত মেণ্টৰ আৰু মেণ্টীসকলৰ লগত মত-বিনিময় কৰাৰ লগতে মেণ্টীসকলৰ উদ্দেশ্যি বিদ্যায়তনিক তথা কেৰিয়াৰ সম্পৰ্কীয় ভালেখিনি প্ৰেৰণাদায়ক পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আদৰণি ভাষণ আগবঢ়ায় বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈয়ে। অনুষ্ঠানৰ অংশস্বৰূপে মেণ্টীসকলক জিলা আয়ুক্ত কাৰ্যালয়, আৰক্ষী অধীক্ষকৰ কাৰ্যালয় আৰু জিলা তথ্য সত্ৰ ন্যায়াধীশৰ কাৰ্যালয় পৰিদৰ্শন কৰোৱা হয়। আজিৰ অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, ডিমৌৰ সমজিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলাম, জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সৌমাৰ জ্যোতি দত্ত, সহকাৰী আয়ুক্ত কে. এন. চন্দনা জাহ্নবী, অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বড়া, নিৰ্বাচনী বিষয়া অদিতি নেওগ, সহকাৰী আয়ুক্ত নিমাশ্ৰী ডাউকা, গণেশ চন্দ্ৰ বড়ো প্ৰমুখ্যে আমন্ত্ৰিত মেণ্টৰ, মেণ্টী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে।

# গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ সৌজন্যত 'শিক্ষাজ্যোতি বঁটা ২০২৫' প্ৰদান

**অসম বাৰ্তা, গেলেকী, ৬ ছেপ্টেম্বৰ ঃ** গেলেকী ন- পুখুৰী শাখা সাহিত্য সভাৰ সৌজন্যত শিক্ষক দিৱসৰ উপলক্ষে শিক্ষাজ্যোতি বঁটা ২০২৫ প্ৰদান আৰু গুৰু সেৱা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। গেলেকীৰ মৰাণ গাঁৱত অনুষ্ঠিত এই অনুষ্ঠানত নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক কৃতী শিক্ষক তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তনু গগৈক শিক্ষাজ্যোতি বঁটা ২০২৫ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে অৱসৰ প্ৰাপ্ত শিক্ষক তনু গগৈয়ে তেওঁৰ জীৱন পৰিক্ৰমাত স্থানীয় ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত বহুমূলীয়া অৱদান আগবঢ়াইছে। যাৰ বাবে কৃতী শিক্ষক গৰাকী সদায়ে স্মৰণীয় হৈ ৰ'ব জনমানসত। কৃতী শিক্ষকগৰাকীৰ উপৰিও আন দুগৰাকী ক্ৰমে অৱসৰ প্ৰাপ্ত শিক্ষক ইছুফ আলী আৰু ন-পুখুৰী আৰু মেজেঙা সমল কেন্দ্ৰৰ সমন্বয়ক শিক্ষক জ্যোতি গগৈ প্ৰদান কৰা হয় বিশেষ সন্মান। অনুষ্ঠানটিত স্থানীয় শিশুৰ পৰা জ্যেষ্ঠৰলৈকে ভালেসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈ, উপ-সভাপতি সাহিত্যিক জীৱন কলিতা আৰু বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ সহযোগী আহ্বায়ক ড° সীমান্ত বৰুৱাই শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বহুমূলীয়া বক্তব্য আগবঢ়াই। অনুষ্ঠানটিত স্থানীয় বিদ্যালয়ৰ কণকণ শিশুসকলে গুৰু সেৱা জনোৱাৰ লগতে আশীৰ্বাদ লয়। অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি সকলে ভাৰতবৰ্ষৰ প্ৰথম গৰাকী উপ ৰাষ্ট্ৰপতি তথা দেশৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জীৱন পৰিক্ৰমা সম্পৰ্কে উপস্থিত ছাত্ৰ-ছাত্ৰীৰ লগতে জ্যেষ্ঠ সকলক অৱগত কৰে। এই বিশেষ বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত আছিল গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্ত, সম্পাদিকা দিপালী ৰাধিকা শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক দিব্যলোচন বৰুৱা, শিক্ষক ৰেৱজ্যোতি মৰাণ, গাঁও প্ৰধান দীননাথ গগৈ, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলী, উপ-সভাপতি গুণ মৰাণ, সমাজকৰ্মী প্ৰদীপ বৰুৱা, ড° অম্লান জ্যোতি গগৈ, সমাজকৰ্মী হেমন্ত গগৈ, হাতোলা মুহিকান্ত গগৈ, সমাজকৰ্মী পুতুল গগৈ, সমাজকৰ্মী ৰুলী গগৈ, ৰুলী বৰুৱা, দিপামণি গগৈ, মিনু কুৰ্মী, জ্যোতি বৰুৱা, দীপা গগৈ।

# জাঁজী হাঁহচৰাত সংবাদকৰ্মীৰ গুৰুসেৱা

**অসম বাৰ্তা, আমগুৰি, ৬ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱস উপলক্ষে আজি যোৰহাট জিলাৰ জাঁজী হাঁহচৰা অঞ্চলৰ সংবাদকৰ্মী সকলে এক গুৰু সেৱা কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখযোগ্য যে, হাঁহচৰাৰ সংবাদকৰ্মী সকলে বিগত বহুবছৰ ধৰি প্ৰতিবছৰে শিক্ষক দিৱসৰ দিনটোত স্থানীয় বিদ্যালয় সমূহৰ একোগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক নিজা বাসগৃহত সম্বৰ্ধনা জনোৱাৰ লগতে সেৱা জনাই আশিস গ্ৰহণ কৰি আহিছে। এই পৰম্পৰা অনুসৰি আজি স্থানীয় সংবাদকৰ্মী অৰূপ কুমাৰ গগৈ, ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য আৰু মদন মোহণ পাগবন্ধাই হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অমূল্য গগৈক নিজা বাসগৃহত এখন চেলেং, এটা গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনাই গুৰুসেৱা কৰি আশিস গ্ৰহণ কৰে।

# মাজুলীত কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ ব্যতিক্ৰমী কাৰ্যসূচীৰে শিক্ষক দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা, অসম মাজুলী জিলা সমিতিৰ উদ্যোগত, নামনি, মধ্য মাজুলী আঞ্চলিক সমিতি আৰু পূব মাজুলীৰ আহ্বায়ক সমিতিৰ সহযোগত আজি ব্যতিক্ৰমী কাৰ্যসূচীৰে শিক্ষক দিৱস পালন কৰে। নামনি মাজুলী আঞ্চলিক সমিতিৰ উদ্যোগত শিক্ষক ক্ৰমে খগেন বৰা, হৰেন্দ নাথ বৰুৱা, ভোলাৰাম ভূঞা বলোৰাম কলিতা, দুলাল চন্দ্ৰ মুদৈ, বদন চন্দ্ৰ মুদৈ খগেন হাজৰিকা, ললিত চন্দ্ৰ হাজৰিকা অনন্তৰাম শইকীয়া, মহেন্দ্ৰ বৰুৱা, সুৰেন লেখাৰুক সম্বৰ্ধনা জনায়। মধ্য মাজুলী আঞ্চলিক সমিতিৰ উদ্যোগত নীলমণি ভূঞা, ললিত বৰা, নিৰ্মল হাজৰিকা, মাণিক বৰুৱা, গোবিন্দ চন্দ্ৰ বৰা, ধীৰেন্দ্ৰ নাথ বৰা, অমূল্য কলিতা, ৰুদ্ৰ শইকীয়াক ঘৰে ঘৰে গৈ জ্যেষ্ঠ, কনিষ্ঠ শিক্ষক সকলৰ পৰা আৰ্শীবাদ লোৱাৰ লগতে একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰই সম্বৰ্ধনা জনায়। ইফালে পূব মাজুলীৰ আহ্বায়ক সমিতিৰ সহযোগত শিক্ষকদ্বয় হৰনাথ শইকীয়া, ৰেব বৰাক সম্বৰ্ধনা জনায়। এই কাৰ্যসূচীত কাৰ্যকৰী সভাপতি তীৰ্থ ভূঞা, সাধাৰণ সম্পাদক পৰাণজ্যোতি বৰা, সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি ভৰালী, সহকাৰী সম্পাদক পৰাগজ্যোতি বৰা, মাজুলী জিলা কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা, পাপুল শইকীয়া, সভাপতি, প্ৰণৱ বৰা সম্পাদক, মিনাক্ষী শইকীয়া সহকাৰী সম্পাদক, বিতোপন ভূঞা, সহকাৰী সম্পাদক মধ্য মাজুলী আঞ্চলিক ছাত্ৰ সন্থাই সহযোগিতা আগবঢ়োৱা লগতে নামনি অঞ্চলত মাজুলী জিলা কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ সভাপতি অনিৰুদ্ধ দত্ত, কাৰ্যকৰী সভাপতি মৃদুল মুদৈ, নামনি মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰঞ্জিত হাজৰিকা, সম্পাদক গোবিন মুদৈ, সাংস্কৃতিক সম্পাদক উৎপল কলিতা, সহ সম্পাদিকা প্ৰিয়াংকী হাজৰিকা, সাংগঠনিক সম্পাদিকা সবিতা শইকীয়া, সহ সম্পাদক হিৰকজ্যোতি বৰা, চন্দ্ৰ কমল হাজৰিকা উপস্থিত থকাৰ লগতে পূব মাজুলীৰ আহ্বায়ক সমিতিৰ প্ৰণৱ শইকীয়া, হেমন্ত বৰুৱা, নৱজ্যোতি কলিতা, ববী শইকীয়া, গণেশ কলিতা, ত্ৰিনয়ন শইকীয়া, প্ৰাঞ্জল বৰুৱা উপস্থিত থাকে।

# নামনি লখিমপুৰ আঞ্চলিক সংগীত সংস্থা গঠন

**অসম বাৰ্তা, বান্দৰদেৱা, ৬ ছেপ্টেম্বৰ ঃ** যোৱা ইংৰাজী ৩১ আগষ্ট ২০২৫ তাৰিখ দেওবাৰে ডুবি উচ্চ মাধ্যমিক বিদ্যালয়ত সদৌ লখিমপুৰ সংগীত সংস্থাৰ এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। ভাস্কৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সদৌ লখিমপুৰ সংগীত সংস্থাৰ অধীনত নামনি লখিমপুৰৰ সংগীত শিল্পীসকলৰ উপস্থিতিত 'নামনি লখিমপুৰ আঞ্চলিক সংগীত সংস্থা' প্ৰতিষ্ঠা কৰি এখন সমিতি গঠন কৰা হয়। সকলো শিল্পীৰ সৰ্বাংগীণ বিকাশ, শিল্পী সকলৰ পদ মৰ্যাদা অটুট ৰাখি, সমন্বয় ৰ মাজেৰে শিল্পী সকলক আগুৱাই নিয়াই সংস্থাৰ লক্ষ্য আৰু উদ্দেশ্য। উক্ত সমিতিখনৰ সভাপতি- বিতুপন ফুকন, উপ সভাপতি- জোনা হেৰে, সম্পাদক-বলোৰাম বড়ী, সহঃ সম্পাদক- ৰাজেন পূৰ্তি আৰু পুনম ভূঞা, প্ৰচাৰ বিভাগৰ সম্পাদক-ভাস্কৰ নন্দন বৰা, কোষাধক্ষ্য হিচাবে অবিনাশ তিৰু নিৰ্বাচিত হোৱা বুলি সদ্য নিৰ্বাচিত প্ৰচাৰ সম্পাদক ভাস্কৰ বৰাই জানিবলৈ দিয়ে।

# ড্ৰাগছ বিৰোধী প্ৰতিবাদে কঁপালে নাহৰকটীয়া-চাচনী ৰাজপথ

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ চেপ্তেম্বৰ ঃ** নাহাৰকাতিয়া খানৰ নাগৰিক সমিতিৰ উদ্যোগত আৰু গাঁওৰক্ষী বাহিনী সহযোগত চাচনী উচ্চতমৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত ড্ৰাগছ বিৰুদ্ধে এক বৃহৎ প্ৰতিবাদী সভা অনুষ্ঠিত হয়। নাহৰকটীয়া থানা অন্তৰ্গত শতাধিক গাঁৱৰক্ষী বাহিনীৰ পুৰুষ মহিলা, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ আজি সভাত উপস্থিত থাকে। আজি অনুষ্ঠিত হোৱা সজাগতা সভাত উপস্থিত হৈ স্থানীয় বিধায়ক তৰংগ গগৈ, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অধক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰ আদিয়ে ভাষণ প্ৰদান কৰে। ভাষণত বিধায়ক তৰংগ গগৈয়ে সন্তানক কঠোৰ দৃষ্টি নিক্ষেপ কৰিবলৈ আহ্বান জনায়। সভা শেষত চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা খাটোৱা মজলীয়া বিদ্যালয়লৈ এক বৃহৎ প্ৰতিবাদী সমদল বাহিৰ কৰে। প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰে নাহৰকটীয়া বিধায়ক তৰঙ্গ গগৈ, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ, অসম মেডিকেল কলেজৰ অধ্যক্ষ, সমজিলা আয়ুক্ত বিৰাজ বৰুৱা, উপ আৰক্ষী অধীক্ষক প্ৰাণজিত দাস, চক্ৰ বিষয়া শৰৎ গগৈ, খণ্ড উন্নয়ন বিষয়া পাৰ্থ প্ৰতিম গগৈ, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰ, নাহৰকটীয়া থানা ভাৰপ্ৰাপ্ত বিষয়া ৰাণা কুমাৰ নাথ আৰু নাহৰকটীয়া আৰক্ষী থানাৰ নাগৰিক সমিতিৰ সভাপতি গকুল বড়া আদি অংশগ্ৰহণ কৰে। ড্ৰাগছ সৰ্বনাকাৰী হুঁচিয়া, ড্ৰাগছ সেৱন কৰা বন্ধ কৰক আদি ধ্বনিয়ে চাচনী আকাশ বতাহ উত্তাল কৰি তোলে।

# শিক্ষক দিৱসত উলহ-মালহেৰে সজ্জিত হ'ল নগাঁৱৰ বিশেষভাৱে সক্ষম প্ৰশিক্ষণ কেন্দ্ৰ 'স্নেহ-তীৰ্থ'

**অসম বাৰ্তা, বঢ়মপুৰ, ৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ আমোলাপট্টিত অৱস্থিত বিশেষ ভাৱে সক্ষম শিশুৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ 'স্নেহ-তিৰ্থ'ত বিগত বছৰৰ দৰে এইবাৰও উলহ-মালহকৈ শিক্ষক দিৱস উদ্‌যাপন কৰা হৈছে। এই অনুষ্ঠানলৈ বিশেষভাবে আমন্ত্ৰণ কৰা তিনিগৰাকী বিশিষ্ট ব্যক্তি আছিল নাট্যকাৰ আৰু পৰিচালক সপোনটী বৰদলৈ, দীপক বৰা আৰু পুৰণি গুদাম বি কে বি স্কুলৰ বিষয় শিক্ষয়িত্ৰী জ্যোৎস্না দেৱী। অতিথিসকলে শিশুসকলৰ লগত বহি গীত পৰিবেশন কৰে। লগতে প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক অমৰজ্যোতি কাশ্যপেও গীতৰে অনুষ্ঠান জীপাল কৰি তোলে। অভিভাৱক সকলে আধুনিক গীতৰ সুৰত নাচি পৰিবেশত এক উৎসৱমুখৰ ৰূপ আনে। তেওঁলোকৰ ভাষণত সপোনটী বৰদলৈয়ে শিশু আৰু অভিভাৱকসকলক স্পষ্টকৈ বুজাই দিয়ে যে বিশেষ ভাৱে সক্ষম ল'ৰা-ছোৱালী এটা বেমাৰ নহয়। দীপক বৰাইয়ে বিশেষ ভাৱে সক্ষম শিশুসকলক কেনেকৈ আগবঢ়াই নিব পাৰি, তাৰ এটা চমু আভাস দিয়ে। অনুষ্ঠানত স্নেহ-তিৰ্থৰ সভাপতি সংগীতা বৰুৱা বাইদেউ উপস্থিত আছিল। সপোনটী বৰদলৈদেৱে বন্তি প্ৰজ্বলন কৰে আৰু দীপক বৰাইয়ে ধূপ জ্বলায়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ ফটোৰ আগত সকলো ছাত্ৰ-ছাত্ৰীয়ে এপাহ এপাহকৈ ফুল দি সেৱা জনায়। অনুষ্ঠানটোত সহ-সম্পাদক দিলীপ কুমাৰ লস্কৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সকলো শিক্ষক শিক্ষয়িত্ৰীয়ৰ সহযোগত অনুষ্ঠানটো পৰিচালনা কৰাত যথেষ্ট সহায় কৰে।

# শিক্ষক দিৱসত মিলনজ্যোতি পুথিভঁৰালৰ ব্যতিক্ৰমী পদক্ষেপ

**অসম বাৰ্তা, জাঁজী, ৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাৰ বহত্তৰ নামতি অঞ্চলৰ বিভিন্ন প্ৰান্তটো উলহ-মালহেৰে উদ্‌যাপন কৰিছে শিক্ষক দিৱস। সমান্তৰালভাৱে আজি জিলাৰ নামতিৰ দিকচু মাউৎ গাঁৱৰ মিলনজ্যোতি পুথিভঁৰালৰ উদ্যোগত গ্ৰহণ কৰে ব্যতিক্ৰমী পদক্ষেপ। দিনটোৰ বিভিন্ন কাৰ্যসূচীৰ অন্তত বিয়লি মিলনজ্যোতি পুথিভঁৰাল সদস্য সকলে অঞ্চলটোৰ ৩৮ গৰাকীকৈ অৱসৰপ্ৰাপ্ত শিক্ষক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়। তেওঁলোকে শিক্ষাগুৰু সকলক সেৱা জনায় একোখনকৈ ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে জ্ঞাপন কাৰা এই পদক্ষেপক ভুয়সী প্ৰশংসা কৰে অৱসৰপ্ৰাপ্ত শিক্ষক সকলে।

# কামৰূপত ৬৪ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** বিশ্ৰবিশ্ৰুত দাৰ্শনিক পণ্ডিত তথা ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ পবিত্ৰ জন্মদিনটো আজি দেশৰ আন স্থানৰ লগতে কামৰূপ জিলাতো শিক্ষক দিৱসৰূপে উদযাপন কৰা হয়। কামৰূপ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগ, কামৰূপৰ উদ্যোগত আজি গুৱাহাটী বায়'টেক পাৰ্ক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৬৪ সংখ্যক শিক্ষক দিৱসৰ কাৰ্যসূচী দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনৰে আৰম্ভ হয়। আজিৰ ৬৪ সংখ্যক শিক্ষক দিৱসৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে এগৰাকী সুবক্তা, বিশিষ্ট কবি তথা লেখক তথা অসম অগ্নি আৰু দুৰ্যোগ প্ৰশমন সেৱাৰ উপ সঞ্চালক নন্দ সিং বৰকলা। মুখ্য অতিথিৰূপে প্ৰদান কৰা বক্তব্যত নন্দ সিং বৰকলাই বৰেণ্য দাৰ্শনিক পণ্ডিত, বিদ্বান মনীষী, শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জনোৱাৰ লগতে তেখেতৰ জীৱন দৰ্শনৰ বিষয়ে উল্লেখ কৰে। ইফালে ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি উদযাপিত শিক্ষক দিৱস উপলক্ষে তেওঁ কয় যে শিক্ষাগুৰুসকল হৈছে প্ৰকৃত মানৱ সৃষ্টি কৰাৰ আঁৰৰ ব্যক্তি। তেওঁলোকে যি প্ৰজ্ঞাৰ বীজ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰোপণ কৰে, তাৰেই আলোকিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন সমৃদ্ধ হয় তথা এখন সমাজ সমৃদ্ধ হয়। ভাষণ প্ৰসংগত তেওঁ শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু মনৰ জিজ্ঞাসা দূৰ কৰা বা তেওঁলোকক জীৱনৰ অভিজ্ঞতা, অনুশীলন সম্পৰ্কে অৱগত কৰাৰ দিশত নিৰন্তৰ কাম কৰি আহিছে বুলিও উল্লেখ কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন গঢ়াৰ দিশত শিক্ষাগুৰুসকলৰ ত্যাগ আৰু অৰিহণাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলক সুনাগৰিক হোৱাৰ বাট দেখুওৱা শিক্ষাগুৰুসকলে তেওঁলোকৰ কৰ্মথলীত প্ৰতিদিনেই নতুন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হয়। পিতৃ-মাতৃসকলে নিজৰ সন্তানৰ শিক্ষাৰ গুৰু দায়িত্ব এজন শিক্ষকৰ ওপৰতে অৰ্পণ কৰাৰ লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ সুকীয়া সপোন, কোনো বিষয়ত থকা ৰাপ আৰু দুৰ্বলতাৰ প্ৰতি এজন শিক্ষকে সদায় লক্ষ্য ৰাখিব লাগে। সমান্তৰালকৈ বৰ্তমানৰ পৰিৱৰ্তিত যুগৰ সৈতে খাপ খোৱাকৈ নিজকে সাজু কৰি তোলাটোও এক বৃহৎ প্ৰত্যাহ্বান। এই সকলো প্ৰত্যাহ্বানৰে মোকাবিলা কৰি প্ৰতিগৰাকী শিক্ষকে ৰাষ্ট্ৰ গঠন, সমাজ গঠনৰ ক্ষেত্ৰত আগবঢ়াই অহা অৰিহণাৰ বাবে তেওঁলোক সন্মানৰ পাত্ৰ বুলিও জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই উল্লেখ কৰে। আজিৰ অনুষ্ঠানত কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈ আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতাও উপস্থিত থাকে। আজিৰ অনুষ্ঠানত কামৰূপ জিলাৰ নিৰ্বাচিত ১১ গৰাকী কৃতী শিক্ষকক কামৰূপ জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই ১১ গৰাকী কৃতী শিক্ষক হৈছে ক্ৰমে — কামৰূপ জিলাৰ পি বি আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ স্নাতকোত্তৰ শিক্ষক ভৰেশ চন্দ্ৰ বৈশ্য, পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্য, শৈলেন্দ্ৰ কুমাৰ দত্ত হাইস্কুলৰ প্ৰধান শিক্ষক ভূপেন্দ্ৰ নাথ লহকৰ, কৰৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক জুনো কলিতা, বিটি হাইস্কুলৰ সহকাৰী শিক্ষক আবিজৰ ৰহমান, নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক ধীৰেন কুমাৰ, আমিনগাঁও বেংগলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিতা পাল, ১১৬ নং ডেকপাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ ভট্টাচাৰ্য, বংশৰ ভৃঙ্গেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰকান্ত বৈশ্য, ৯৫ নং সাতপখলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিমল চন্দ্ৰ কলিতা, বঙৰা পচনীয়াপাৰা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক হেৰম্ব চৌধুৰী। লগতে আন দুগৰাকী কৃতী শিক্ষক ক্ৰমে দামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক যতীন ডেকা আৰু জলাহ হাইস্কুলৰ সহকাৰী শিক্ষক অনিল চন্দ্ৰ ডেকাক উদগনি বঁটাৰে সন্মানিত কৰা হয়। আজিৰ অনুষ্ঠানতে ৰাজেন্দ্ৰ প্ৰসাদ মেধি সোঁৱৰণী ন্যাসৰ তৰফৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনুষ্ঠিত কৰা ২০২৫ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত কামৰূপ জিলাৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰা ৰঙিয়াৰ প্ৰাগমেটিক একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ

## বৰকান্দাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাত ভয়ংকৰ মাৰপিট

# বিলাসীপাৰাত ক্ৰীড়াংগণ পৰিণত হ'ল ৰণাংগণত



## ৰাষ্ট্ৰীয় পৰ্যায়ত বিলাসীপাৰাক বদনামী কৰাৰ আঁৰত ৰেফাৰী থকাৰ অভিযোগ

**অসম বাৰ্তা, বিলাসীপাৰা, ৬ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰাৰ বৰকান্দা খেলপথাৰত চলি থকা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল খেল প্ৰতিযোগিতাত সংঘটিত হয় ভয়ংকৰ মাৰপিটৰ ঘটনা। বৰকান্দাৰ গিভ টু লাইভ ফাউণ্ডেচনে আয়োজন কৰা স্বাধীনতা কাপ ফুটবল প্ৰতিযোগিতাত সংঘটিত হয় এই ভয়ংকৰ মাৰপিটৰ ঘটনা। জানিবপৰা মতে কেৰেলা, মধ্যপ্ৰদেশ, ছিকিম, পশ্চিমবংগ আদি ৰাজ্যৰ কেইবাটাও প্ৰতিযোগী দলে অংশগ্ৰহণ কৰিছিল প্ৰতিযোগিতাটোত। উল্লেখ্য যে শিলবাৰী এফ চি আৰু গোঁসাইগাঁও গ্লোবেল এফ চিৰ মাজত চলি থকা প্ৰতিযোগিতাৰ সময়ত এই অপ্ৰীতিকৰ ঘটনা সংঘটিত হয়। প্ৰতিযোগিতাৰ অন্তিম ভাগত ৰেফাৰীয়ে ভুল সিদ্ধান্ত গ্ৰহণ কৰাৰ অভিযোগ তুলি প্ৰথমে তৰ্ক-যুদ্ধ আৰু তাৰ পিছতে দুয়ো দলৰ সমৰ্থকৰ মাজত সৃষ্টি হয় প্ৰচণ্ড মাৰপিটৰ ঘটনা। খেল পৰিচালনা সমিতিৰ গাফিলতিৰ বাবে সৃষ্টি হোৱা মাৰপিটৰ ঘটনাত কেইবাজনো লোক আহত হোৱা বুলি জানিব পৰা গৈছে। খেলৰ নামত এনে অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা প্ৰতিযোগিতাৰ তদন্ত ক্ৰমে ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে স্থানীয় বিভিন্ন মহলে।

# বাঘমাৰা চৰত বাইক দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত স্কুলীয়া ছাত্ৰী

**অসম বাৰ্তা, শিমলীতোলা, ৬ ছেপ্টেম্বৰ ঃ** চেঙাৰ আলোপতি থানাৰ অন্তৰ্গত বাঘমাৰা চৰৰ এখনি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ দুগৰাকী ছাত্ৰী বাইক দুৰ্ঘটনাত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে ছাত্ৰী দুগৰাকী নৱজোতি জাতীয় বিদ্যালয়ত অধ্যয়ৰত ১ নং বাঘমাৰা চৰৰ ময়নুল হকৰ কন্যা ছুমায়া খাতুন (৮) আৰু একেখন গাঁৱৰে ৰেজাউল হকৰ কন্যা ৰেজিনা পাবিন (৬) বুলি জানিব পৰা গৈছে। আজি ৫ চেপ্টেম্বৰ শিক্ষক দিৱস উপলক্ষে বিদ্যালয়লৈ গৈ থকা অৱস্থাত এজন কম বয়সীয়া উদণ্ড বাইক আৰহীয়ে পিছ ফালৰ পৰা খুন্দা মৰাৰ ফলত ছোৱালী দুজনী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত ছাত্ৰী দুগৰাকীক ততাতীয়াকৈ বাঘমাৰা চৰ নৈ পৰীয়া স্বাস্থ্য কেন্দ্ৰত প্ৰাথমিক চিকিৎসা কেন্দ্ৰত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বৰ্তমান সময়ত অতি কম বয়সৰ একাংশ উদণ্ড যুৱ বাইকাৰৰ অতপালিত দৈনন্দিন এনেকুৱা দুৰ্ঘটনা সংঘটিত হৈ আছে বুলি সচেতন মহলে দাবী উত্থাপন কৰিছে। এতিয়া প্ৰশ্ন হয় নিয়ম নীতি নমনা এনে উদণ্ড কমবয়সীয়া বাইকাৰক প্ৰশাসনে নাকি লগাব পাৰিবনে।

# পশ্চিম যোৰহাটত শিক্ষক দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৬ ছেপ্টেম্বৰ ঃ** স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি, দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন ৫ ছেপ্টেম্বৰৰ দিনটো ১৯৬২ চনৰ পৰা শিক্ষক দিৱসৰূপে পালন কৰি অহাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষকক স্বীকৃতি দি অহাৰ লগতে ৰাজ্যিক আৰু জিলা পৰ্যায়তো বৰ্তমান খণ্ড পৰ্যায়তো কৃতি শিক্ষকৰ স্বীকৃতি প্ৰদান কৰি আহিছে। শিক্ষক দিৱস এইবছৰ পশ্চিম যোৰহাট অঞ্চলৰ অঙ্গনৱাড়ী, প্ৰাথমিক, উচ্চ প্ৰাথমিক, উচ্চ-উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়কেইখনৰ লগতে ৰাইজৰ দ্বাৰা প্ৰতিষ্ঠিত-পৰিচালিত সামাজিক, সাংস্কৃতিক স্বেচ্ছাসেৱী অনুষ্ঠান, এন জি অ' আৰু ৰাজনৈতিক দলসমূহে কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত অঞ্চলটোৰ শিক্ষকসকলক শ্ৰদ্ধা, অভিনন্দন জনায়। বহুকেইখন শিক্ষানুষ্ঠানত শিক্ষাৰ্থীসকলে সভা অনুষ্ঠিত কৰাৰ লগতে সাংস্কৃতিক কাৰ্যক্ৰম ৰূপায়ণ কৰি শিক্ষকসকলক সেৱা জনায়। বহুজনে বহুকেইখন বিদ্যালয়ত শিক্ষক দিৱসৰ সম্পৰ্কত বক্তৃতাও প্ৰদান কৰে। পুৰণিমাটি চাহ বাগিচা ৰঙ্গমঞ্চত জোনাকী গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত শিক্ষক দিৱসৰ লগত সংগতি ৰাখি স্থানীয় শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰা চিত্ৰাংকন, সংগীত, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত বন্তি জ্বলাই শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ চন্দ্ৰ বৰাই। সাংস্কৃতিক কৰ্মী ভবেন তামোলী, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, শিক্ষয়িত্ৰী স্মৃতিৰেখা গগৈ, বৰ্ষীয়ান ব্যক্তি যজ্ঞেশ্বৰ বৰুৱা, শিল্পী মৃদুলা তামোলীৰ উপৰি বহুকেইগৰাকী স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনায়। সন্ধিয়া বিচিত্ৰানুষ্ঠানৰ পাছতে জোনাকী গোষ্ঠীৰ সভানেত্ৰী ইলা গগৈ, সম্পাদিকা হিমাদ্ৰী বৰুৱা প্ৰমুখ্যে জড়িতসকলে প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক মানপত্ৰ প্ৰদান কৰে। বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিয়েও শিক্ষক দিৱস পালন কৰে। অঞ্চলটোত পৰিচালিত হৈ থকা ৰাজনৈতিক দলৰ কৰ্মীসকলে অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ ঘৰতে গৈ ওলগ-আদৰণি জনাই আশীৰ্বাদ গ্ৰহণ কৰে।

# ঘোঁৰাৰ পিঠিত উঠি বিদ্যালয়লৈ যোৱা যুৱৰাজ ৰাভালৈ বিজেপিৰ যুৱ নেতা ৰাজু মেচৰ সাহায্য প্ৰদান

**অসম বাৰ্তা, মিৰ্জা, ৬ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ অসম মেঘালয় সীমান্তৱৰ্তী অঞ্চল তথা নৱগঠিত বকো-ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বৰবাকাৰা গাঁৱৰ সৰ্বেশ্বৰ ৰাভা আৰু মীনা ৰাভাৰ সন্তান তথা তৃতীয় শ্ৰেণীত অধ্যয়নৰত যুৱৰাজ ৰাভালৈ সাহায্য প্ৰদান কৰে সমষ্টিটোৰ বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী তথা বিজেপিৰ যুৱ নেতা ৰাজু মেচে। উল্লেখ্য যে, দক্ষিণ পাণ্টাণ জনজাতীয় মধ্য ইংৰাজী বিদ্যালয়ৰ তৃতীয় শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ যুৱৰাজ ৰাভাই প্ৰায় চাৰি কিলোমিটাৰ পাহাৰীয়া দুৰ্গম পথৰে বৰবাকাৰা গাঁৱৰ পৰা নিজে ঘোঁৰাৰ পিঠিত উঠি দৈনিক বিদ্যালয়লৈ পঢ়িবলৈ আহে। আৰু বিষয়টিয়ে সম্প্ৰতি সাংঘাতিক ধৰণে চৰ্চা লাভ কৰিছে। মাত্ৰ ৯ বছৰীয়া অত্যন্ত গৰীব কণমানি যুৱৰাজ ৰাভাৰ এই বাতৰি কিছু সংখ্যক সংবাদ মাধ্যমত সবিস্তাৰে সম্প্ৰচাৰিত হৈছিল। বাতৰি প্ৰত্যক্ষ কৰাৰ পিছতে বকোৰ শাখাতিৰ এই গৰাকী ব্যক্তি তথা ৰাজু মেচে আজি যুৱৰাজৰ বৰবাকাৰাৰ নিজ গৃহত উপস্থিত হৈ সাহসী যুৱৰাজে যাতে পঢ়াৰ ক্ষেত্ৰত উৎসাহ দুগুনে বৃদ্ধি পায় সেই উদ্দেশ্যে আগত ৰাখিয়ে শিশু গৰাকীলৈ আৰ্থিক হিচাপে কিছু টকাৰ এখন চেক, চাইকেল, স্কুল বেগ আৰু এটি ফুটবল প্ৰদান কৰে। অনাগত দিনতো যুৱৰাজক ৰাজু মেচে সহায়ৰ আস্বাস প্ৰদান কৰে। ইফালে যুৱৰাজ ৰাভাৰ পৰিয়ালৰ লগতে বৰবাকাৰা গাওঁবাসীয়ে ৰাজু মেচৰ এই মহানুভৱতাক বিপুল আদৰণি জনায়।

# এক'লৈণ্ড একাডেমী ইংলিচ স্কুলত শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** আজি ৫ ছেপ্টেম্বৰ অথাৎ শিক্ষক দিৱস। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিন। সমগ্ৰ দেশতে মহান মনীষী তথা ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি জনৰ জন্ম দিনটো শিক্ষক দিৱস হিচাপে প্ৰতি বছৰে পালন কৰি আহিছে বিদ্যালয়ৰ, মহাবিদ্যালয়ৰ, বিশ্ববিদ্যালয় তথা অনুষ্ঠান প্ৰতিষ্ঠানে। সেই অনুসৰি মাজুলীৰ ব্যক্তিগত খণ্ডৰ এখন আগশাৰী শিক্ষানুস্থান এক'লৈণ্ড একাডেমী ইংলিছ স্কুলত উলহ-মালহৰে ৬৪ সংখ্যক শিক্ষক দিৱস পালন কৰে। কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলে বিদ্যালয়ৰ চৌপাস নিকাৰণ কৰে। পুৱা ৮ বজাত বিদ্যালয়ৰ পতকা উত্তোলন কৰে বিদ্যালয়ৰ সঞ্চালক যতিন পায়েঙে। পুৱা ৮.৩০ বজাত বিদ্যালয়ৰ চৌহদ গছ পুলি ৰোপণ কৰে বিদ্যালয়ৰ শিক্ষক প্ৰাণজ্যোতি ৰাজখুৱাই। ইয়াৰ পিছতে পুৱা ৯ বজাত ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে যুগুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা উইং উন্মোচন কৰে জেংৰাইমুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা দেৱজিৎ শইকীয়াই। পুৱা ৯-৩০ বজাত বন্তী প্ৰজ্বলন কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মুনিন্দ্ৰ শইকীয়াই। পুৱা ১০ বজাত বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী সকলে বিদ্যালয়ৰ সমবেত সংগীতেৰে শিক্ষক দিৱসৰ মঞ্চ উদ্বোধন কৰে। বিদ্যালয়ৰ ছাত্ৰী বুলবুলি নৰহে আতঁধৰা অনুষ্ঠানত বিদ্যালয়ৰ সঞ্চালক যতিন পায়েঙে শিক্ষক দিৱসৰ তাৎপৰ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ৰাইজক উদ্দেশ্যি সাবলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰবক্তা দেৱজিৎ শইকীয়াৰ লগতে মাজুলী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ দিব্যজ্যোতি বৰা। ইয়াৰ পিছতে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মুনিন্দ্ৰ শইকীয়াই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। লগতে অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে ফুলনি গাঁও পঞ্চায়তৰ সভানেত্ৰী ববিতা নৰহ, ফুলনি গাঁও পঞ্চায়তৰ বহু কেইগৰাকী ৱাৰ্ড মেম্বাৰৰ লগতে অভিভাৱক সকল উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে শিক্ষক দিৱসৰ শুভক্ষণত জ্ঞানৰ পোহৰেৰে আলোকিত কৰি প্ৰজ্ঞাৰ বীজ ৰোপণ কৰোঁতা প্ৰতিগৰাকী শিক্ষক -শিক্ষয়িত্ৰীকে ফুলাম গামোচা পিন্ধোৱাৰ লগতে উপহাৰৰ তোপোলা আগবঢ়াই। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰী সকলে সাংস্কৃতিক অনুষ্ঠানেৰে উপস্থিত ৰাইজৰ মন জীপাল কৰি তোলে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই শিক্ষক জয় চন্দ্ৰ বৰাই।

# ধনশিৰি নদীত পৰি সলিল সমাধি এগৰাকী কিশোৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ ছেপ্টেম্বৰ ঃ** গোলাঘাটৰ ধনশিৰি নদীত অবৈধভাৱে বালি খননৰ ফলত সৃষ্টি হোৱা বৃহৎ বৃহৎ গাঁতৰ মাজৰ এটা গাঁতত পৰি এজন কিশোৰৰ সলিল সমাধি ঘটা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কালি বিয়লি গোলাঘাট নৱাগাঁৱৰ জয় দাস (১৪) নামৰ এটি কিশোৰে কেইজনমান সমনীয়াৰ সৈতে ধনশিৰি নদীত গা ধুবলৈ আহি সন্ধানহীন হৈছিল। সন্ধানহীন হোৱাৰ পিছত পৰিয়ালৰ লোকে ধনশিৰি নদীৰ পাৰত কিশোৰটিক বহু বিচাৰ খোচাৰ কৰিছিল যদিও কোনো ধৰণৰ শুংসূত্ৰ উলিয়াব পৰা নাছিল। আজি ধনশিৰি নদীৰ কাষত থকা দ-দ পুখুৰী সদৃশ গাঁতত এছ ডি আৰ এফয়ে সন্ধান চলাই জয় দাসৰ মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মন কৰিবলগীয়া যে, ধনশিৰি নদীৰ কাষত অবৈধভাৱে বালি খনন কৰাৰ ফলত ধনশিৰি নদীৰ কাষত যথেষ্ট দ পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছিল। এই সমূহ স্থানত শিশুৰ পৰা বয়োজ্যেষ্ঠ বহু লোকে গা ধুৱলৈ অহাৰ কথা উল্লেখ কৰে স্থানীয় লোকে। এইসমূহ সকলো দেখিও এক প্ৰকাৰ চকু মুদা কুলিৰ ভাও ধৰে বিয়াগোম গোলাঘাটৰ বন বিভাগ। অবৈধ বালি খনন ৰোধ কৰিব নোৱাৰা বন বিভাগৰ অকৰ্মণ্যতাৰ বাবেই জয় দাসৰ সলিল সমাধি ঘটিল। কিশোৰটিৰ মৃত্যুৰ পিছতেই এতিয়া সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যই বিৰাজ কৰাৰ লগতে বন বিভাগৰ এনে গাফিলতিক লৈ কেতবোৰ অভিযোগ উত্থাপন হৈছে।

## শিক্ষক দিৱসৰ দিনাই শিক্ষকৰ আশীৰ্বাদৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰী

# আমগুৰি চাহ বাগিছা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুপস্থিত শিক্ষক

**অসম বাৰ্তা, আমগুৰি, ৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত আজি শিক্ষক দিৱসৰ দিনা শিক্ষকৰ আশীৰ্বাদ লাভৰ পৰা বঞ্চিত হল এখন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী। আমগুৰি চাহ বাগিছা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি সংঘটিত হল এই ঘটনা। জানিব পৰা মতে নিয়মমাফিক শিক্ষা সেতু এপত উপস্থিতিৰ স্বাক্ষৰ কৰিয়েই বিদ্যালয় ত্যাগ কৰে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে। বিদ্যালয়খনত কেৱল অধ্যক্ষ গৰাকীহে উপস্থিত থাকে। ফলত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক দিৱসৰ দিনাও শিক্ষক শিক্ষয়িত্ৰী সকলক সেৱা জনাই আশীৰ্বাদ লাভৰ পৰা বঞ্চিত হয়। ছাত্ৰ-ছাত্ৰী সকলে বহুত আশাৰে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী সকলক শিক্ষক দিবস উপলক্ষে গামোছা পিন্ধাই, উপহাৰ প্ৰদান কৰি শিক্ষক দিৱস পালন কৰিবলৈ সাজু হৈ আহিছিল যদিও শিক্ষক শিক্ষয়িত্ৰী সকলৰ অনুপস্থিতিত অধ্যক্ষ গৰাকীৰ লগতে শিক্ষক দিৱস পালন কৰে। জানিবপৰামতে কোনোধৰণৰ জাননী নিদিয়াকৈ বিদ্যালয়ৰ সকলো শিক্ষকে বিদ্যালয় ত্যাগ কৰাক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। উল্লেখযোগ্য যে, পূৰ্বতেও বিদ্যালয়ত দেৰিকৈ উপস্থিত হোৱাৰ বাবে স্থানীয় লোকে জবাবদিহি কৰিছিল একাংশ শিক্ষকক।

# সাহিত্যাচাৰ্য, শিক্ষাবিদ ড° ভীমকান্ত বৰুৱাক নিজা গৃহত সম্বৰ্ধনা

## ড° অদিতি বৰুৱাৰ গ্ৰন্থ উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় মহানগৰৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান ডিব্ৰু কলেজৰ সংস্কৃত আৰু অসমীয়া বিভাগৰ শিক্ষকবৃন্দই আজি এক ব্যতিক্ৰমীভাৱে শিক্ষক দিৱসৰ কাৰ্যসূচী পালন কৰে। এই অনুসৰি পুৱাৰ ভাগতেই দুয়োটা বিভাগৰ অধ্যাপক সকলে বিশিষ্ট শিক্ষাবিদ, ভাষাতত্ত্ববিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক আৰু প্ৰফেচৰ এমেৰিটাছ ড° ভীমকান্ত বৰুৱাক একোখনকৈ ফুলাম গামোচাৰে সেৱা জনোৱাৰ লগতে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক তথা লেখিকা ড° অদিতি বৰুৱাই ড° ভীমকান্ত বৰুৱাৰ নামত উছৰ্গা কৰা এখনি গ্ৰন্থও তেওঁৰ দ্বাৰা উন্মোচন কৰা হয়। 'সংস্কৃত সাহিত্য তৰংগ আৰু প্ৰাপ্তি' শীৰ্ষক গ্ৰন্থখনি তেওঁৰ নামত উছৰ্গা কৰাৰ উপৰিও উন্মোচনৰ সুবিধা প্ৰদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰি এনেদৰে গুৰুসেৱা প্ৰদানৰ বাবে পুলকিত হৈ কলেজখনৰ দুয়োটা বিভাগৰ শিক্ষকবৃন্দক আশীৰ্বাদ প্ৰদান কৰে। গ্ৰন্থখনিৰ উন্মোচনী ভাষণ প্ৰসংগত ড° বৰুৱাই সংস্কৃত ভাষাৰ শিকাৰ প্ৰয়োজনৰ ভিন্ন দিশৰ কথা উল্লেখ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া-সংস্কৃত ভাষাৰ ব্যাকৰণ হাতেলিখা পৰ্যায়ত থকা বুলি মন্তব্য কৰে। এনেধৰণৰ গ্ৰন্থ প্ৰকাশৰ বাবে আজিপৰ্যন্ত এজনো অসমীয়া মানুহ নোলাল বুলি আক্ষেপ প্ৰকাশ কৰি উন্মোচিত গ্ৰন্থখনিৰ লেখিকাৰ শলাগ লয়। অনুষ্ঠানৰ আৰম্ভণিতে গ্ৰন্থখনিৰ সম্পৰ্কত কিছু কথা উল্লেখ কৰে লেখিকা ড° অদিতি বৰুৱাই। কলেজখনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মৌচুমী দত্তই আঁতধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অধ্যাপক ড° মনোজ শৰ্মা, ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ, ড° বিজু মৰান, ড° হিমাদ্ৰী শৰ্মা আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ড° ডলী চুতীয়া, বাবুল দাস আৰু কলেজখনৰ উদ্ভিদবিদ্যা বিভাগৰ অধ্যাপক প্ৰণৱ পালৰ লগতে ড° ভীমকান্ত বৰুৱাৰ সহধৰ্মিনী তথা লেখিকা নীলিমা বৰুৱাও উপস্থিত থাকে। উল্লেখ্য আজি উন্মোচিত গ্ৰন্থখনি হৈছে ড° অদিতি বৰুৱাৰ সপ্তমখনি গ্ৰন্থ। আনসমূহ গ্ৰন্থ হৈছে প্ৰাচীন অৰ্বাচীন (২০০৭), নিবন্ধ মালিকা (২০১৬), নীতিশতকম (২০১৭), চাণক্য নীতি (২০১৯), মোৰ ছাঁ (২০২১) আৰু ফিল'চফি অৱ ডিভ'চন ইন দি ভক্তিৰত্নাকৰ (২০২১)।

# চলন্তাপাৰাৰ অৱসৰী শিক্ষক আব্দুল জলিল মিঞা ৰাজ্যপালৰ দ্বাৰা সম্বৰ্ধিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৬ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা অঞ্চলৰ এগৰাকী অৱসৰী কৃতি শিক্ষকক ৰাজ্যপালৰ তৰফৰ পৰা শিক্ষক দিৱসৰ দিনটোতে সম্বৰ্ধনা জনোৱাত শিক্ষক গৰাকীলৈ যথাযোগ্য সন্মানৰ বাবে শলাগ লৈছে বিদ্যোৎ মহলে। জানিব পৰা মতে যোগীঘোপা অঞ্চলৰ চলন্তাপাৰা নিবাসী আব্দুল জলিল মিঞা ৰাজ্যপালৰ দ্বাৰা সম্বৰ্ধিত হোৱাৰ বাবে মনোনীত হয়। সেইমৰ্মে আজি অৱসৰী শিক্ষক মিঞাৰ বাসগৃহত জিলা আয়ুক্ত নৰদ্বীপ পাঠক, বইটামাৰীৰ ভাৰপ্ৰাপ্ত ৰাজহ চক্ৰ বিষয়া, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিৰ্মল নাৰ্জাৰীয়ে উপস্থিত হয়। আৰু ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ হৈ জিলা আয়ুক্ত পাঠকে ফুলাম গামোছা আৰু সম্বৰ্ধনা পত্ৰৰে শিক্ষক গৰাকী সম্বৰ্ধিত কৰে। সম্বৰ্ধনা পত্ৰত অৱসৰী শিক্ষক গৰাকীক এগৰাকী আদৰ্শ শিক্ষক হিচাপে অভিহিত কৰাৰ লগতে সহসৃজনৰ অনুপ্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰে।

## অসমক 'কা' আইনৰ আওতাৰ পৰা বাহিৰত নাৰাখিলে পুনৰ উত্তপ্ত আৰু অশান্ত হ'ব অসম

# 'কা'ৰ বিৰুদ্ধে বিজেপি বিৰোধী শ্ল'গানেৰে উত্তাল গোলাঘাট

## নৰেন্দ্ৰ মোডী-হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ ছেপ্টেম্বৰ ঃ** শেষতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে জাতিধ্বংসী কা' আইনৰ অধীনত ইমিগ্ৰেচন আৰু বিদেশী (ৰেহাই) আদেশ ২০২৫ অধিসূচনাৰ জৰিয়তে ২০২৪ চনৰ ৩১ ডিচেম্বৰ লৈকে বিদেশীৰ নাগৰিকত্ব দিয়াৰ সিদ্ধান্তৰ বিৰুদ্ধে আজি কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিয়ে গোলাঘাটৰ মাজমজিয়াত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত প্ৰতিবাদক বাধা দিয়া আৰক্ষীৰ সৈতে সন্মুখ সমৰত সংঘাতৰ সৃষ্টি প্ৰতিবাদকাৰীৰ। প্ৰতিবাদস্থলীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পিণ্টু গগৈয়ে সংবাদ মাধ্যমৰ আগত কয় যে, অসমৰ ৰাইজে 'কা' আইনৰ বিৰুদ্ধে ইতিমধ্যে বৃহৎ গণ আন্দোলনৰ জৰিয়তে অসমে 'কা' নামানে বুলি সজোৰে কোৱাৰ পাছতো কেন্দ্ৰীয় নৰেন্দ্ৰ মোডী নেতৃত্বৰ আৰু ৰাজ্যৰ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ বিজেপি চৰকাৰে বাৰম্বাৰ অসমৰ 'কা' বিৰোধী গণ সংগ্ৰামক উপেক্ষা পুনৰ 'কা' আইনৰ নাগৰিকত্ব আবেদনৰ ম্যাদ ২০১৪ চনৰ ৩১ ডিচেম্বৰ পৰা ২০২৪ চনৰ ৩১ লৈকে বৃদ্ধি কৰি অসমক ৫৩ বছৰৰ অতিৰিক্ত অবৈধ বিদেশীৰ বোজা জাপি দিব বিচৰা সিদ্ধান্ত কোনো কাৰণত মানি লোৱা নহ'ব বুলি মন্তব্য কৰে লগতে উত্তৰ পূৰ্বাঞ্চলৰ আন ৰাজ্য সমূহৰ দৰে আৰু ষষ্ঠ অনুসূচী অঞ্চলৰ দৰে অসমক 'কা' আইনৰ আওতাৰ পৰা বাহিৰত নাৰাখিলে পুনৰ অসম উত্তপ্ত আৰু অশান্ত হ'ব বুলি মন্তব্য কৰে। লগতে পিণ্টু গগৈয়ে কয়, কেন্দ্ৰীয় চৰকাৰে আৰু দিল্লীয়ে অসমক কেৱল সম্পদ লুণ্ঠন আৰু বিদেশী সংস্থাপনৰ ৰাজ্য হিচাপেহে ভাৰতৰ অংশ কৰি ৰাখিছে নেকি? কেন্দ্ৰীয় চৰকাৰে কিয় অসমৰ সম্পদ আৰু ভূমিৰ ওপৰত অসমৰ মানুহক অধিকাৰ প্ৰদান নকৰে? কিয় অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নকৰে? অসমত কিয় ইনাৰ লাইন পাৰ্মিটৰ ব্যৱস্থা নকৰে? অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰ সমূহ কিয় কেন্দ্ৰীয় বিজেপি চৰকাৰে আৰু দিল্লীয়ে দিব নিবিচাৰে বুলি প্ৰশ্ন কৰে নেতাগৰাকীয়ে লগতে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অহা এজনো বিদেশীৰ বোজা অসমে নলয় বুলি স্পষ্ট মত ডাঙি ধৰে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিল্লীৰ ওচৰত আঁঠু লৈ অসমক বিদেশীৰ চৰণীয়া পথাৰ হ'বলৈ এৰি দি হিন্দু বাংলাদেশী আৰু বিদেশীৰ ৰক্ষক হিচাপে পৰিচয় দিছে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে ছাত্ৰ নেতাগৰাকীয়ে। আনহাতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিমলা গগৈয়ে কয় যে, এই জাতিধ্বংসী আইন অসমৰ মানুহে আগতেও মনা নাছিল আৰু ভৱিষ্যতেও নামানে। লগতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক হিৰকজ্যোতি শইকীয়াই কয়, এই বিজেপি দলে অসমক বিদেশীৰ চৰণীয়া পথাৰ কৰিবলৈ লোৱা সিদ্ধান্ত কোনো কাৰণতেই মানি লোৱা নহ'ব লগতে ছাত্ৰ মুক্তিৰ গোলাঘাট জিলা সভাপতি আকাশ দাৰে হিমন্ত বিশ্ব শৰ্মাক জাতিৰ আদ্দাৰ বুলি উল্লেখ কৰে। জাতি অস্তিত্ব ৰক্ষাৰ এই সংগ্ৰাম কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে সমগ্ৰ ৰাজ্যজুৰি ধাৰাবাহিকভাৱে অব্যাহত ৰাখিব বুলি সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্বই জানিবলৈ দিয়ে।

# আই.আৰ. ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, কচুৱা, ৬ ছেপ্টেম্বৰ ঃ** আজি ৫ ছেপ্টেম্বৰ শিক্ষক দিৱস। ১৯৬২ চনৰ পৰা প্ৰতি বছৰৰ ৫ ছেপ্টেম্বৰ দিনটো শিক্ষক দিৱস হিচাপে উলহ মালহেৰে উদযাপন কৰি আহিছে। দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানৰ সমান্তৰালকৈ নগাঁও জিলাৰ কঠীয়াতলি শিক্ষা খণ্ডৰ অন্তৰ্গত কচুৱাৰ জুৰিৰপাৰ আই. আৰ. ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিক্ষক দিৱস উদযাপন কৰে। শিক্ষক দিৱস উপলক্ষে আয়োজিত মুকলি সভাত সভাপতিত্ব কৰে আই আৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰধান শিক্ষক ইমদাদুল হুছেইনে। সহকাৰী শিক্ষক গুলজাৰ হুছেইনে আত ধৰা অনুষ্ঠানত শিক্ষক ক্ৰমে ছাবিৰ আহমেদ, পিটিছ দাস, হীৰামণি কাকতি, ফৌজীয়া পাৰবিন, ছাবিনা য়াছমিন, ননিতা দাস সহ বহু কেইজন বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকে। শিক্ষক দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ফুলাম গামোচা আৰু কলমেৰে আদৰণি জনাই। সভাত সাংস্কৃতিক অনুষ্ঠান, কবিতা আবৃত্তি, আৰু শিক্ষক দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে বহু মূল্যৱান বক্তব্য আগবঢ়ায়।

# শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত সমাগত দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আয়ুষ গৰ্গৰ অধ্যক্ষতাত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত সমাগত দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদ্‌যাপনৰ সময়ত দৰ্শনাৰ্থীৰ সুৰক্ষা, পূজা উদযাপন সম্পৰ্কীয় প্ৰয়োজনীয় অনুমতি সংগ্ৰহ, যানবাহনৰ নিয়মাৱলী, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, প্ৰতিমা বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বিগত বৰ্ষৰ কাৰ্যবিৱৰণীখন সহকাৰী আয়ুক্ত গণেশ চন্দ্ৰ বড়োয়ে পাঠ কৰে। বৈঠকত দুৰ্গা পূজা উদ্‌যাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ নিয়মাৱলী সন্দৰ্ভত অৱগত কৰা হয়। প্ৰতিটো পূজা মণ্ডপত চি চি টিভি লগোৱাটো বাধ্যতামূলক বুলিও অৱগত কৰা হয়। অগ্নি নিৰ্বাপনৰ সামগ্ৰী পূজা মণ্ডপত মজুত ৰাখিবলৈও বৈঠকত জনোৱা হয়। পূজা সমিতিসমূহে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু পৰ্যাপ্ত ডাষ্টবিনৰ ব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপৰ চাৰিওফালে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। পূজা সমিতিসমূহে পৰ্য্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱক নিয়োগ কৰাৰ লগতে স্বেচ্ছাসেৱক সকলৰ নামৰ তালিকা আৰক্ষী বিভাগক আগতীয়াকৈ জমা দিবলৈ আহ্বান জনোৱা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বড়া, ডিমৌৰ সমজিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, নাজিৰাৰ সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্তসকল প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়াসকল আৰু বিভিন্ন পূজা সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

## সম্পাদকীয়

# শান্তিৰ পথত অগ্ৰগতি

মণিপুৰৰ জটিল আৰু দীৰ্ঘদিনীয়া সংঘৰ্ষ আৰু হিংসাৰ পৰিৱেশত শান্তি আৰু স্থায়ী সমাধানৰ বাবে এক নতুন অধ্যায়ৰ সৃষ্টি হৈছে। চৰকাৰ আৰু কুকি জনগোষ্ঠীৰ মাজত হোৱা এক চুক্তিয়ে ৰাজ্যত শান্তি স্থাপনৰ এক নতুন আশাৰ সৃষ্টি কৰিছে। প্ৰায় ডেৰ বছৰৰো অধিক সময় ধৰি চলি অহা সংঘাতৰ মাজত এই চুক্তি এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি গণ্য কৰিব পাৰি। কিন্তু ইয়াৰ সফল বাস্তৱায়ন আৰু চূড়ান্ত শান্তিৰ বাটত কেইবাটাও প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হ'ব। শুকুৰবাৰে কেন্দ্ৰীয় চৰকাৰ, মণিপুৰ চৰকাৰ আৰু কুকি-জ'মি গোট দুটাৰ মাজত হস্তাক্ষৰিত হোৱা চুক্তি অনুসৰি ৰাজ্যৰ ভৌগোলিক অখণ্ডতা ৰক্ষা, ৰাষ্ট্ৰীয় ঘাইপথ-২ক মুক্ত কৰি ৰখা, আৰু উগ্ৰবাদী শিবিৰসমূহ স্থানান্তৰিত কৰাৰ বিষয়ত একমত হৈছে। ইয়াৰ আগতে সংঘাতত জড়িত গোটসমূহৰ মাজত সংবাদৰ অভাৱ আৰু প্ৰত্যেকৰ নিজা চৰ্তৰ বাবে কোনো চুক্তিত উপনীত হোৱা কঠিন হৈ পৰিছিল। সেয়েহে, এই চুক্তিক এক আৰম্ভণি হিচাপে গ্ৰহণ কৰিব লাগিব, ইয়াক চূড়ান্ত সমাধান বুলি ভাবাটো অৱশ্যে শুদ্ধ নহয়। চুক্তিখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হ'ল যে কুকি জনগোষ্ঠীৰ প্ৰতিনিধিত্ব কৰা গোট দুটাই ইয়াত অংশগ্ৰহণ কৰি মণিপুৰৰ অখণ্ডতা ৰক্ষা কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ আগতে কুকি সংগঠনসমূহে 'পৰ্বতীয়া ৰাজ্য' বা কেন্দ্ৰশাসিত অঞ্চলৰ দাবী নিষ্পত্তি নহ'লে কোনো চুক্তিত স্বাক্ষৰ নকৰাৰ ঘোষণা কৰিছিল। সেয়েহে, এই সিদ্ধান্তক এক সকাৰাত্মক দিশ বুলি ধৰিব পাৰি। কিন্তু এই চুক্তিৰ সৈতে সমান্তৰালভাৱে আন এক বাধাৰ সৃষ্টি হৈছে। মণিপুৰৰ নগা সম্প্ৰদায়ৰ শীৰ্ষ সংস্থাই মুক্ত যাতায়াত ব্যৱস্থা বন্ধ কৰাৰ আৰু ভাৰত-ম্যানমাৰ সীমান্তত বেৰা দিয়াৰ বিৰোধিতা কৰি 'বাণিজ্য প্ৰতিবন্ধক' আৰোপ কৰাৰ ঘোষণা কৰিছে। আনহাতে, কুকি-জ'মি পৰিষদে স্পষ্ট কৰি দিছে যে চুক্তিক 'বাফাৰ জ'ন'ত যাতায়াতৰ অনুমতি দিয়া বুলি ধৰি নল'ব আৰু জনসাধাৰণৰ নিৰাপদ যাতায়াতৰ দায়িত্ব চৰকাৰে ল'ব লাগিব। সেয়েহে, এই চুক্তিৰ পিছতো ৰাজ্যত সম্পূৰ্ণ শান্তি স্থাপন হ'ব নে নহয়, সেই বিষয়ে সাধাৰণ মানুহৰ মনত সংশয় ৰৈ গৈছে। মণিপুৰত মেইতেই সম্প্ৰদায়ক জনজাতিৰ মৰ্যাদা দিয়াৰ প্ৰশ্নত সৃষ্টি হোৱা সংঘাতটোৱে কুকি আৰু মেইতেই সম্প্ৰদায়ৰ মাজত এক গভীৰ ফাটৰ সৃষ্টি কৰিছে। এই ফাট পূৰণ কৰাটো এতিয়াও এক ডাঙৰ প্ৰত্যাহ্বান। হিংসাৰ ক্ৰমত বহুতো মহিলাৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰা হৈছে আৰু এতিয়ালৈকে দুশতকৈয়ো অধিক লোকৰ প্ৰাণ হানি হৈছে। কিন্তু প্ৰশ্ন উত্থাপন হয় যে এইবোৰ হ'বলৈ দিয়া হ'ল কিয়? ইমান দিনৰ মূক দৰ্শক হৈ থকাৰ পিছত চৰকাৰে এতিয়াহে সংবাদৰ পথত অগ্ৰসৰ হ'ল কিয়? এই চুক্তিৰ পিছত ৰাজ্যখনত পূৰ্ণাংগ শান্তি স্থাপন হ'ব নেকি? সংঘাতত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰক ন্যায় প্ৰদানৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব? মণিপুৰত শান্তি স্থাপন কৰাটো কেৱল এখন চুক্তিৰ বিষয় নহয়, ইয়াৰ বাবে আৱশ্যক সকলো পক্ষৰ আন্তৰিকতা, নিৰন্তৰ সংবাদ, আৰু পৰস্পৰৰ প্ৰতি সন্মান। চুক্তিখনক এখন সকাৰাত্মক আৰম্ভণি হিচাপে লৈ ইয়াৰ সফল বাস্তৱায়নৰ দিশত সকলো শক্তি প্ৰয়োগ কৰাটো সময়ৰ অনুৰোধ। ৰাজ্যৰ জনসাধাৰণ হিংসা, ভয় আৰু অনিশ্চয়তাৰ জীৱনত আবদ্ধ হৈ থকাৰ সলনি শান্তি আৰু উন্নতিৰ জীৱনযাপন কৰাটো তেওঁলোকৰ অধিকাৰ। মণিপুৰক তাৰ হেৰুৱা শান্তি আৰু সম্প্ৰীতি ঘূৰাই দিয়াৰ বাবে এতিয়াই সময়।

কংগ্ৰেছ দলৰ প্ৰতিটো প্ৰচেষ্টা বিজেপিয়ে কৌশলেৰে প্ৰতিহত কৰি আহিছে। মণিপুৰ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে স্পষ্টীকৰণ দিবলৈ আহিল, ইণ্ডিয়া এলায়েঞ্চে সদন বৰ্জন কৰি নিজৰ দুৰ্বল স্থিতি উদঙালে। 'অপাৰেচন সিন্দূৰ'ৰ ওপৰতো বহুত হুলস্থুল কৰিলে। ভাৰতৰ কিমান বিমান নষ্ট হ'ল, সেই প্ৰশ্নটোৰে দেশৰ বহুতো নাগৰিকক অসন্তুষ্ট কৰিছে। সেই প্ৰশ্নৰ দ্বাৰা নিজৰ দেশৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ কংগ্ৰেছ দলৰ সদস্য সকলৰ সদিচ্ছাৰ অভাৱ প্ৰদৰ্শন কৰিলে। সৰ্বদলীয় প্ৰতিনিধি দলৰ প্ৰতি ইণ্ডি এলায়েঞ্চে যি ধৰণৰ বাক্য প্ৰয়োগ কৰিছিল, তাৰ বাবেও বিৰোধী দল সমূহ ক্ষতিগ্ৰস্ত হৈছে বা ভৱিষ্যতে হ'ব পাৰে। তাৰ লগতে, সদনৰ কাম-কাজ স্থগিত কৰা বিৰোধীৰ নীতিয়ে দেশবাসীক অতিষ্ঠ কৰা যেন লাগে।

# আজিৰ ভাৰতৰ ৰাজনৈতিক পৰিৱেশ

**ড° আৰ কে বেজবৰুৱা**

২০১৪ চনত ভাৰতৰ শাসনলৈ আহিল ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ। তেতিয়াৰে পৰা দুটা শাসন কাল পাৰ কৰি তৃতীয়টো কালৰ বাবে নৰেন্দ্ৰ মোডীয়ে শাসনৰ বাঘজৰী চম্ভালি আছে। ভাৰতৰ সকলো ক্ষেত্ৰতে নৰেন্দ্ৰ মোডীয়ে অপশাসন চলোৱা বুলি ইতিমধ্যে বিৰোধী দলসমূহে প্ৰবল প্ৰতিবাদ চলাই আহিছে। কাৰোবাৰ মতে যদি মোডী চৰকাৰে সংবিধান হত্যা কৰিছে, কাৰোবাৰ মতে যুৱকসকলক চাকৰি দিয়াত ব্যৰ্থ হৈছে। নোট বন্দী য়ে দেশৰ কম উপাৰ্জন কৰা মানুহক পথৰ ভিখাৰী কৰিছে। দেশত 'তানাশ্বাহী' দিনে দিনে বৃদ্ধি পাইছে। বিদেশ নীতিত সম্পূৰ্ণ বিফল হৈছে। কৃষকক ন্যায় দিব পৰা নাই। কেইজনমান পুঁজিপতিৰ হাতত দেশৰ অৰ্থ ব্যৱস্থা সঁপি দিয়া হৈছে। আটাইতকৈ ডাঙৰ অভিযোগ হৈছে - বিজেপিয়ে হিন্দু- মুছলমানৰ মাজত বিভেদৰ বিষবাষ্প বিয়পাই দিছে। শেষ অভিযোগ আছিল নৰেন্দ্ৰ মোডীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ওচৰত ছাৰেণ্ডাৰ কৰিছে। সকলোতে উতলি থকা অভিযোগ হৈছে ভোট চুৰি।

ইমানবোৰ অভিযোগৰ শেষৰ তিনি চাৰিটা অভিযোগৰ বাহিৰে আটাইবোৰ পুৰণি। তাৰ লগতে ৰাফেল ক্ৰয়, হিন্দেন বাৰ্গৰ ৰিপ'ৰ্ট, পেগচাছ, নতুন সংসদীয় ভৱন, পাকিস্তান আৰু চীনৰ আগ্ৰাসন, মণিপুৰ, জাতি গণনা আদি কৰি নাই কমেও পঞ্চাশটা মান অভিযোগ আছে। তথাপিয়ো দেখা গৈছে তিনিওটা সংসদীয় নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টী আৰু সহযোগী দলে জয় লাভ কৰি চৰকাৰ গঠন কৰাত সমৰ্থ হৈছে।

ইমানবোৰ অভিযোগ যদি সঁচা হয়, তেন্তে বিজেপিয়ে তিনিওবাৰে কেনেকৈ বিপুল জনসমৰ্থন পালে? বিজেপিয়ে জোৰ কৰি, নিজৰ ইচ্ছামতে চৰকাৰ গঠন কৰিছে নেকি? নে বিজেপিৰ হাতত যাদু আছে? অভিযোগবোৰ যদি সঁচা হয়, তেন্তে ইমান দিনে বিজেপিয়েজন সমৰ্থন হেৰুৱাব লাগিছিল। বিৰোধী এক জোঁট হৈয়ো কিয় বিজেপিক হৰুৱাব পৰা নাই? তাৰ অৰ্থ এইটো নেকি যে বিজেপিক হৰুৱাবলৈ বিৰোধীৰ হাতত অভিযোগ তোলাৰ বাহিৰে আন একো কৌশল নাই? দেশৰ সৰ্বশ্ৰেষ্ঠ, সৰ্ববৃহৎ দল এটাৰ পতন কিয় হৈছে, কেতিয়া তেওঁলোকৰ নেতাসকলে বিচাৰ কৰি চাইছে জানো? নাইবা, বিৰোধী দলৰ অভিযোগ সমূহৰ সত্য ভিত্তি আছে জানো? আটাইতকৈ পুৰণি দেশৰ সৰ্ববৃহৎ দল কংগ্ৰেছক ৰাইজে ২০১৪ চনত কিয় নাকচ কৰিলে, তাৰ কাৰণ কংগ্ৰেছৰ জ্যেষ্ঠ সদস্যসকলে বিচাৰি পাইছে জানো?

কংগ্ৰেছৰ শাসন কালত ইমানেই দুৰ্নীতি, শাসনৰ অপপ্ৰয়োগ, ন্যায়ালয়ৰ উপেক্ষা আৰু কেলেংকাৰী হৈছিল যে তাৰ বিকল্পৰ বাবে মানুহ উত্ৰাৱল হৈ উঠিছিল। ২০১৪ চনত যেতিয়া সেই বিকল্পই দেশৰ সুস্থিৰতা, অৰ্থনৈতিক বিকাশ আৰু কেলেংকাৰী বিহীন শাসন দেখা পালে, দ্বিতীয় বাৰৰ বাবে ভাৰতৰ জনতাই সেই বিকল্পৰ ওপৰত বেছি ভৰষা পালে। আগতকৈও তীব্ৰ গতিত জনতা ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰৰ সমৰ্থনত থিয় হ'ল। তীব্ৰতা হ্ৰাস পালেও মোডীৰ শাসনৰ বিকল্প এতিয়াও প্ৰস্তুত কৰিব পৰাকৈ বিৰোধীসকল শক্তিশালী নহয়।

মোডীক 'তানাশ্বাহী' বুলি কংগ্ৰেছ দলে প্ৰচাৰ কৰাৰ বিপৰীতে শাসনাধিষ্ঠ দলে কংগ্ৰেছ দল তথা জনতাৰ সন্মুখত তুলি ধৰিছে কংগ্ৰেছ দলে কৰা কামৰ খতিয়ান। ১৯৭৫ চনত কংগ্ৰেছ চৰকাৰে কি কৰিছিল, ৩৫৬ নম্বৰ অনুচ্ছেদ কিমান




বাৰ প্ৰয়োগ কৰিছিল তাৰ হিচাপ পুনৰ ৰাইজৰ আগত তুলি ধৰিছে। অসমত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ কংগ্ৰেছে কি কৰিছিল, সেই কথাও মনত পেলাই দিয়ে। নিৰপৰাধী বা সংবিধানৰ ৰক্ষক, পূৰ্বৰ গৃহমন্ত্ৰী, পি চিদাম্বৰমে কিয় জেললৈ যাব লগীয়া কথাও মনত পেলাই দিয়ে। ডিজিটেল লেন-দেনৰ যেতিয়া ভাৰতত আৰম্ভণি কৰা হৈছিল, তেতিয়া পি চিদাম্বৰমে তাচ্ছিল্য কৰিছিল। কিন্তু সেয়া আজি আটাইতকৈ কাৰ্য্যকৰী হোৱা দেখা গৈছে। ৰাহুল গান্ধীয়ে যিমান বাৰ মোডী চৰকাৰক ঠেকত পেলাবলৈ চেষ্টা কৰিছে, সিমান বাৰেই বিজেপিয়ে কংগ্ৰেছ চৰকাৰে পূৰ্বতে কৰা কামৰ খতিয়ান বিচাৰি বিচাৰি আনি সন্মুখত মেলি দিছে। ৰাফেল বিমানৰ কেলেংকাৰীৰ কথা কওঁতে বফৰ্চ কেলেংকাৰীৰ কথা আনিছে। সেইদৰে য'তে ত'তে ছাৰেণ্ডাৰ ছাৰেণ্ডাৰ কৰি থাকোঁতে উলিয়াই দিলে আমেৰিকাৰ ৰাষ্ট্ৰপতিলৈ লিখা ইন্দিৰা গান্ধীৰ এখন চিঠি। ই. ভি. এম.ৰ নিৰ্ভৰযোগ্যতাত সম্পৰ্কে উচ্চতম ন্যায়ালয়ে নিশ্চয়তা প্ৰদান কৰিছে। শেহতীয়াকৈ মালেগাঁও বোমা বিস্ফোৰণৰ কেচত সাধ্বী প্ৰজ্ঞা, কৰ্ণেল শ্ৰীকান্ত প্ৰসাদ পুৰোহিতৰ সৈতে সকলোৱে নিৰ্দোষ প্ৰমাণিত হোৱাৰ পিছত হিন্দুসকলক আতংকবাদী বুলি সাব্যস্ত কৰাৰ চেষ্টাও বিফল হৈছে।

কংগ্ৰেছ দলৰ প্ৰতিটো প্ৰচেষ্টা বিজেপিয়ে কৌশলেৰে প্ৰতিহত কৰি আহিছে। মণিপুৰ প্ৰসংগত প্ৰধান মন্ত্ৰীয়ে স্পষ্টীকৰণ দিবলৈ আহিল, ইণ্ডি এলায়েঞ্চে সদন বৰ্জন কৰি নিজৰ দুৰ্বল স্থিতি উদঙালে। 'অপাৰেচন সিন্দূৰ'ৰ ওপৰতো বহুত হুলস্থুল কৰিলে। ভাৰতৰ কিমান বিমান নষ্ট হ'ল, সেই প্ৰশ্নটোৰে দেশৰ বহুতো নাগৰিকক অসন্তুষ্ট কৰিছে। সেই প্ৰশ্নৰ দ্বাৰা নিজৰ দেশৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ কংগ্ৰেছ দলৰ সদস্য সকলৰ সদিচ্ছাৰ অভাৱ প্ৰদৰ্শন কৰিলে। সৰ্ব দলীয় প্ৰতিনিধি দলৰ প্ৰতি ইণ্ডি এলায়েঞ্চে যি ধৰণৰ বাক্য প্ৰয়োগ কৰিছিল, তাৰ বাবেও বিৰোধী দল সমূহ ক্ষতিগ্ৰস্ত হৈছে বা ভৱিষ্যতে হ'ব পাৰে। তাৰ লগতে, সদনৰ কাম-কাজ স্থগিত কৰা বিৰোধীৰ নীতিয়ে দেশবাসীক অতিষ্ঠ কৰা যেন লাগে।

বিহাৰৰ নিৰ্বাচনৰ আগে আগে আহি পৰিছে - ভোট চুৰি কাণ্ড। তাৰ বিপৰীতে বিজেপি দলে যিবোৰ কথা জনতাৰ সন্মুখত তুলি ধৰিছে, সি গণতান্ত্ৰিক দেশৰ পৰম্পৰাৰ বাবে কোনো কাৰণতে স্বাস্থ্যকৰ নহয়। বৰঞ্চ ৰাজনৈতিক পৰম্পৰা অৱনমিতহে কৰিছে।

কংগ্ৰেছ দলৰ অতীতৰ বহু নজনা কথা বা লুকাই থকা কথা ৰাহু গান্ধীয়ে খান্দি উলিয়াই অনাত ইন্ধন যোগালে। বৰঞ্চ দেশৰ পিতা মহাত্মা গান্ধীৰ সত্যৰ প্ৰতি নিষ্ঠাহীন ভাৱমূৰ্তিও প্ৰকাশ পাইছে। ৰাহুল গান্ধীৰ 'ভোট চুৰি' অভিযোগৰ বিপৰীতে বিজেপিয়ে ১৯৩৯ চনৰ পৰা কংগ্ৰেছৰ কৰ্ম পদ্ধতিৰ ইতিহাসৰ পৰ্য্যালোচনা আৰম্ভ কৰিছে। সুভাষ চন্দ্ৰ বসুৱে কংগ্ৰেছৰ সভাপতি হিচাপে ১৯৩৯ চনত ২য় বাৰৰ বাবে পট্টাভী সীতাৰামায়াৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰি জিকাৰ পিছৰ ৱৰ্কিং কমিটীৰ সভালৈ পণ্ডিত জৱাহৰলাল নেহৰু যোৱা নাছিল। পট্টাভী সীতাৰামায়াৰ হাৰি যোৱাটো মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুৱে মানি লব পৰা নাছিল। সেই বাবেই পট্টাভী সীতাৰামায়াৰ হাৰ মহাত্মা গান্ধীৰ ব্যক্তিগত হাৰলৈ ৰূপান্তৰিত হৈছিল। গান্ধীৰ হেঁচাত সুভাষ চন্দ্ৰ বসুৱে সভাপতি পদৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য হৈ কংগ্ৰেছৰ বিকল্প সন্ধান কৰিছিল।

পুনৰ একেধৰণৰ দ্বন্দ্ব উদ্ভৱ হৈছিল ১৯৪৬ চনত। ১৯৪৬ চনৰ চেপ্টেম্বৰ মাহত মহাত্মা গান্ধীয়ে কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ বাবে প্ৰদেশবোৰৰ পৰা ভোট দিব আহ্বান জনাইছিল। কোনো প্ৰদেশৰ কংগ্ৰেছ সদস্যই নেহৰুক সভাপতি হিচাপে বিচৰা নাছিল। সেই বাবেই সকলোৱে চৰ্দাৰ বল্লভভাই পেটেলক ভোট দিছিল। নেহৰুৰ ভাগত পৰিছিল মাত্ৰ এটা ভোট। মহাত্মা গান্ধী তেতিয়া কংগ্ৰেছৰ ৱৰ্কিং কমিটীৰ সদস্য নাছিল নাইবা কোনো পদত অধিষ্ঠিত নাছিল। তথাপিয়ো গান্ধীয়ে আচাৰ্য কৃপালণীক কাগজ এখন লিখিবলৈ কৈছিল - "মই কংগ্ৰেছ দলৰ অধ্যক্ষ পদৰ প্ৰাৰ্থী নহওঁ" বুলি আৰু তাত চৰ্দাৰ বল্লভভাই পেটেলক স্বাক্ষৰ কৰিবলৈ এক প্ৰকাৰ বাধ্য কৰাইছিল। সেই অভিনৰ যাত্ৰা তাতেই শেষ হোৱা নাছিল। পুৰুষোত্তম দাস টেণ্ডন, আচাৰ্য কৃপালণী, নিজ লিংগাপ্পা আদি অনেক জ্যেষ্ঠ নেতা থকাৰ পিছতো নেহৰুৱে ১৯৪৯ চনত ইন্দিৰা গান্ধীক ৱৰ্কিং কমিটীৰ অধ্যক্ষ পাতিব লাগিব বুলি জোৰ কৰিছিল। সেইবোৰ অতীতৰ কথা বিজেপিয়ে কংগ্ৰেছ দলৰ অনৈতিক কামৰ নমুনা হিচাপে ভোট চুৰিৰ বিৰুদ্ধে উত্থাপন কৰিছে।

আন এটা অসাংবিধানিক কাম হেনো নেহৰুৱে কৰিছিল। ১৯৫২ চনত মৌলানা আব্দুল কালাম আজাদ ৰামপুৰ সমৰ্থিত বিশ্বম্ভৰ দাস টেণ্ডনৰ লগত প্ৰতিদ্বন্দ্বতা কৰি হাৰিছিল। ইতিমধ্যে নিৰ্বাচনৰ ফলাফলো ঘোষণা কৰা হৈছিল। কিন্তু নেহৰুৰ নিৰ্দেশ বা ধমকিত নিৰ্বাচন আয়োগে টেণ্ডনৰ ভোটৰ বাকচৰ পৰা বেলট আনি ভোটৰ আজাদৰ বাকচত ভৰাই পুনৰ ভোটৰ ফলাফল ঘোষণা কৰিছিল। এই কথা প্ৰদীপ সিং নামৰ পত্ৰকাৰ এজনে প্ৰকাশ কৰিছে।

তাৰ পিছতো তেনেকুৱা অনেক অসাংবিধানিক কাম কংগ্ৰেছ দলে কৰিছে। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ পত্নী হিচাপে ছোনিয়া গান্ধীয়ে ১৯৬৮ চনত ভাৰতলৈ আহিছিল। ভাৰতীয় নাগৰিকত্ব গ্ৰহণ নকৰাকৈয়ে ১৯৮০ চনত ছোনিয়া গান্ধীয়ে ভোটাধিকাৰ লাভ কৰিছিল। যদিয়ো তেওঁ ১৯৮৩ চনতহে ভাৰতীয় নাগৰিক হয়।

মুঠতে ৰাহুল গান্ধীয়ে মোডী চৰকাৰক জনতাৰ কাঠঘড়াত থিয় কৰাবলৈ যাওঁতে তেওঁৰ তথ্যবোৰ বাৰে বাৰে বুমেৰাং গৈ নিজৰ গাত পৰে। তেওঁৰ কথা আৰু কামে শাসনাধিষ্ঠিত দলক শ'ল ঠেকত পেলাবলৈ যাওঁতে সদায়ে নিজৰ বাবে চক্ৰবেহু ৰচিত হয়। সেই চক্ৰবেহুত অকল ৰাহুল গান্ধীয়ে নোসোমায়, পূৰ্বপুৰুষৰ সকলো সদস্য সোমাই পৰে। সাংসদ হিচাপে ৰাহুল গান্ধীয়ে নিজৰ সমৰ্থিত কৰিব লগীয়া কিব কাম আছে নে বুলিও সৰ্বসাধাৰণৰ সন্দেহ ওপজে। প্ৰেছ কনফাৰেঞ্চ পতা, ৰাজপথত সকলো সাংসদক লৈ হুলস্থুল কৰি ধৰ্ণা দিয়া, প্ৰতিটো সাংবিধানিক সংস্থাক প্ৰত্যাহ্বান জনোৱা, বাৰে বাৰে আদালতত গৈ হাজিৰ হোৱা, সংসদৰ অধিৱেশনত প্ৰায়েই উপস্থিত নথকা আৰু যেতিয়া উপস্থিত থাকে তেতিয়া সদনৰ কামত বাধা উৎপন্ন কৰাই যেন ৰাহুল গান্ধীৰ এক মাত্ৰ কাম। কিছুমান কংগ্ৰেছৰ জ্যেষ্ঠ নেতাৰ কাম হৈছে বাৰে বাৰে ৰাহুল গান্ধীৰ হৈ আদালতত ওকালতি কৰা, কিছুমানৰ কাম হৈছে ৰাহুল গান্ধীৰ বক্তব্য বা অভিযোগক প্ৰত্যায়িত (justify) কৰা। শেহতীয়াকৈ ভাৰতৰ নিৰ্বাচন আয়োগে ৰাহুল গান্ধীক প্ৰত্যাহ্বান জনাই দিয়া সাত দিন সময়ে কি ৰূপ লয়গৈ জনা নাযায়। বিৰোধী পক্ষৰ নেতাৰ আচৰণ ৰাহুল গান্ধীৰ কাম আৰু কথাত নপৰে। সংবিধানৰ কপি হাতত লৈ প্ৰেছ বিজ্ঞপ্তি দিলেই দেশৰ লাভ নহয়। সকলো সময়তে অভিযোগ আনি থাকিলেও জনতাৰ লাভ নহয়।

সদনত যেতিয়া ভৰতৰ এজন মহাকাশচাৰীক ধন্যবাদ জ্ঞাপন কৰিবলৈ প্ৰস্তাৱ লৈছিল, বিৰোধীয়ে ঐক্যবদ্ধ ভাৱে এছ আই আৰ ধ্বনি তুলি হুলস্থুলৰ সৃষ্টি কৰিছিল। শেহতীয়াভাৱে বিহাৰৰ মাটিত তেজস্বী যাদৱ আৰু ৰাহুল গান্ধীৰ ভোটাৰ অধিকাৰ যাত্ৰাৰ মঞ্চত প্ৰধান মন্ত্ৰীৰ স্বৰ্গগতা মাতৃৰ প্ৰতিও গালি নিক্ষেপ কৰা হৈছে। ভাষাৰ শালিনতা নেওচি ৰাহুল গান্ধীৰ মুখত প্ৰধান মন্ত্ৰীৰ প্ৰতি "তই তহ" শব্দ আখৈ ফুটাদি ফুটিছিল।

বহুতে ক'ব খোজে - ৰাহুল গান্ধীয়ে দেশৰ প্ৰগতিত অৰিহণা যোগাইছে নে ৰাজনৈতিক পৰিৱেশ বিনষ্ট কৰিছে তেওঁৰ অনুগামীসকলে এবাৰ বিশে-ষণ কৰি চোৱা উচিত। সকলো সময়তে কেৱল হুলস্থুল, অভিযোগ - প্ৰতি অভিযোগ। বৰ্তমানৰ আদালতৰ সময়বোৰ কেৱল শাসক আৰু প্ৰতিপক্ষৰ অভিযোগৰ বিচাৰ কৰোঁতেই অতিবাহিত কৰিব লগীয়া হৈছে। ন্যায়পালিকাৰ আন বেলেগ কথা চিন্তা কৰিবলৈ প্ৰয়োজন নাই। কোনোবাই গালি পাৰিব আৰু ন্যায়ালয়ে সেইবোৰৰ বিচাৰ কৰি থাকিব। আদালতৰ দ্বাৰস্থ হোৱাটোকে সাংবিধানিক কাম বুলি ভবা কাৰো বাবেই উচিত নহয়।

## ভাৰত-চীন-ৰাছিয়াৰ বন্ধন

# আমেৰিকাৰ স্বপ্ন ভংগ?

**সত্যব্ৰত বৰা**

শুকুৰবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এটা গুৰুত্বপূৰ্ণ মন্তব্য কৰি কৈছিল যে, "এনে লাগিছে যেন আমি ভাৰত আৰু ৰাছিয়াক চীনৰ গভীৰ প্ৰভাৱৰ মাজত হেৰুৱাই পেলাইছো।" এই কথাষাৰে বিশ্বৰ ৰাজনীতিৰ ক্ষেত্ৰত বহুতো প্ৰশ্নৰ জন্ম দিছে। ট্ৰাম্পৰ এই বক্তব্য শেহতীয়াকৈ চীনৰ তিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ (এছ চি অ') শীৰ্ষ সন্মিলনৰ পিছত আহিছে। এই সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে অংশ লৈছিল। তিনিওজন নেতাই নিজৰ দেশৰ মাজত সম্পৰ্ক ভাল কৰাৰ কথা আলোচনা কৰিছিল। বিষয়টোৱে আমেৰিকাত উদ্বেগৰ সৃষ্টি কৰিছে, কাৰণ আমেৰিকাই ভাৰত আৰু ৰাছিয়াক নিজৰ মিত্ৰ হিচাপে ধৰি ৰাখিব বিচাৰে।

ট্ৰাম্পৰ মন্তব্যৰ পৰা বুজা যায় যে তেওঁ ভাৰত আৰু আমেৰিকাৰ সম্পৰ্কৰ অৱনতিৰ বাবে চিন্তিত হৈ পৰিছে। শেহতীয়াকৈ আমেৰিকাই ভাৰতৰ ওপৰত ৰাছিয়াৰ পৰা তেল কিনাৰ বাবে ২৫ শতাংশ অতিৰিক্ত শুল্ক আৰোপ কৰিছে। এই শুল্কৰ উদ্দেশ্য আছিল ৰাছিয়াৰ ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধৰ প্ৰচেষ্টাক দুৰ্বল কৰা। কিন্তু ভাৰতে এই শুল্কক নিজৰ বিৰুদ্ধে এক প্ৰকাৰৰ শাস্তি হিচাপে লৈছে। ফলত ভাৰত আৰু আমেৰিকাৰ মাজত সম্পৰ্কত উত্তেজনা বাঢ়িছে। ইয়াৰ উপৰিও ট্ৰাম্পে ভাৰতৰ বাণিজ্য নীতিৰ সমালোচনা কৰিছে। এনে কথাবতৰা শুনাৰ পাছত ভাৰতে নিজৰ স্বাধীন কূটনৈতিক নীতিৰ ওপৰত অধিক গুৰুত্ব দিছে আৰু চীন তথা ৰাছিয়াৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ দিশে আগবাঢ়িছে।

ভাৰতৰ কূটনৈতিক নীতি সদায় স্বাধীনতাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। ভাৰতে কোনো এখন দেশৰ পক্ষ লৈ বাকী দেশৰ সৈতে সম্পৰ্ক নষ্ট কৰিব নিবিচাৰে। এছ চি অ' সন্মিলনত মোদী, পুটিন আৰু শ্বিৰ মাজত হোৱা বন্ধুত্বপূৰ্ণ আলোচনাই এই কথা স্পষ্ট কৰিছে। ভাৰতে সন্মিলনখনৰ জৰিয়তে বাণিজ্য, নিৰাপত্তা আৰু অন্যান্য ক্ষেত্ৰত চীন আৰু ৰাছিয়াৰ সৈতে সহযোগিতা বঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে। এই কথা আমেৰিকাৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। কাৰণ আমেৰিকাই ভাৰতক চীনৰ বিৰুদ্ধে এক কৌশলগত মিত্ৰ হিচাপে গণ্য কৰিছিল। বিশেষকৈ কোৱাড নামৰ গোটৰ জৰিয়তে আমেৰিকা, ভাৰত, জাপান আৰু অষ্ট্ৰেলিয়াই একেলগে চীনৰ প্ৰভাৱ মোকাবিলা কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু ট্ৰাম্পৰ শুল্ক নীতি আৰু সমালোচনাৰ ফলত ভাৰতে নিজৰ স্বাৰ্থৰ কথা ভাবি চীন আৰু ৰাছিয়াৰ সৈতে অধিক ঘনিষ্ঠ হৈছে।

চীনক "গভীৰ আৰু অন্ধকাৰ" বুলি কোৱাটোৱে ট্ৰাম্পৰ চীনৰ প্ৰতি থকা নেতিবাচক দৃষ্টিভংগীক স্পষ্ট কৰিছে। তেওঁৰ মতে চীনৰ প্ৰভাৱত ভাৰত আৰু ৰাছিয়া আমেৰিকাৰ পৰা আঁতৰি গৈছে। কিন্তু ভাৰতৰ দৃষ্টিকোণৰ পৰা এইটো কেৱল এক স্বাধীন কূটনৈতিক পন্থাহে। ভাৰতে চীনৰ সৈতে সীমান্ত বিবাদৰ দৰে সমস্যা থকাৰ পিছতো এছ চি অ' আৰু ব্ৰিক্সৰ দৰে মঞ্চৰ জৰিয়তে অৰ্থনৈতিক সহযোগিতাৰ সুবিধা ল'ব বিচাৰিছে। একেদৰে, ৰাছিয়াৰ সৈতে ভাৰতৰ দীৰ্ঘদিনীয়া প্ৰতিৰক্ষা আৰু ইন্ধনৰ সম্পৰ্ক আছে। এই সম্পৰ্কবোৰ ভাৰতৰ বাবে অতি গুৰুত্বপূৰ্ণ। আমেৰিকাৰ শুল্কৰ ফলত ভাৰতে এই সম্পৰ্কবোৰৰ ওপৰত আৰু বেছি গুৰুত্ব দিছে।

ভাৰতৰ বিদেশ মন্ত্ৰণালয়ে ট্ৰাম্পৰ মন্তব্যৰ প্ৰতি সঁহাৰি জনাই কৈছে যে তেওঁলোকৰ এই বিষয়ত একো ক'বলগীয়া নাই। এই নীৰৱতা ভাৰতৰ সংযমী কূটনৈতিক নীতিৰ এক উদাহৰণ। ভাৰতে আমেৰিকাৰ সৈতে তৰ্কত জড়িত হ'ব নিবিচাৰে, কিন্তু নিজৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ ক্ষেত্ৰতো কোনো আপোচ নকৰে। ভাৰতে স্পষ্ট কৰিছে যে তেওঁলোকে কোনো এখন দেশৰ পক্ষ লৈ নিজৰ স্বাধীনতা হেৰুৱাব নিবিচাৰে। সেই কাৰণেই ভাৰতে কোৱাডৰ জৰিয়তে আমেৰিকাৰ সৈতে সহযোগিতা কৰাৰ লগতে এছ চি অ'ৰ জৰিয়তে চীন আৰু ৰাছিয়াৰ সৈতেও সম্পৰ্ক বজাই ৰাখিছে।

ট্ৰাম্পৰ মন্তব্যত এক ধৰণৰ হতাশা আৰু ব্যংগৰ সুৰ পৰিলক্ষিত হৈছে। তেওঁ ভাৰত, ৰাছিয়া আৰু চীনৰ বাবে "দীৰ্ঘ আৰু সমৃদ্ধিশালী ভৱিষ্যত"ৰ কামনা কৰিছে, যিটো তেওঁৰ হতাশাৰ প্ৰকাশ। তেওঁ আগতে কৈছিল যে তেওঁৰ মোদী, পুটিন আৰু শ্বিৰ সৈতে ব্যক্তিগত সম্পৰ্ক ভাল। কিন্তু তেওঁৰ নীতি, বিশেষকৈ শুল্ক আৰু সমালোচনাৰ ফলত এই সম্পৰ্কবোৰৰ ক্ষতি হৈছে। ট্ৰাম্পৰ কথাবোৰে আমেৰিকাৰ বৈদেশিক নীতিৰ অস্থিৰতাৰ ইংগিত দিয়ে।

বিশ্বৰ ৰাজনীতি এতিয়া এক নতুন দিশলৈ গতি কৰিছে। ভাৰতৰ দৰে দেশে এতিয়া কোনো এক শক্তিৰ ওপৰত নিৰ্ভৰ নকৰি একাধিক দেশৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব বিচাৰে। এছ চি অ'ৰ দৰে সংস্থাই এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই সংস্থাৰ জৰিয়তে ভাৰত, চীন আৰু ৰাছিয়াই বাণিজ্য, নিৰাপত্তা আৰু অন্যান্য বিষয়ত একেলগে কাম কৰিব পাৰে। আমেৰিকাৰ বাবে এইটো এটা চিন্তাৰ বিষয়, কাৰণ তেওঁলোকে ভাৰতক নিজৰ পক্ষত ৰাখিব বিচাৰে। কিন্তু ভাৰতৰ স্পষ্ট নীতি হ'ল তেওঁলোকে নিজৰ স্বাৰ্থৰ কথা আগত ৰাখিব।

ট্ৰাম্পৰ শুল্ক নীতি আৰু সমালোচনাই ভাৰতক আমেৰিকাৰ পৰা আঁতৰি যাবলৈ বাধ্য কৰিছে। ভাৰতে এতিয়া চীন আৰু ৰাছিয়াৰ সৈতে অধিক সহযোগিতাৰ পথ বিচাৰিছে। এই পৰিস্থিতিয়ে বিশ্বৰ শক্তিৰ ভাৰসাম্যতাত নতুন পৰিৱৰ্তন আনিছে। আমেৰিকাই যদি ভাৰতৰ দৰে দেশৰ সৈতে সম্পৰ্ক ভাল কৰিব বিচাৰে, তেন্তে তেওঁলোকে অধিক সংযমী আৰু সহযোগিতামূলক নীতি গ্ৰহণ কৰিব লাগিব। নহ'লে ভাৰতৰ দৰে দেশে নিজৰ স্বাধীন পথত আগবাঢ়ি যাব।

এই পৰিস্থিতিত ভাৰতৰ কৌশলগত স্বাধীনতা বিশ্বৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ভাৰতে নিজৰ অৰ্থনৈতিক আৰু নিৰাপত্তাৰ স্বাৰ্থক প্ৰাধান্য দি কাম কৰি আছে। ট্ৰাম্পৰ মন্তব্যই এটা কথা স্পষ্ট কৰিছে যে বিশ্বখন এতিয়া এক নতুন দিশলৈ গতি কৰিছে, য'ত দেশবোৰে নিজৰ স্বাৰ্থৰ কথা আগত ৰাখি একাধিক দেশৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব বিচাৰে। ভাৰতৰ এই নীতিয়ে বিশ্বৰ ৰাজনীতিত এক নতুন গতিশীলতাৰ সৃষ্টি কৰিছে, যাৰ প্ৰভাৱ আগন্তুক দিনত অধিক স্পষ্ট হ'ব।

## সম্পাদকলৈ চিঠি

# শিক্ষক দিৱস আৰু ভেঞ্চাৰ শিক্ষক

এজন ৰাষ্ট্ৰপতিৰ জন্মদিনৰ তুলনাত এজন শিক্ষকৰ জন্মদিনৰ মূল্য যে অধিক তাৰ প্ৰমাণ কৰিবলৈ গৈ ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি সৰ্বেপল্লী ৰাধাকৃষ্ণণে তেওঁৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰি শিক্ষক সমাজৰ মৰ্যাদা দেখুৱাই থৈ গ'ল। সঁচা অৰ্থত শিক্ষক আৰু চিকিৎসক সকলৰ প্ৰচেষ্টাত মানৱজাতিৰ শান্তি, উন্নতি আৰু প্ৰগতিৰ বাবে শিক্ষা, সংস্কাৰ আৰু স্বাস্থ্যৰ মান নিৰ্ভৰশীল।

শিক্ষক সমাজক মমবাতিৰ লগত তুলনা কৰা হয়, যিয়ে নিজে গলি আনক পোহৰ দেখুৱায়।

বৰ্তমান সময়ত মানুহৰ মৌলিক প্ৰয়োজন তিনিটা নহয়, চাৰিটা হোৱা উচিত। তাৰেই প্ৰথমটো হ'ব লাগে, "শিক্ষা"। সেই শিক্ষা প্ৰদান কৰা ব্যক্তিৰ গুৰুত্ব আৰু সন্মান কিমান হোৱা উচিত! এবাৰ কল্পনা কৰিব পাৰি নে? পৃথিৱীৰ কতো নোহোৱা নোপোজা ঘটনাৰ বাবে আমাৰ অসম বিখ্যাত। তাৰে ভিতৰত উল্লেখযোগ্য ঘটনা হ'ল "ভেঞ্চাৰ স্কুল"। যি শিক্ষাৰ ওপৰত চৰকাৰে সৰ্বাধিক গুৰুত্ব দিয়া উচিত, কিন্তু দুৰ্ভাগ্যজনক ভাবে সেই শিক্ষা আৰু শিক্ষকৰ ওপৰত জনসাধাৰণে গুৰুত্ব দিবলগীয়া হয়। শিক্ষাৰ বাবে বিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰি চৰকাৰৰ অনুমতি সাধাৰণ জনগণে মাটি, ঘৰ, আচবাব আৰু শিক্ষকৰ দায়িত্ব নিজে লৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ব্যৱস্থা কৰাটো কিমান মহান কাম, এইটো সকলোৱে বোধগম্য নহয়।

বিধিগত ভাৱে চৰকাৰে কৰিব লগীয়া সকলোখিনি কাম ৰাইজৰ সহযোগত অবৈতনিক ভাৱে শিক্ষকসকলে কৰাৰ পিছতো স্বীকৃতি নিদিয়া আৰু নোপোৱা কাম দুয়োটাই অসাংবিধানিক।

সমান যোগ্যতা আৰু সমান পৰিশ্ৰম কৰাৰ পিছতো কাৰোবাক সকলো ধৰণৰ আৰ্থিক সুবিধা দিয়া আৰু কাৰোবাক অন্যায় ভাৱে বঞ্চিত কৰি দুখৰ সাগৰত পেলাই দি পানীত হাঁহ নচৰা অৱস্থা কৰাটো চৰকাৰৰ দুমুখীয়া নীতিৰ বাহিৰে একোৱেই নহয়। এইক্ষেত্ৰত এই সকল দুৰ্ভগীয়া শিক্ষকক নিজে জ্বলি মমবাতিৰ দৰে আনক পোহৰ দিয়া ব্যক্তিৰ লগত তুলনা কৰাটো যুক্তিসংগত। শিক্ষা জীৱন সমাপ্ত কৰি ভৱিষ্যতৰ সপোনলৈ নিজৰ জীৱনৰ মূল্যবান সময় বেলেগৰ সন্তানক শিক্ষাদানৰ নামত ব্যয় কৰি নিজৰ পিতৃ-মাতৃ, স্ত্ৰী, সন্তানৰ বাবে একো কৰিব নোৱাৰি কিছুমানে আত্মহত্যা কৰিলে, কিছুমানে শিক্ষকৰ স্বীকৃতি নোপোৱাকৈ বিনাবেতনে অৱসৰ গ্ৰহণ কৰিলে। সিহঁতৰ জীৱন কিমান দুৰ্বিসহ এবাৰো চৰকাৰ যন্ত্ৰই অনুভৱ কৰিবলৈ সক্ষম নহ'ল।

এনেকুৱা দুমুখীয়া, অসাংবিধানিক আৰু অগণতান্ত্ৰিক নীতি চলি থকা সময়ত কিছুসংখ্যক শিক্ষকক প্ৰতি বছৰে শিক্ষক দিৱসৰ মুহূৰ্তত সন্মান জনোৱাৰ সময়ত একেই কাম কৰা আন এচামক ন্যূনতম মানৱতা প্ৰদৰ্শন নকৰাটো শিক্ষা আৰু শিক্ষক সমাজক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰা নহয় নে? চল্লিশ শতাংশ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দায়িত্ব পালন কৰা বিদ্যালয় আৰু শিক্ষক যদি যোগ্যই নহয় তেন্তে তেওঁলোকক অযোগ্য ঘোষণা কৰি বিদ্যালয় বন্ধ কৰি নিদিয়ে কিয়? দেশ চলাবলৈ বিদ্যালয় বন্ধ কৰি মদৰ বিপনী স্থাপন কৰা, চৰকাৰী সম্পত্তি বিক্ৰি কৰি চাকৰি আৰু কৰ্ম সংস্থাপনৰ সলনি হিতাধিকাৰী সৃষ্টি কৰা- চৰকাৰক এনেকুৱা প্ৰশ্ন কৰা আৰু গৰুৰ আগত টোকাৰী বাই গানগোৱা একেই, নহয় জানো?

উপসংহাৰত, শিক্ষক সমাজ দুঠেঙীয়া দানৱক মানুহ বনোৱা কাৰিগৰ। শিক্ষা মানৱ জাতিৰ মেৰুদণ্ড। গতিকে চৰকাৰক সুস্থ সমাজ গঢ়িবলৈ বিনা বেতনে শিক্ষকতা কৰা সকলক চৰকাৰী ভাৱে আনুষ্ঠানিক স্বীকৃতি দি ৰাজহাড় পোনাব পৰাকৈ ব্যৱস্থা কৰাৰ লগতে আত্মহত্যা কৰা আৰু মৃত সকলৰ পৰিয়ালক এককালীন আৰ্থিক অনুদান দিয়াৰ বাবে অনুৰোধ জনালোঁ। নহ'লে "শিক্ষক দিৱস"ৰ কোনো তাৎপৰ্য নাথাকিব বুলি ডাঠি ক'ব পাৰি।

# শিক্ষকৰ পৰিৱৰ্তিত ভূমিকা

সময় পৰিৱৰ্তনশীল। সেই পৰিৱৰ্তনৰ ঢৌ শিক্ষক সমাজলৈও পৰ্যবসিত হৈছে। ই এক শুভ সংকেত। কিয়নো শিক্ষকৰ কাম কেৱল শিক্ষা দানতে শেষ নহয়। ইয়াৰ লগতে শিক্ষকে বহু গধুৰ দায়িত্ব পালন কৰিব লগা হয়। পূৰ্বৰ তুলনাত শিক্ষা ক্ষেত্ৰত পদ্ধতিৰ পৰা আৰম্ভ কৰি আন আনুষংগিক বিষয় সমূহতো ব্যাপক পৰিৱৰ্তন সাধিত হৈছে। ইয়াক যুগৰ পৰিৱৰ্তন বুলিও ক'ব পাৰি বা সময়ৰ আহ্বান বুলিও ক'ব পাৰি।

শিক্ষকৰ দায়িত্ব পূৰ্বতেও আছিল আৰু আজিও আছে। কিন্তু সময়ৰ লগে-লগে শিক্ষকৰ দায়িত্ব দিনক -দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। পূৰ্বৰ শিক্ষকৰ তুলনাত বৰ্তমান শিক্ষকৰ দায়িত্ব যথেষ্ট বেছি। আধুনিক যুগত শিক্ষকৰ ভূমিকা সঁচাকৈয়ে পৰিৱৰ্তন হৈছে, যাৰ ফলত তেওঁলোকৰ সৰ্বময় কৰ্তৃত্বৰ ঠাইত এক গণতান্ত্ৰিক আৰু পৰোক্ষ ভূমিকা আহি পৰিছে। এই নতুন ভূমিকা পূৰ্বৰ তুলনাত অধিক দায়িত্বপূৰ্ণ তথা জটিল। শিক্ষক এতিয়া কেৱল জ্ঞানৰ ভাণ্ডাৰ নহয়, বৰঞ্চ তেওঁলোক এজন সহায়ক, পথ প্ৰদৰ্শক তথা ছাত্ৰৰ সমকক্ষ এজন ৰোল মডেল স্বৰূপ। আধুনিক যুগত শিক্ষকৰ ভূমিকা পৰম্পৰাগত জ্ঞান বিতৰণৰ পৰা এজন সহায়ক, পথ প্ৰদৰ্শক তথা প্ৰেৰণাদায়ক ব্যক্তিলৈ পৰিৱৰ্তিত হৈছে। বৰ্তমান সময়ত শিক্ষকৰ মূল কাম হৈছে ছাত্ৰ-ছাত্ৰীসকলক আত্ম নিৰীক্ষণ কৰা তথা আংগিক সৃজনশীলতা বিকাশত সহায় কৰা, উৎসাহ যোগোৱা আৰু সঠিক দিশৰ পথ দেখুওৱা। এই সমূহৰ উপৰিও আধুনিক শিক্ষকৰ সকলোতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব হৈছে আধুনিক তথ্য -প্ৰযুক্তি ব্যৱহাৰ কৰি পাঠদানৰ পদ্ধতি উন্নত কৰা।

আধুনিক যুগৰ শিক্ষকৰ ভূমিকা এজন 'বিষয় বস্তু বিতৰক' ৰ পৰা এজন 'জ্ঞানৰ সহায়ক' লৈ সলনি হৈছে। পূৰ্বৰ বিষয় বস্তু বিতৰক হিচাপে শিক্ষকে শিক্ষাদান কৰা এই পদ্ধতি বৰ্তমান সলনি হৈছে। সকলো ধৰণৰ প্ৰত্যাহ্বানৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক সাজু কৰি তোলাই হৈছে এই শিক্ষা পদ্ধতিৰ মূল উদ্দেশ্য। অনুকূল পৰিৱেশৰ সৃষ্টি, সামাজিক তথা ব্যক্তিগত বিকাশ, ব্যক্তিগত শিক্ষাৰ প্ৰসাৰ, প্ৰযুক্তিৰ ব্যৱহাৰ, তথ্যৰ সংৰক্ষণৰ পৰা পথ প্ৰদৰ্শকলৈকে আধুনিক যুগৰ শিক্ষকে বহুটো দায়িত্ব তথা ভূমিকা পালন কৰিব লগা হয়। শিক্ষা ক্ষেত্ৰত শিক্ষক তথা শিক্ষাৰ্থীৰ ভূমিকা পৰিৱৰ্তনৰ অন্যতম শক্তিশালী শক্তি হ'ল এই নতুন পদ্ধতি সমূহ। এই পদ্ধতি সমূহে শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰাত বিশেষ ভূমিকা পালন কৰিছে আৰু শিক্ষা ক্ষেত্ৰত ব্যাপক উন্নতি সাধন কৰিবলৈ সক্ষম হৈছে।

আধুনিক যুগৰ শিক্ষা পদ্ধতিয়ে যেনেদৰে শৈক্ষিক ক্ষেত্ৰত বহু পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে ঠিক সেইদৰে শিক্ষাৰ আধুনিকীকৰণৰ ফলত শিক্ষা ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধিত হৈছে। শৈক্ষিক ক্ষেত্ৰত এক নতুন যুগৰ সূচনা হোৱা বুলি ক'ব পাৰি। ব্যক্তি তথা সমাজৰ সৰ্বাত্মক বিকাশ সাধন, শিক্ষাৰ মাধ্যমেৰে জ্ঞানৰ প্ৰসাৰ ঘটোৱা, দক্ষতা বৃদ্ধি, উন্নত চিন্তাৰ সৃষ্টি, প্ৰযুক্তিৰ আত্মিকৰণ, সামাজিক দায়িত্ববোধৰ বিকাশ তথা উদ্ভাৱনী ক্ষমতা বৃদ্ধিৰ দৰে বিষয় সমূহৰ ওপৰত আধুনিক শিক্ষাই গুৰুত্ব দিয়ে। সেয়ে পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই শিক্ষক সকলেও এই বিষয় বা দিশ সমূহ শিক্ষা ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ তথা এই সমূহৰ বিকাশ সাধন কৰি শিক্ষা ক্ষেত্ৰত ইয়াৰ সফল প্ৰয়োগ কৰিবলৈ যত্নপৰ হ'ব লাগিব।

আধুনিক শিক্ষকসকল সমাজৰ সামাজিক নিয়ন্ত্ৰণৰ এক অন্যতম আহিলা স্বৰূপ, যাৰ ফলত তেওঁলোকে ছাত্ৰ সমাজক সামাজিক পৰিৱৰ্তনৰ বাবে দায়বদ্ধ কৰি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ছাত্ৰ সমাজৰ সৰ্বাংগীণ বিকাশৰ বাবে আধুনিক শিক্ষকসকলে বিভিন্ন আধুনিক পদ্ধতি, প্ৰযুক্তিৰ ব্যৱহাৰ তথা বিশ্লেষণাত্মক চিন্তা-চৰ্চাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়। আধুনিক যুগত শিক্ষকৰ দায়িত্ব আৰু ভূমিকা স্বাভাৱিকতে বহুখিনি বৃদ্ধি পাইছে। ইয়াক এক প্ৰকাৰ সময়ৰ আহ্বান বুলিও ক'ব পাৰি। পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই চলিবলৈ তথা ছাত্ৰ সমাজক ইয়াৰ বাবে যোগ্য কৰি তুলিবলৈ হ'লে শিক্ষক সমাজে এই ধৰণৰ পৰিৱৰ্তিত ব্যৱস্থা সমূহ আদৰি ল'ব লাগিব।

শেষত এটা কথা স্বীকাৰ কৰিবই লাগিব যে আধুনিক শিক্ষক সকলৰ দায়িত্ব তথা ভূমিকা যথেষ্ট গধুৰ যদিও ই এক নতুন যুগৰ সূচনাৰো পথ প্ৰশস্ত কৰি তুলিছে।

**নিবেদিতা হাজৰিকা**

# খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অভিলাষী আঁচনি সন্দৰ্ভত কামৰূপ জিলাত গুৰুত্বপূৰ্ণ সজাগতা সভা

**অসম বাৰ্তা, মিৰ্জা, ৬ চেপ্তেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি কামৰূপ জিলাৰ মিৰ্জাস্থিত শ্বহীদ ভৱনত বিভাগটোৰ অভিলাষী আঁচনি সন্দৰ্ভত এখনি সজাগতামূলক সন্মিলনত অংশগ্ৰহণ কৰে। কামৰূপ জিলাৰ সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি-সম্পাদকসকলৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনত মন্ত্ৰী কৌশিক ৰায়ে কয় যে ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ আৰ্থিক বোজা লাঘৱ কৰা আৰু তেওঁলোকৰ খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বৰ্তমান পৰ্যন্ত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰাজ্যখনত প্ৰায় ৭০ লাখ পৰিয়ালৰ ২ কোটি হিতাধিকাৰীক সামৰি লৈছে। এই দিশত এক নতুন সংযোজনৰূপে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে এক অভিলাষী আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলক প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ৰাজসাহায্যযুক্ত হাৰত তিনিবিধ সামগ্ৰী ক্ৰমে- দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি কামৰূপ জিলাতো অহা নৱেম্বৰ মাহৰ পৰা প্ৰতি ৰেচন কাৰ্ডৰ বিপৰীতে হিতাধিকাৰীসকলক ১ (এক) কেজি দাইল ৬৯.০০ টকা মূল্যত, ১ (এক) কেজি চেনি ৩৮.০০ টকা মূল্যত আৰু এক কেজি নিমখ ১০.০০ টকাৰ মূল্যত যোগান ধৰা হ'ব। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত এই অভিলাষী আঁচনিৰ অধীনত সঠিক ৰূপায়ণৰ দিশত সমবায় সমিতিৰ আৰু সুলভ মূল্যৰ দোকানীসকলৰ সহযোগিতাৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰে। কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত প্ৰাণজিত কুমাৰ দেৱে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ আয়ুক্ত হেমন্ত ভূঞা, পলাশবাৰীৰ সমজিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, পলাশবাৰী চক্ৰ বিষয়া অঙ্কিতা শৰ্মা, সমাজ কৰ্মী অঞ্জন গোস্বামী, গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি-সম্পাদক সকলৰ লগতে সুলভ মূল্যৰ দোকানীসকল উপস্থিত থাকে। পিছত মন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত জিলাখনত ৰূপায়িত বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ খতিয়ান গ্ৰহণ কৰে। বৈঠকত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ আয়ুক্ত হেমন্ত ভূঞা, কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত প্ৰাণজিত কুমাৰ দেৱ, পলাশবাৰীৰ সমজিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, বকো- ছয়গাঁও সমজিলাৰ সমজিলা আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজৰ লগতে অন্যান্য বিষয়াসকলো উপস্থিত থাকে।

## ৩৭ গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক বঁটা প্ৰদান অনুষ্ঠান

# ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিৰ উদ্যোগত শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বাগানপাৰা, ৬ চেপ্তেম্বৰ ঃ** শিক্ষকসকলে এখন শিক্ষিত সমাজ গঢ়ি তোলাত মুখ্য ভূমিকা পালন কৰে; এই সকল শিক্ষাগুৰুক সন্মান প্ৰদৰ্শন কৰা মানেই সমগ্ৰ সমাজক সেৱা জনোৱা। আজি ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিৰ উদ্যোগত অনুষ্ঠিত শিক্ষক দিৱসত সমবেত শিক্ষক সকললৈ আদৰণী ভাষণ আগবঢ়াই ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি অশ্বিনী কুমাৰ নাথে এই দৰে কয়। গুৱাহাটীৰ আমবাৰীস্থিত প্ৰেছ ক্লাবত ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিৰ উপদেষ্টা অজিত কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখন যুটীয়াভাৱে আঁত ধৰে ৰাজ্যিক সভাপতি অশ্বিনী কুমাৰ নাথ আৰু ৰাজ্যিক উপসভাপতি শংকু সিদ্ধ নাথে। ভাঃ দঃ সাহিত্য একাডেমী অসম ৰাজ্যিক সমিতিৰ উপদেষ্টা হেমচন্দ্ৰ কলিতা, নগাঁৱৰ কৃতী শিক্ষক ভৈৰৱ মহন্ত, ধুবুৰীৰ ৰাজ্যিক কৃতী শিক্ষক ২০২১ বঁটা প্ৰাপক জয়াৰাণী ৰায় আৰু অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দুলাল নাথে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰা সভাখনত তামোলপুৰৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্তক কৃতী শিক্ষক বিনন্দ স্বৰ্গীয়াৰীক বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে সৰুপেটাৰ ড° নমিতা দাস গুৰুঙ, ডিব্ৰুগড়ৰ আনন্দ কলিতা, বজালীৰ দীপক ৰয়, ধুবুৰীৰ সোণালী গুহৰায়, বাক্সাৰ ৰণজিৎ কুমাৰ দাস, শোণিতপুৰৰ ভুৱন ছেত্ৰী, খনামুখৰ অনিল গৌতম, বাঁহবেৰাৰ দীপচান্দ সংনামী প্ৰমুখ্যে সমগ্ৰ অসমৰ পৰা ৩৭ গৰাকী নিৰ্বাচিত কৃতী শিক্ষকক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, স্মাৰক, গ্ৰন্থৰ টোপোলা, চেলেং চাদৰ আৰু জাপিসহ বঁটা প্ৰদান কৰে। সভাৰ আৰম্ভণিতে স্বাধীন ভাৰতৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম জয়ন্তীত ৬৪ সংখ্যক "শিক্ষক দিৱস" উদযাপনৰ প্ৰথম কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে ভাঃ দঃ সাহিত্য একাডেমী অসম ৰাজ্যিক সমিতিৰ সদস্য জন্মেজয়ী দাসে। ১১.১০ বজাত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে ভাঃ দঃ সাহিত্য একাডেমী অসম ৰাজ্যিক সমিতিৰ সম্পাদক ৰঞ্জন বড়োৱে।

# পশ্চিম যোৰহাটত শিক্ষক দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৬ ছেপ্টেম্বৰ ঃ** স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি, দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন ৫ ছেপ্টেম্বৰৰ দিনটো ১৯৬২ চনৰ পৰা শিক্ষক দিৱসৰূপে পালন কৰি অহাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষকক স্বীকৃতি দি অহাৰ উপৰি ৰাজ্যিক, জিলা পৰ্যায়তো আৰু বৰ্তমান খণ্ড পৰ্যায়তো কৃতী শিক্ষকৰ স্বীকৃতি প্ৰদান কৰি আহিছে। শিক্ষক দিৱস এইবছৰ পশ্চিম যোৰহাট অঞ্চলৰ অঙ্গনৱাড়ী কেন্দ্ৰ, প্ৰাথমিক, উচ্চ প্ৰাথমিক, উচ্চ-উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়কেইখনৰ লগতে ৰাইজৰ দ্বাৰা প্ৰতিষ্ঠিত-পৰিচালিত সামাজিক, সাংস্কৃতিক স্বেচ্ছাসেৱী অনুষ্ঠান, এন জি অ' আৰু ৰাজনৈতিক দলসমূহেও পালন কৰে। কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত অঞ্চলটোৰ শিক্ষকসকলক শ্ৰদ্ধা, অভিনন্দন জনায়। বহুকেইখন শিক্ষানুষ্ঠানত শিক্ষাৰ্থীসকলে সভা অনুষ্ঠিত কৰাৰ লগতে সাংস্কৃতিক কাৰ্যক্ৰম ৰূপায়ণ কৰে। বহুজনে বহুকেইখন বিদ্যালয়ত শিক্ষক দিৱসৰ সম্পৰ্কত বক্তৃতাও প্ৰদান কৰে। পুৰণিমাটি চাহ বাগিচা ৰঙ্গমঞ্চত জোনাকী গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত শিক্ষক দিৱসৰ লগত সংগতি ৰাখি স্থানীয় শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰা চিত্ৰাংকন, সংগীত, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত বন্তি জ্বলাই শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ চন্দ্ৰ বৰাই। নমামি বৰুৱাই আঁতধৰা অনুষ্ঠানত সাংস্কৃতিক কৰ্মী ভবেন তামোলী, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, শিক্ষয়িত্ৰী স্মৃতিৰেখা গগৈ, বৰ্ষীয়ান ব্যক্তি যজ্ঞেশ্বৰ বৰুৱা, শিল্পী মৃদুল তামোলীৰ উপৰি বহুকেইগৰাকী স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনায়। সন্ধিয়া বিচিত্ৰানুষ্ঠানৰ পাছতে জোনাকী গোষ্ঠীৰ সভানেত্ৰী ইলা গগৈ, সম্পাদিকা হিমাদ্ৰী বৰুৱা প্ৰমুখ্যে জড়িতসকলে প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক মানপত্ৰ প্ৰদান কৰে। বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিয়েও শিক্ষক দিৱস পালন কৰে। অঞ্চলটোত পৰিচালিত হৈ থকা ৰাজনৈতিক দলৰ কৰ্মীসকলে অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ ঘৰতে গৈ ওলগ-আদৰণি জনাই আশীৰ্বাদ গ্ৰহণ কৰে। মালৌপথাৰ জাতীয় বিদ্যালয়ত পালন কৰা শিক্ষক দিৱসত ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ ভূমি দাতা ৰেৱতী শইকীয়াই। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী জুনু দত্তক সম্বৰ্ধনা জনোৱাৰ পাছতে গছপুলি ৰোপণ কৰে সঞ্জীৱ দাসে। অল ইণ্ডিয়া ইনডিপেণ্ডেঞ্চ কাপ কেৰাটে চেম্পিয়নশ্বিপ ২০২৫ দিল্লী ইণ্ডৰ ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলত সোণৰ পদক লাভ কৰা স্থানীয় ২ নং সোণাৰি মজিয়াভেটিৰ জানমণি কোঁৱৰক অভিনন্দন জনায়। মৰিয়নিৰ ৰঞ্জিত গোহাঁই বৰুৱা, বিদ্যালয়খনৰ সচিব ত্ৰিশূল শইকীয়াই শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। ইফালে, যোৰহাট জিলাৰ শিক্ষা ভৱনত জিলা প্ৰশাসন, জিলা শিক্ষা বিভাগে অনুষ্ঠিত কৰা শিক্ষক দিৱসত ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱা, যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত হাজৰিকা, অধিবক্তা ভৱ গোস্বামী, টীয়ক সম জিলা আয়ুক্তগৰাকীয়ে শিক্ষক দিৱসৰ সম্পৰ্কত কয়। জিলাখনৰ ২৫ গৰাকী শিক্ষকক গামোচা পিন্ধাই সম্বৰ্ধনা-পত্ৰ স্মাৰক প্ৰদান কৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাই। বহুকেইখন বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে গীত পৰিৱেশন, নৃত্য প্ৰদৰ্শন কৰা অনুষ্ঠানতে যোৰহাট জিলা অধিবিদ্যা পৰিষদৰ দ্বাৰা ডিজিটেল আলোচনী 'শিক্ষা-শাৰংগ' উন্মোচন কৰা হয়।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত গুৰুসেৱা আৰু অনুশীলন অধ্যাপক নিযুক্তি প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, মাকুম, ৬ চেপ্তেম্বৰ ঃ** পবিত্ৰ শিক্ষক দিৱসৰ উপলক্ষত পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত বৃহত্তৰ কাকপথাৰ-ডিৰাক অঞ্চলৰ বিশিষ্ট শিক্ষাবিদসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে 'গুৰুসেৱা' আৰু অনুশীলন অধ্যাপকৰ 'নিযুক্তি পত্ৰ প্ৰদান' অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে সভাপতিত্ব কৰা অনুষ্ঠানটিত পৰিচালনা সমিতিৰ সভাপতি ড° দীপক কুমাৰ গোস্বামী, ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপিন বুঢ়াগোহাঁই, ডিগবৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা দীপিকা গোস্বামী, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাঃ সম্পাদক কনচেং গগৈ, উপদেষ্টা বিতু ডেকা, ইউটিউবাৰ ক্ৰমে অনুপ মৰাণ, মৃণাল গোহাঁইকে ধৰি বহুকেইজন সন্মানীয় অতিথি উপস্থিত থাকে। প্ৰাৰ্থনা সংগীতে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত মহাবিদ্যালয় সংগীত পৰিৱেশন কৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ সমন্বয়ক ড° ইলা ডেকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। আদৰণী ভাষণ আগবঢ়াই অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানটো মহাবিদ্যালয়ৰ সামাজিক দ্বায়িত্ববোধ আৰু প্ৰচেষ্টাৰ নিদৰ্শন বুলি উল্লেখ কৰে। উক্ত অনুষ্ঠানতে বৃহত্তৰ কাকপথাৰ-ডিৰাক তথা ইয়াৰ নিকটৱৰ্তী অঞ্চলৰ বিশিষ্ট শিক্ষাবিদসকলক শিক্ষা আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে ক্ৰমে শ্ৰীযুত তৰুণ কুমাৰ ৰাজখোৱা (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ডিৰাক মাইথং মজলীয়া বিদ্যালয়), শ্ৰীযুত মণিমাধৱ মৰাণ (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, কাকপথাৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়), শ্ৰীযুতা অনিমা



বৰঠাকুৰ শৰ্মা (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, কৈলাসপুৰ উচ্চ মাধ্যমিক বিদ্যালয়), শ্ৰীযুত অনিল কুমাৰ দত্ত (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, তেজীপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়), শ্ৰীযুতা কুসুম প্ৰভা বুঢ়াগোহাঁই (অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষয়িত্ৰী, কাকপথাৰ নিম্ন বুনিয়াদী বিদ্যালয়)ক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত অনুশীলন অধ্যাপক হিচাপে নিযুক্তি প্ৰদান কৰা হয় চিন্তাবিদ, লেখক আৰু সমাজকৰ্মী ফটিক চন্দ্ৰ নেওগ আৰু কবি-লেখক যোগ্য ফুকনে। দুয়োটা অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপকদ্বয় ক্ৰমে বিতুৰাজ গোহাঁই আৰু সঞ্জীৱ কলিতাই। অতিথিসকলৰ হৈ মনিমাধৱ মৰাণ, কুসুমপ্ৰভা বুঢ়াগোহাঁই, ফটিক চন্দ্ৰ নেওগ, যোগ্য ফুকন আৰু কনচেং গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। প্ৰিট'ৰিয়াৰ পৰা অসম সন্তান বিশিষ্ট বিজ্ঞানী ড° মুকুট গোঁহায়ে অনলাইনযোগে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বোধন কৰি শিক্ষক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰে। শিক্ষক দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। এই অনুষ্ঠানতে মহাবিদ্যালয় গ্ৰন্থাগাৰলৈ ফটিক চন্দ্ৰ নেওগ, যোগ্য ফুকন, অনিমা বৰঠাকুৰ শৰ্মা আৰু কুসুমপ্ৰভা বুঢ়াগোহাঁইয়ে গ্ৰন্থৰ টোপোলা আগবঢ়ায়। লগতে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ তৰফৰ সাধাৰণ সম্পাদক কনচেং গগৈয়ে মহাবিদ্যালয়ৰ অধ্যক্ষক সম্বৰ্ধনাও জ্ঞাপন কৰে।

# নগাঁও জিলাত ৰাষ্ট্ৰীয় শিক্ষক দিৱস উদ্‌যাপন

## কৃতি শিক্ষকক সম্বৰ্ধনা

**অসম বাৰ্তা, নগাঁও, ৬ চেপ্তেম্বৰ ঃ** নগাঁও জিলা প্ৰশাসন আৰু জিলা শিক্ষা বিভাগৰ উদ্যোগত আজি নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৬৪ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষক দিৱসটি আড়ম্বৰপূৰ্ণ ভাৱে উদযাপন কৰা হয়। উল্লেখযোগ্য যে, আজিৰ এই অনুষ্ঠানতেই ২০২৫ বৰ্ষৰ বাবে নগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ পৰা নিৰ্বাচিত ২৭ গৰাকীকৈ কৃতী শিক্ষাগুৰুক জিলা " কৃতী শিক্ষক বটা ২০২৫" প্ৰদান কৰা হয়। আজিৰ এই শিক্ষক দিৱসৰ অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত থাকি শিক্ষক দিৱস উদযাপনৰ তাপৰ্য আৰু মহত্ত্বৰ ওপৰত সাৱলীল বক্তব্য আগবঢ়াই। আজিৰ এই সভাত নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথকে প্ৰমুখ্য কৰি শিক্ষা বিভাগৰ বিষয়া- কৰ্মচাৰী, ভাৰতীয় ষ্টেট বেংকৰ বিষয়া, আমন্ত্ৰিত অতিথি, শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। শিক্ষক দিৱসৰ এই পবিত্ৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি প্ৰদান কৰা কৃতী শিক্ষক বঁটা-২০২৫ ৰ প্ৰাপক সকল হ'ল ক্ৰমে- অঞ্জু শইকীয়া দাস, প্ৰধান শিক্ষয়িত্ৰী — নগৰ মৰিকলং প্ৰাথমিক বিদ্যালয়, অৰ্পনা বৰা, প্ৰধান শিক্ষয়িত্ৰী — নতুন জলাহ প্ৰাথমিক বিদ্যালয়, অনুপ্ৰভা দেৱী, প্ৰধান শিক্ষয়িত্ৰী, পূব -টুপাকুচি ডি. আতৈ বিদ্যাপীঠ, পূৰ্ণিমা খাকলাৰী, প্ৰধান শিক্ষয়িত্ৰী — ৫৭ নং লাটিয়মাৰি প্ৰাথমিক বিদ্যালয়, সাহিদা খাতুন, প্ৰধান শিক্ষয়িত্ৰী — ২ নং কাঞ্চনপুৰ প্ৰাথমিক বিদ্যালয়, মিণু বৰা — প্ৰধান শিক্ষয়িত্ৰী — ৰেংবেং প্ৰাথমিক বিদ্যালয়, মো. আবুল বাচাৰ, সহকাৰী শিক্ষক — ১০৩৫ নং ফুৰহাণী আটি মুক্তাব, হাবিবুৰ ৰহমান, প্ৰধান শিক্ষক — ১ নং শালমাৰা বড়ী প্ৰাথমিক বিদ্যালয়, মণ্ডছ সতনামি, প্ৰধান শিক্ষক — ঝাউকটা প্ৰাথমিক বিদ্যালয়, সূৰ্য্য কুমাৰ বৰা, সহকাৰী শিক্ষক — বটদ্ৰৱা চৰকাৰী নিম্ন প্ৰাথমিক ছোৱালী বিদ্যালয়, মো. আয়ুব খান আলি, বিজ্ঞান শিক্ষক — বালিগাঁও মধ্য ইংৰাজী বিদ্যালয়, গৌতম বৰা, সহকাৰী শিক্ষক — কুৰহিমাৰি মজলীয়া বিদ্যালয়, পূৰ্ণকান্ত নাথ, প্ৰধান শিক্ষক — জাগিয়াল ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, হেমকান্ত শইকীয়া, প্ৰধান শিক্ষক — দীঘলদাৰি কাকতিগাঁও উচ্চ মাধ্যমিক বিদ্যালয়, দিপালী নেওগ, প্ৰধান শিক্ষয়িত্ৰী — ধিং ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, নীলামণি বৰা, সহকাৰী শিক্ষক — ধনিয়াভেটী উচ্চতৰ মাধ্যমিক বিদ্যালয়, মনোজ কুমাৰ বৰা, সহকাৰী শিক্ষক — কহিগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, জয়ন্ত শইকীয়া, অধ্যক্ষ/শৈক্ষিক ভাৰপ্ৰাপ্ত — পুৰণিগুদাম আৰ. কে. বি. উচ্চতৰ মাধ্যমিক বিদ্যালয়, শৰৎ চন্দ্ৰ ভূঞা, বিষয় শিক্ষক — পি. এম. শ্ৰী কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পূৰবী বৰা, সহকাৰী শিক্ষক — মাৰোৱাৰী হিন্দী উচ্চ মাধ্যমিক বিদ্যালয়, দীপ্তি দাস, সহকাৰী শিক্ষক — নগাঁও বিবেকানন্দ উচ্চ মাধ্যমিক বিদ্যালয়, মৃগাংক বৰা, প্ৰশিক্ষক — ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়, তোযেশ্বৰ বৰা, বিষয় শিক্ষক (পদাৰ্থ বিজ্ঞান) — ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পদ্ম কান্ত কলিতা, বিষয় শিক্ষক (ইংৰাজী) — ভুগেশ্বৰ হাজৰিকা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, বসন্ত কুমাৰ গোস্বামী, অধ্যক্ষ — নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, বাপধন নাথ, প্ৰধান শিক্ষক — আনন্দ কন্দলী উচ্চ মাধ্যমিক বিদ্যালয় আৰু জগতজ্যোতি বৰা, প্ৰধান শিক্ষক — পি. ডি. জি. উচ্চ মাধ্যমিক বিদ্যালয়, বামুণী।

# সাংবাদিক ৰাস্নামণি গগৈক 'ভাৰতীয় প্ৰশাসনিক সংস্কাৰ-ৰাজহুৱা অভিযোগ পৰিষদ'ৰ ৰাজ্যিক সাধাৰণ সম্পাদক নিযুক্তি

**অসম বাৰ্তা, লীলাবাৰী, ৬ ছেপ্টেম্বৰ ঃ** ভাৰতীয় প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ পৰিষদৰ কেন্দ্ৰীয় সভাপতি দাৰ্জ চৌধুৰীয়ে ৰাস্নামণি গগৈক অসম ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক হিচাপে নিযুক্তি দিছে। এই নিযুক্তিয়ে সমগ্ৰ ধেমজি জিলা তথা অসমবাসীৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। উল্লেখ্য যে, ৰাস্নামণি গগৈ ধেমাজি জিলাৰ চিলাপথাৰ থানাৰ অন্তৰ্গত বেতনিপাম ১নং বাৰুৱতী গাঁৱৰ নিবাসী। তেওঁ ২০০৫ চনৰ পৰা অসমৰ বহুকেইখন সংবাদগোষ্ঠী আজিৰ দৈনিক বাতৰি, দৈনিক জনজাগৰন, সাপ্তাহিক জনসাধাৰণ, গণ অধিকাৰ, আধুনিক অসম, আমাৰ প্ৰণামকে ধৰি তেওঁ কেবাখনো দৈনিক আৰু সাপ্তাহিক বাতৰি কাকতত সংবাদ সেৱা আগঢ়োৱাৰ উপৰিও নৰ্থ ইষ্ট জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মেডিয়া সন্থাৰ কেন্দ্ৰীয় সভাপতি, সমাজসেৱা, শিক্ষা-প্ৰসাৰ, দৰিদ্ৰক সহায় আৰু জনসচেতনতামূলক কাৰ্যকলাপৰ সৈতে জড়িত হৈ আছে। তেওঁক ইতিমধ্যে বিভিন্ন সংগঠন আৰু সচেতন নাগৰিকে অভিনন্দন জনাইছে।



# লাহৰীঘাটৰ ধিঙৰআটিত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, লাহৰীঘাট, ৬ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ধিঙৰআটিত আজি আৰক্ষীয়ে অভিযান চলাই এক ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তথ্য মতে, মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰীটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম ইনামুল হক। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা সন্দেহ যুক্ত ড্ৰাগছ ভৰ্তি ২৩টা প্লাষ্টিক কণ্টেইনাৰ জব্দ কৰে। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ বিৰুদ্ধে আইনী গত ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে ধৃত লোকজন ইয়াৰ পূৰ্বেও ৰঙাঘৰৰ আলহী হৈছিল।



# লাহৰীঘাটৰ ধিঙৰআটিত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, লাহৰীঘাট, ৬ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ধিঙৰআটিত আজি আৰক্ষীয়ে অভিযান চলাই এক ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তথ্য মতে, মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰীটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম ইনামুল হক। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা সন্দেহ যুক্ত ড্ৰাগছ ভৰ্তি ২৩টা প্লাষ্টিক কণ্টেইনাৰ জব্দ কৰে। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ বিৰুদ্ধে আইনী গত ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে ধৃত লোকজন ইয়াৰ পূৰ্বেও ৰঙাঘৰৰ আলহী হৈছিল।

# নাওভাঙ্গা নিজকাঠমী বজাৰত বিধ্বংসী অগ্নিকাণ্ড

**অসম বাৰ্তা, সোণতলী, ৬ চেপ্তেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ নাওভাঙ্গা নিজকাঠমী বজাৰত কালি নিশা সংঘটিত হয় এক বিধবংসী অগ্নিকাণ্ড। এই বিধ্বংসী অগ্নিকাণ্ডত দহখনকৈ দোকান ভস্মীভূত হয়। ইফালে স্থানীয় লোকে ততাতৈয়াকৈ জুই নিৰ্বাপন কৰে যদিও ভস্মীভূত হোৱাৰ লগতে দহখনকৈ দোকান সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হয়। ইফালে জুই নিৰ্বাপনৰ অন্তত অগ্নি নিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হয় বুলি জানিব পৰা গৈছে। এই অগ্নিকাণ্ডত ২১ লক্ষাধিক টকাৰ সা-সম্পত্তি বিনষ্ট হয়। উল্লেখ্য, খালি কোঠা এটাৰ ভৰ্তি মৰাপাটৰ খৰিত ফটকাৰ জুই লাগি এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি দোকানী সকলে জানিবলৈ দিয়ে।

## কেঁচা চাহপাতৰ মূল্য অস্বাভাৱিকভাৱে হ্ৰাস হোৱাত বিশেষ স্থান লাভ

# সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, তিনিচুকীয়া জিলা সমিতি আৰু কলঘৰ কৰ্তৃপক্ষৰ সৈতে জিলা আয়ুক্তৰ আলোচনা

## কলঘৰ কৰ্তৃপক্ষক উচিত মূল্য দিয়াৰ নিৰ্দেশ জিলা আয়ুক্তৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ৬ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্য্যালয়ত শুক্ৰবাৰে কেঁচা চাহপাতৰ মূল্য নিম্নগামী হোৱাৰ সন্দৰ্ভত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতি, কলঘৰ কৰ্তৃপক্ষ আৰু জিলা নিৰীক্ষণ সমিতিৰ এখনি সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে বট'লিফ ফেক্টৰি এচোছিয়েশ্যন, তিনিচুকীয়া জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ নেতৃত্ব আৰু টি-বৰ্ডৰ বিষয়ববীয়া সকল। বৰ্তমান সময়ত তিনিচুকীয়া জিলাত কেঁচা চাহপাতৰ মূল্য হ্ৰাস আৰু চাহিদাৰ ওপৰত বিশেষ গুৰুত্ব পোৱা পৰিলক্ষিত হয়। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰাণা মৰাণে সভাৰ আৰম্ভণিতে জিলা নিৰীক্ষণ সমিতিৰ সভা সময়মতে অনুষ্ঠিত নোহোৱাত ক্ষোভ প্ৰকাশ কৰে। যাৰ ফলত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বহু উজৰ আপত্তি সমাধানৰ ক্ষেত্ৰত ক্ষুদ্ৰ চাহ খেতিয়ক সকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয় বুলি আক্ষেপ ব্যক্ত কৰে। ইয়াৰ বিপৰীতে জিলা সমিতিৰ সাংগঠনিক সম্পাদক বিক্ৰম বৰগোঁহাইয়ে ব্যক্ত কৰে যে অৰুণাচলৰ পৰা জিলা খনলৈ অহা কেঁচা চাহপাত সম্পূৰ্ণ অবৈধ আৰু এই কেঁচা চাহপাত সমূহ অসমৰ চাহপাত হিচাপে চিহ্নিত কৰি ইতিমধ্যে বিক্ৰী কৰি থকা হৈছে বুলি এক গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰে। যাৰ ফলস্বৰূপে অসমৰ বিশেষকৈ তিনিচুকীয়া জিলা খনৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ উৎপাদিত কেঁচা চাহপাতৰ মূল্য বজাৰত অস্বাভাৱিক ভাৱে হ্ৰাস পাইছে বুলি মন্তব্য আগবঢ়ায়। তেওঁ উল্লেখ কৰে যে উদ্যোগিক প্ৰক্ৰিয়াৰে তৈয়াৰ কৰা চাহপাত সমূহ ১০০ শতাংশ বজাৰত নিলাম কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু ইয়াৰ পৰা হোৱা লাভাংশ ৬৫ শতাংশ খেতিয়কক আৰু ৩৫ শতাংশ চাহ উদ্যোগৰ স্বতাধিকাৰীক দিব লাগে। কিন্তু অদ্যপৰিমিত এই কাৰ্য্য সঠিকৰূপে পালন হোৱা নাই বুলিও তেওঁ উল্লেখ কৰে। প্ৰসঙ্গ ক্ৰমে পিছে তেওঁ এইটোও প্ৰকাশ কৰে যে বহিঃৰাষ্ট্ৰ কেনিয়াৰ পৰা চাহপাতৰ আমদানিয়েও বৰ্তমান সময়ত বজাৰত অসমৰ চাহপাতৰ চাহিদা হ্ৰাস কৰিছে। এই সকলোবোৰ বিষয় নিৰীক্ষণ কৰি চাহপাত প্ৰস্তুত কৰা উদ্যোগ সমূহৰ মালিক পক্ষই নানান অজুহাত দেখুৱাই কেঁচা চাহপাতৰ মূল্য বৃদ্ধি কৰা সন্দৰ্ভত সমুলি মান্তি হোৱা নাছিল যদিও শেষত তিনিচুকীয়া জিলা আয়ুক্ত গৰাকীৰ নিৰ্দেশ মৰ্মে চাহ উদ্যোগৰ স্বতাধিকাৰীয়ে ক্ষুদ্ৰ চাহ খেতিয়কক প্ৰতি কিলোগ্ৰাম কেঁচা চাহপাতৰ মূল্য ২১.০৯ টকাকৈ আদায় দিব লাগিব বুলি কয়। যিহেতু এই মূল্য টি-বৰ্ডৰ তৰফৰ পৰা নিৰ্ধাৰণ কৰা মূল্য আৰু এই নিৰ্ধাৰিত মূল্যক দুয়ো পক্ষই মানি লোৱাটো বাধ্যতামূলক বুলি জনাই আয়ুক্ত গৰাকীয়ে। ইয়াৰ উপৰিও অৰুণাচলৰ পৰা অহা কেঁচা চাহপাতৰ ওপৰত অনুসন্ধান কৰি বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে আৰু লগতে প্ৰতিমাহে চাহ উৎপাদন কৰা উদ্যোগ সমূহৰ মালিক পক্ষই কেঁচা চাহপাতৰ প্ৰতি কিলোগ্ৰামৰ দাম ফলকত লিখি ৰাখিবলৈ নিৰ্দেশ জাৰি কৰে। অসমৰ অৰ্থনীতিত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ যথেষ্ট অৱদান থকাৰ কথা উল্লেখ কৰি জিলা আয়ুক্ত গৰাকীয়ে চাহ খেতিয়ক সকলৰ সকলো সমস্যাৰ সমাধানৰ প্ৰতি সঁহাৰি জনাবলৈ আহ্বান জনাই জিলা নিৰীক্ষণ সমিতি তথা চাহ উৎপাদন উদ্যোগ সমূহক।

# কামৰূপ জিলাত গুৰুত্বপূৰ্ণ সজাগতা সভা; উপস্থিত বিভাগীয় মন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি কামৰূপ জিলাৰ মিৰ্জাস্থিত শ্বহীদ ভৱনত বিভাগটোৰ অভিলাষী আঁচনি সন্দৰ্ভত এখনি সজাগতামূলক সন্মিলনত অংশগ্ৰহণ কৰে। কামৰূপ জিলাৰ সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি-সম্পাদকসকলৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনত মন্ত্ৰী কৌশিক ৰায়ে কয় যে ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ আৰ্থিক বোজা লাঘৱ কৰা আৰু তেওঁলোকৰ খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বৰ্তমান পৰ্যন্ত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰাজ্যখনত প্ৰায় ৭০ লাখ পৰিয়ালৰ ২ কোটি হিতাধিকাৰীক সামৰি লৈছে। এই দিশত এক নতুন সংযোজনৰূপে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে এক অভিলাষী আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলক প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ৰাজসাহায্যযুক্ত হাৰত তিনিবিধ সামগ্ৰী ক্ৰমে- দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি কামৰূপ জিলাতো অহা নৱেম্বৰ মাহৰ পৰা প্ৰতি ৰেচন কাৰ্ডৰ বিপৰীতে হিতাধিকাৰীসকলক ১ (এক) কেজি দাইল ৬৯.০০ টকা মূল্যত, ১ (এক) কেজি চেনি ৩৮.০০ টকা মূল্যত আৰু এক কেজি নিমখ ১০.০০ টকাৰ মূল্যত যোগান ধৰা হ'ব। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত এই অভিলাষী আঁচনিৰ অধীনত সঠিক ৰূপায়ণৰ দিশত সমবায় সমিতিৰ আৰু সুলভ মূল্যৰ দোকানীসকলৰ সহযোগিতাৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰে। কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত প্ৰাণজিত কুমাৰ দেৱে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ আয়ুক্ত হেমন্ত ভূঞা, পলাশবাৰীৰ সমজিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, পলাশবাৰী চক্ৰ বিষয়া অঙ্কিতা শৰ্মা, সমাজ কৰ্মী অঞ্জন গোস্বামী, গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি-সম্পাদক সকলৰ লগতে সুলভ মূল্যৰ দোকানীসকল উপস্থিত থাকে। পিছত মন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত জিলাখনত ৰূপায়িত বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ খতিয়ান গ্ৰহণ কৰে। বৈঠকত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমাৰ আয়ুক্ত হেমন্ত ভূঞা, কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত প্ৰাণজিত কুমাৰ দেৱ, পলাশবাৰীৰ সমজিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, বকো- ছয়গাঁও সমজিলাৰ সমজিলা আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজৰ লগতে অন্যান্য বিষয়াসকলো উপস্থিত থাকে।

## ভোট চোৰ, গৰু চোৰ

সমালোচনা কৰি কয়, “অসমৰ জনতাৰ সন্মুখত আমি গৰু চোৰ, মাটি চোৰ, আৰু ভোট চোৰৰ মুখ উন্মোচন কৰিবলৈ প্ৰস্তুত। মন্ত্ৰীসভাত এনে অনেক চোৰৰ সমাগম ঘটিছে। এইবোৰক জনতাৰ সন্মুখত উপস্থাপন কৰাৰ দায়িত্ব আমাৰ ওপৰত আহি পৰিছে।” তেওঁ বিজেপিক এক অহংকাৰী দল হিচাপে অভিহিত কৰি কয়, “বিজেপিৰ দ্বৈত চৰিত্ৰ এতিয়া প্ৰকাশ পাইছে।” গগৈয়ে অভিযোগ কৰে যে বিজেপিয়ে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ কথা ক'লেও নতুন আইনৰ মাধ্যমে অসমৰ জনতাৰ ওপৰত বিদেশীৰ বোজা জাপি দিবলৈ চেষ্টা কৰিছে। তেওঁ কয়, “এই চৰকাৰে অসম আন্দোলনৰ ৮৫৫জন শ্বহীদৰ স্মৃতি আৰু কা আন্দোলনৰ শ্বহীদসকলক চৰমভাৱে অপমান কৰিছে।” তদুপৰি, তেওঁ দাবী কৰে যে বিজেপিৰ ষড়যন্ত্ৰই অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, আৰু অস্তিত্বৰ ওপৰত ভাবুকিৰ সৃষ্টি কৰিছে। তেওঁ স্পষ্ট কৰে যে অসমৰ জনতাই বিদেশীৰ বোজা গ্ৰহণ নকৰে। New Immigration and Foreigners' (Exemption) Order, 2025ৰ সমালোচনা কৰি গগৈয়ে কয় যে এই নিৰ্দেশে অসম চুক্তিক নস্যাৎ কৰিছে। তেওঁৰ মতে, এনে গুৰুত্বপূৰ্ণ বিষয় সংসদত আলোচনা নকৰি গোপনে জনতাৰ ওপৰত বিদেশীৰ বোজা জাপি দিয়াৰ সিদ্ধান্ত অগণতান্ত্ৰিক। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ এই নিৰ্দেশ অনুসৰি, ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে বাংলাদেশ, পাকিস্তান, আৰু আফগানিস্তানৰ পৰা ধৰ্মীয় নিৰ্যাতনৰ শিকাৰ হৈ ভাৰতত প্ৰৱেশ কৰা হিন্দু, শিখ, বৌদ্ধ, জৈন, আৰু খ্ৰীষ্টান সংখ্যালঘুসকলক ভাৰতত থাকিবলৈ অনুমতি দিয়াৰ ব্যৱস্থা কৰা হৈছে। গগৈয়ে এই পদক্ষেপক “জাতিদ্ৰোহী” বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰী শৰ্মাৰ পাকিস্তানৰ সৈতে গগৈৰ পত্নীৰ কথিত সম্পৰ্কৰ অভিযোগৰ প্ৰত্যুত্তৰত তেওঁ কয়, “১০ ছেপ্টেম্বৰৰ তথাকথিত প্ৰকাশ বিফল হ'ব। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক ৰাজনৈতিক কামত অপব্যৱহাৰ কৰি সময় আৰু সম্পদৰ অপচয় কৰিছে। আৰক্ষীয়ে কয়লা চিণ্ডিকেটৰ দৰে অপৰাধৰ ওপৰত গুৰুত্ব দিলে ভাল হ'লহেঁতেন।” তেওঁ আৰু কয় যে কংগ্ৰেছ দল বিজেপি চৰকাৰৰ বিভিন্ন কেলেংকাৰী উদঙাই থাকিব। গগৈয়ে পশ্চিমবংগৰ নিৰ্বাচনৰ প্ৰেক্ষাপটত বিজেপিৰ ওপৰত অসমৰ বাঙালী সম্প্ৰদায়ক লক্ষ্য কৰি ৰাজনীতি কৰাৰ অভিযোগ তুলি কয়, “বিজেপিয়ে পশ্চিমবংগৰ ভোটৰ স্বাৰ্থত অসমৰ বাঙালীসকলক বাংলাদেশী বুলি সজাই তেওঁলোকৰ বিৰুদ্ধে অপ্ৰীতিকৰ পৰিৱেশ সৃষ্টি কৰিছে। এয়া অগ্ৰহণযোগ্য।” তেওঁ CAA আৰু Immigration and Foreigners (Exemption) Order, 2025ৰ তীব্ৰ সমালোচনা কৰি কয় যে এই আইনৰ জৰিয়তে বিজেপিয়ে অসমৰ বাঙালী সম্প্ৰদায়ক সন্দেহৰ দৃষ্টিৰে চাবলৈ চেষ্টা কৰিছে। বিটিচি নিৰ্বাচনৰ বিষয়ে গগৈ আশাবাদী। তেওঁ কয়, “আমি বিটিআৰৰ সকলো সমষ্টিতে প্ৰাৰ্থী দিছো। বহু সমষ্টিতে দুই-তিনিজন প্ৰাৰ্থীয়ে কংগ্ৰেছৰ হৈ প্ৰতিদ্বন্দ্বিতাৰ আগ্ৰহ প্ৰকাশ কৰিছিল। আমাৰ বিধায়কসকলক ৪০টা সমষ্টিৰ প্ৰত্যেকৰ বাবে দুই-তিনিটাকৈ পৰিষদীয় সমষ্টিৰ দায়িত্ব দিয়া হৈছে।” তেওঁ দাবী কৰে যে বিটিচিৰ জনতাই বিজেপি আৰু ইউপিপিএলৰ প্ৰৱঞ্চনা বুজি পাইছে আৰু কংগ্ৰেছৰ প্ৰতি সমৰ্থন বৃদ্ধি পাইছে। ৰাজীৱ ভৱনত কমলপুৰ সমষ্টিৰ প্ৰাৰ্থিত্বক লৈ সৃষ্টি হোৱা উত্তেজনাৰ বিষয়ে গগৈয়ে কয়, “এনে প্ৰতিযোগিতা কংগ্ৰেছৰ শক্তিৰ প্ৰমাণ। আগন্তুক বিধানসভা নিৰ্বাচনতো আমি শক্তিশালীভাৱে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সক্ষম হ'ম।” অসম গণ পৰিষদৰ (অগপ) সমালোচনা কৰি গগৈয়ে কয়, “অসম আন্দোলনৰ পৰা জন্ম লোৱা অগপে ক্ষমতাৰ স্বাৰ্থত বিজেপিৰ সৈতে হাত মিলাই CAAৰ সমৰ্থন কৰি নিজৰ শেষ পৃষ্ঠা লিখিবলৈ আৰম্ভ কৰিছে।” মণিপুৰৰ পৰিস্থিতিৰ বিষয়ে গগৈয়ে কয়, “প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মণিপুৰ ভ্ৰমণক শান্তিৰ চূড়ান্ত লক্ষ্য হিচাপে নহয়, বৰং শান্তি, ন্যায়, আৰু গণতন্ত্ৰ পুনৰুদ্ধাৰৰ দীৰ্ঘ যাত্ৰাৰ আৰম্ভণি হিচাপে চাব লাগে।” তেওঁ দাবী কৰে যে এই ভ্ৰমণ দুবছৰ আগতে হ'ব লাগিছিল আৰু প্ৰধানমন্ত্ৰীয়ে মণিপুৰৰ জনতাৰ ওচৰত পলমৰ বাবে ক্ষমা বিচাৰিব লাগে। ইণ্ডিয়া ব্লকৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী বি সুদৰ্শন ৰেড্ডীৰ সৈতে সাংবাদিকৰ মতবিনিময়ৰ সময়ত গগৈয়ে এই মন্তব্য কৰে। তেওঁৰ মতে, কংগ্ৰেছ তথ্য আৰু যুক্তিৰ ভিত্তিত জনতাৰ মনৰ কথা প্ৰকাশ কৰিব, আনহাতে বিজেপিৰ নিৰ্বাচনী ভাষা হোৱাটচএপৰ আই টি চেলৰ মাধ্যমে জনতাৰ ওপৰত জাপি দিয়াৰ চেষ্টা হৈছে।

## অনিল আম্বাণী আৰু ৰিলায়েন্স

শুকুৰবাৰে নেশ্যনেল ষ্টক এক্সচেঞ্জ (NSE) আৰু বম্বে ষ্টক এক্সচেঞ্জ (BSE)লৈ প্ৰেৰণ কৰা এক পত্ৰত ৰিলায়েন্স কমিউনিকেশ্যনে এই তথ্য প্ৰকাশ কৰিছে। বেংকটোৱে ফৰেনছিক অডিট প্ৰতিবেদনৰ ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰিছে, য'ত অনিল আম্বাণী আৰু তেওঁৰ কোম্পানীৰ বিৰুদ্ধে ধনৰ অপব্যৱহাৰ, একাউণ্ট জালিয়াতি, আৰু ঋণৰ অপব্যৱহাৰৰ গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। ২০২৫ চনৰ ২৮ আগষ্টৰ তথ্য অনুসৰি, ৰিলায়েন্স কমিউনিকেশ্যনৰ বেংক অৱ বৰোদাৰ ওচৰত মুঠ ১, ৬৫৬.৭ কোটি টকাৰ ঋণ বাকী আছে। এই বিপুল ঋণৰ পৰিমাণৰ কাৰণে চৰকাৰী বেংকটোৱে কোম্পানীটোৰ বিৰুদ্ধে জালিয়াতিৰ অভিযোগ উত্থাপন কৰিছে। বৰ্তমান ৰিলায়েন্স কমিউনিকেশ্যন আৰ্থিক সংকটৰ মাজেৰে পাৰ হৈছে আৰু কৰ্পৰেট ইনছলভেন্সি ৰিজ'লিউচন প্ৰক্ৰিয়াৰ (CIRP) অধীনত আছে, যাৰ ফলত কোম্পানীটোৱে আইনী সুৰক্ষা লাভ কৰিছে। অনিল আম্বাণীৰ তৰফৰ পৰা এই অভিযোগসমূহ অস্বীকাৰ কৰা হৈছে। তেওঁৰ মুখপাত্ৰই জানিবলৈ দিছে যে আম্বাণী কেৱল ৰিলায়েন্স কমিউনিকেশ্যনৰ অকাৰ্যবাহী সঞ্চালক আছিল আৰু কোম্পানীটোৰ দৈনন্দিন কাম-কাজৰ সৈতে তেওঁৰ কোনো সংযোগ নাছিল। মুখপাত্ৰই আৰু কয় যে ২০১৯ চনত, অৰ্থাৎ ছয় বছৰতকৈ অধিক সময়ৰ আগতে, আম্বাণীয়ে কোম্পানীৰ ব'ৰ্ডৰ পৰা পদত্যাগ কৰিছিল। তেওঁৰ মতে, এতিয়া এই সময়ৰ পিছত তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ অযৌক্তিক। অনিল আম্বাণীয়ে ঘোষণা কৰিছে যে তেওঁ আইনৰ অধীনত উপলব্ধ পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব। এই ঘটনাই ৰিলায়েন্স কমিউনিকেশ্যনৰ আৰ্থিক সংকট আৰু অনিল আম্বাণীৰ ব্যৱসায়িক কাৰ্যকলাপক লৈ চলি থকা বিতৰ্কক পুনৰ পোহৰলৈ আনিছে। বেংক অৱ বৰোদাৰ এই সিদ্ধান্তই কোম্পানীটোৰ চলিত ইনছলভেন্সি প্ৰক্ৰিয়াৰ ওপৰতো প্ৰভাৱ পেলাব পাৰে বুলি ধাৰণা কৰা হৈছে।

## ধন দি কবিতা পাঠ কৰিব

৩ ফেব্ৰুৱাৰী তাৰিখলৈকে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিতব্য অসম সাহিত্য সভাৰ দ্বাদশ বাৰ্ষিক পঞ্চৰত্ন-গুৱাহাটী অধিৱেশন উপলক্ষে অহা ২৬ অক্টোবৰ তাৰিখে প্ৰাৰম্ভিক প্ৰস্তুতি হিচাপে আয়োজন কৰা 'পঞ্চৰত্ন কাব্যতীৰ্থ' ই এতিয়া সচেতন মহলৰ চকু কপালত তুলিছে। দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন-গুৱাহাটী অধিৱেশনৰ কবি সন্মিলন উপ-সমিতিৰ আহ্বায়ক অনুপ কুমাৰ তালুকদাৰৰ দ্বাৰা প্ৰচাৰিত গোহাৰি পত্ৰ যোগে কোৱা হৈছে যে আগন্তুক অধিৱেশনত সাহিত্যৰ নাভীস্বৰূপ কবি আৰু কবিতাই এইবাৰ পাব এক অনন্য স্থান, যাৰ বাবে ৩১ জানুৱাৰী, ২০২৬ ৰ পুৱাবেলাৰ পৰা ৩ ফেব্ৰুৱাৰীৰ নিশালৈ ভাষাতত্ত্ববিদ ড° বাণীকান্ত কাকতি সভাঘৰৰ বাকৰিত কবিতাৰ সুবাসেৰে চৌদিশ সুগন্ধি হৈ থাকিব। এই মধুময় কাব্যানুষ্ঠানৰ চাৰিদিনীয়া কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে অহা ২৬ অক্টোবৰ তাৰিখে অধিৱেশনৰ প্ৰাৰম্ভিক প্ৰস্তুতি হিচাপে এহেজাৰ এশ এঘাৰ (১, ১১১) কবিৰ কবিতাৰ শব্দৰ ধ্বনিৰে কলাক্ষেত্ৰৰ দশোদিশ মুখৰিত কৰি তোলাৰ এক প্ৰচেষ্টা লোৱা হৈছে। নিয়মাৱলী অনুসৰি, এই কাৰ্যসূচীত অংশগ্ৰহণকাৰী প্ৰতিগৰাকী কবিয়ে পৰিশোধ কৰিব লাগিব ২৫০ ( দুশ পঞ্চাশ) টকাকৈ মাচুল। একেদিনাই দহখন অস্থায়ী মঞ্চত অনুষ্ঠিত হ'ব লগা কাব্যানুষ্ঠানত অংশগ্ৰহণকাৰীয়ে ৪৪২২১-৮৩৯১০৭ (বেংক আৰু শাখাৰ নাম উল্লেখ নাই) নম্বৰত কিম্বা তেওঁলোকে যোগান ধৰা স্কেনাৰ যোগে আগতীয়াকৈ আঢ়ৈশ টকীয়া মাচুল জমা দিব লাগিব। এই ঘোষণাই অসমৰ কবি সমাজত মাজত এতিয়া তীব্ৰ সমালোচনা চলা পৰিলক্ষিত হৈছে। আঢ়ৈশ টকাকৈ মাচুলৰ নামত উৎকোচ দি কবিতা এটা পাঠ কৰিবলৈ গোহাৰি জনোৱাটো অসম সাহিত্য সভাৰ ইতিহাসত এয়াই প্ৰথম বুলিও সমালোচনা চলিছে। একেদৰে সমালোচনা চলিছে লিখিত অভিযোগ উত্থাপিত হোৱাৰ পাছতো অসম সাহিত্য সভাৰ বিতৰ্কিত সদস্যৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ নকৰা সন্দৰ্ভতো। উল্লেখ্য যে, স্বনামধন্য সাহিত্যিক ড° বসন্ত কুমাৰ গোস্বামীয়ে অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ সভাপতিৰ দায়িত্ব গ্ৰহণৰ পিছত প্ৰথমবাৰৰ বাবে তিনিচুকীয়া জিলাত উপস্থিত হৈ কৈছিল যে অসম সাহিত্য সভা এতিয়া সম্পূৰ্ণ বিতৰ্কমুক্ত। অসম সাহিত্য সভাত আৰু কোনোদিন বিতৰ্ক সৃষ্টি নহয়। অসম সাহিত্য সভাত থকা শূল-জেং আদি আঁতৰাই পেলোৱা হ'ব। কিন্তু অসম সাহিত্য সভাই সভাৰ সংবিধান উলংঘা আৰু অনুশাসন ভঙ্গ কৰাৰ অপৰাধত তৎকালীনভাৱে অপসাৰিত কৰিবলৈ সভাৰ এখন উল্লেখযোগ্য শাখাই অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিক লিখিতভাৱে অভিযোগ পত্ৰ দাখিল কৰাৰ পাছতো অসম সাহিত্য সভাই আজি পৰ্যন্ত সেই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰয়োজনবোধ বা সাহস নকৰিলে। একেদৰে চোৰাং কয়লা ব্যৱসায়ৰে জড়িত, ই ডি আৰু আয়কৰ বিভাগে বাসগৃহত তালাচী চলাই তদন্তৰ আওতালৈ অনা মাৰ্ঘেৰিটাৰ সুনীল গুৰুঙৰ দৰে লোকক অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদকৰ দৰে গুৰু দায়িত্ব প্ৰদান কৰি প্ৰমাণ কৰি দিলে যে সম্প্ৰতি অসম সাহিত্য সভা প্ৰকৃত সাহিত্য-সংস্কৃতিৰ মঞ্চৰ ব্যতিৰেকে সমাজৰ দাগী আৰু বিতৰ্কিত ব্যক্তিৰ মঞ্চলৈহে পৰ্যবসিত হৈছে। এতিয়া সচেতন মহলৰ প্ৰশ্ন কৰিছে - “অসম সাহিত্য সভাৰ পূৰ্বৰ গৰিমা আৰু ঐতিহ্য আকৌ উভতি নাহিব নেকি?”

## প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে

বাবদ চৰকাৰে প্ৰদান কৰা মূল্য অতি কম বুলি অভিযোগ তুলিছে উজনি অসম বাছ মালিক সন্থাই। তেওঁলোকে জনাই যে চৰকাৰে প্ৰতি বাহনৰ বাবদ মাত্ৰ ২৪৪৮ টকা প্ৰদান কৰিছে, যিটো তেওঁলোকৰ বাবে অপৰ্যাপ্ত। শনিবাৰে যোৰহাট প্ৰেছ ক্লাবত সন্মিলিত উজনি অসম বাছ মালিক সন্থাৰ সৌজন্যত যোৰহাট জিলা ট্ৰেভেলাৰ মালিক পৰিচালনা সমিতি আৰু সংযুক্ত যাত্ৰীবাহী বাহন মালিক সন্থাই এক সংবাদমেলৰ আয়োজন কৰে। এই সংবাদমেলত তেওঁলোকে জনাই যে চৰকাৰে নিৰিখ বৃদ্ধি নকৰিলে প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ বাবে এখনো বাহন প্ৰদান নকৰাৰ সিদ্ধান্ত লৈছে। উজনি অসম বাছ মালিক সন্থাৰ যোৰহাট জিলাৰ সভাপতি অভিজিৎ বৰুৱাই কয়, “চৰকাৰে আমাৰ বাহনৰ বাবদ দিয়া মূল্য অতি নগণ্য। আমাৰ বাহনৰ ইএমআই, কৰ্মচাৰীৰ খাদ্য-বাসস্থানৰ ব্যয়, আৰু অন্যান্য খৰচৰ কথা বিবেচনা কৰিলে এই নিৰিখ অতি কম। সেয়েহে আমি এই নিৰিখত বাহন দিবলৈ অপাৰগ।” তেওঁ আৰু উল্লেখ কৰে যে পূৰ্বৰ চৰকাৰী ধন এতিয়াও বহু মালিকে পোৱা নাই। বাছ আৰু ট্ৰেভেলাৰৰ মালিকসকলে দীৰ্ঘদিন ধৰি বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। এই সমস্যাসমূহৰ বিষয়ে তেওঁলোকে বাৰে বাৰে চৰকাৰক অৱগত কৰিছে যদিও কোনো সুনিৰ্দিষ্ট সমাধান পোৱা নাই। সংবাদমেলত তেওঁলোকে চৰকাৰক এই সমস্যাসমূহ দ্ৰুত সমাধানৰ বাবে আহ্বান জনায়। ইয়াৰ উপৰিও, অট'মেটেড ভেহিকেল টেষ্টিং ষ্টেচনৰ জৰিয়তে ফিটনেছ টেষ্টৰ বাবে ক্লাব জিলাৰ ব্যৱস্থা ৰখা হৈছে, যাৰ ফলত বাহনৰ মালিকসকলক সুদূৰ স্থানলৈ যাত্ৰা কৰি বৃহৎ আৰ্থিক ব্যয় বহন কৰিবলগীয়া হৈছে। এই ব্যৱস্থাকো তেওঁলোকে সমালোচনা কৰে। সংবাদমেলত উপস্থিত আছিল উজনি অসম বাছ মালিক সন্থাৰ যোৰহাটৰ সভাপতি অভিজিৎ বৰুৱা, ডিব্ৰুগড় সমিতিৰ সম্পাদক জোন গগৈ, গোলাঘাট জিলা সমিতিৰ সম্পাদক কন্দৰ্প মহন্ত, যোৰহাট জিলা ট্ৰেভেলাৰ মালিক পৰিচালনা সমিতিৰ সম্পাদক ৰণ বৰা, সভাপতি চাবৰি খানৰ লগতে অনেক বাছ আৰু ট্ৰেভেলাৰৰ মালিক। তেওঁলোকে একযোগে চৰকাৰৰ পৰা ন্যায্য নিৰিখ আৰু সমস্যা সমাধানৰ দাবী জনায়।

## বিটিচি নিৰ্বাচনত বিজনীত

পৰিছিল। শনিবাৰে অৰ্থাৎ ৬ ছেপ্টেম্বৰত অন্ত পৰিল মনোনয়ন প্ৰত্যাহাৰ কৰাৰ দিন। চিৰাং জিলাৰ বিজনীৰ ১৭ নং সুবাইঝাৰ পৰিষদীয় সমষ্টিত ৩ গৰাকী প্ৰাৰ্থী মনোনয়ন প্ৰত্যাহাৰ কৰে। ১৭ নং সুবাইঝাৰ পৰিষদীয় সমষ্টিত নেশ্যনেল ৰোড মেপ পাৰ্টি অফ ইণ্ডিয়াৰ ডেভিদ বসুমতাৰী, নিৰ্দলীয় ক্ৰমে প্ৰাৰ্থী গুনেশ্বৰ গয়াৰী, ৰোজ ৰাজ বসুমতাৰীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। আনহাতে ১৯ নং থুৰিবাৰী পৰিষদীয় সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ১৯ নং থুৰিবাৰী পৰিষদীয় সমষ্টিত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী পাৰ্থজিত ৰায়, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে শঙ্কৰ কুমাৰ ভৌমিক আৰু পৱন তৰফদাৰে মনোনয়ন প্ৰত্যাহাৰ কৰে।

## পেট্ৰ'ল চুৰিৰ কাৰবাৰত

কৰিছে। শইকীয়াই দাবী কৰিছে যে এই নীতিৰ মূল উদ্দেশ্য হৈছে গাডকাৰীৰ পুত্ৰৰ ইথানল কোম্পানীক আৰ্থিকভাৱে লাভান্বিত কৰা। তেওঁৰ মতে, এই কোম্পানীয়ে ২০২৪ চনত ১৮ কোটি টকাৰ লাভৰ পৰা মাত্ৰ এবছৰৰ ভিতৰত ৫২৩ কোটি টকাৰ অধিক লাভ অৰ্জন কৰিছে। দেবব্ৰত শইকীয়াই কয়, “ভোট চুৰিৰ পিছত এতিয়া চৰকাৰ পেট্ৰ'ল চুৰিৰ কাৰবাৰত জড়িত হৈছে। নীতিন গাডকাৰীয়ে নিজৰ পৰিয়ালৰ স্বাৰ্থৰ বাবে ভাৰতৰ জনসাধাৰণৰ স্বাৰ্থক উপেক্ষা কৰিছে।” তেওঁ আৰু জনাই যে কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'লত ২০ক্ষ ইথানল মিশ্ৰণৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত সমগ্ৰ দেশতে এই বিষয়ক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। শইকীয়াই উল্লেখ কৰে যে প্ৰথমে চৰকাৰে পেট্ৰ'লত ৫ শতাংশ ইথানল মিশ্ৰণৰ কথা ঘোষণা কৰিছিল, দাবী কৰি যে এই পদক্ষেপে প্ৰদূষণ হ্ৰাস কৰিব আৰু পেট্ৰ'ল-ডিজেলৰ মূল্য কমাব। তেওঁ কয়, “বিজেপিয়ে প্ৰতিশ্ৰুতি দিছিল যে ইথানল মিশ্ৰণৰ ফলত পেট্ৰ'লৰ দাম ৫৫ টকা আৰু ডিজেলৰ দাম ৫০ টকাত উপলব্ধ হ'ব। কিন্তু এই প্ৰতিশ্ৰুতি পূৰণ হোৱা নাই।” ৰাজ্যৰ গ্ৰাহকসকলৰ মাজতো এই নীতিক লৈ তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। বৰ্তমানৰ বাহনসমূহ মূলত পেট্ৰ'ল আৰু ডিজেলৰ বাবে ডিজাইন কৰা হৈছে, আৰু ১০ শতাংশৰ পৰিৱৰ্তে ২০ শতাংশ ইথানল মিশ্ৰণৰ ফলত বাহনৰ আয়ুস আৰু কাৰ্যক্ষমতাৰ ওপৰত প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ পাইছে। শইকীয়াই জানায়, “ইথানল মিশ্ৰণৰ ফলত বাহনৰ গতি হ্ৰাস পাইছে আৰু যান্ত্ৰিক ত্ৰুটিৰ সম্ভাৱনা বৃদ্ধি পাইছে। বিশেষকৈ ২০২৩ৰ পূৰ্বে নিৰ্মিত বাহনসমূহৰ ক্ষতিৰ আশংকা অধিক।” তেওঁ আৰু জানায় যে পেট্ৰ'লৰ পিছত এতিয়া ডিজেলতো ১০ শতাংশ ইথানল মিশ্ৰণৰ পৰিকল্পনা প্ৰকাশ পাইছে, যিটো গ্ৰাহকৰ বাবে অধিক উদ্বেগৰ কাৰণ হৈ পৰিছে। শইকীয়াই দাবী কৰে যে ইথানল কুঁহিয়াৰ আৰু মাকৈৰ পৰা তৈয়াৰ কৰা হয়, আৰু এই নীতিৰ জৰিয়তে কেন্দ্ৰীয় মন্ত্ৰীৰ পৰিয়ালৰ ব্যৱসায়িক স্বাৰ্থক প্ৰাধান্য দিয়া হৈছে। এই নীতিৰ বিৰুদ্ধে সৰৱ হৈ সকলোকে প্ৰতিবাদত অংশগ্ৰহণৰ আহ্বান জনাই শইকীয়াই কয়, “এই সিদ্ধান্ত জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী। আমি সকলোৰে সহযোগিতাৰে এই নীতিৰ বিৰুদ্ধে সংগঠিতভাৱে মাত মাতিব লাগিব।” তেওঁৰ এই মন্তব্যই ৰাজ্যত ইথানল মিশ্ৰণৰ নীতিক লৈ চলি থকা বিতৰ্কক আৰু তীব্ৰতৰ কৰিছে, আৰু এই বিষয়ে আগন্তুক দিনত ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত প্ৰভাৱ পৰাৰ সম্ভাৱনা দেখা দিছে।

## ভাৰতৰ প্ৰতি হঠাৎ নৰম

বাণিজ্যিক সম্পৰ্কত কিছু বিস্ফোৰণ দেখা গৈছিল। তথাপি, শেহতীয়াকৈ ট্ৰাম্পে ভাৰতৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখাৰ ইংগিত দিয়াৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও একেই সুৰত সঁহাৰি জনাইছে। এই পৰিৱৰ্তনে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক পুনৰ সুস্থিৰ হোৱাৰ সম্ভাৱনাৰ ইংগিত দিছে। শুকুৰবাৰে হোৱাইট হাউচত সাংবাদিকৰ সৈতে কথা পাতি ট্ৰাম্পে কয়, “মোদীৰ সৈতে মোৰ বন্ধুত্ব সদায় অটুট থাকিব। তেওঁ এজন অসাধাৰণ প্ৰধানমন্ত্ৰী, আৰু ভাৰতৰ সৈতে আমেৰিকাৰ এক বিশেষ সম্পৰ্ক আছে। চিন্তাৰ কোনো কাৰণ নাই।” তেওঁ আৰু উল্লেখ কৰে, “দুমাহ আগতে মোদী আমেৰিকালৈ আহিছিল, আমি একেলগে ৰোজ গাৰ্ডেনত সময় কটাইছিলো। তেওঁৰ সৈতে মোৰ সম্পৰ্ক অতি ঘনিষ্ঠ।'' ভাৰতৰ সৈতে সম্পৰ্ক পুনৰ স্থাপনৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত ট্ৰাম্পে এইদৰে ইতিবাচক মনোভাৱ প্ৰকাশ কৰে। ইয়াৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰী মোদীয়ে এ'ত এক পোষ্টত লিখিছে, “ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এই ইতিবাচক মন্তব্য আৰু তেওঁৰ বন্ধুত্বপূৰ্ণ ভাৱৰ বাবে গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ভাৰত আৰু আমেৰিকাৰ মাজত এক ব্যাপক আৰু কৌশলগত অংশীদাৰিত্বৰ সম্পৰ্ক আছে, যিটো ভৱিষ্যতেও ইতিবাচক দিশত আগবাঢ়িব।” তথাপি, ট্ৰাম্পে ৰাছিয়াৰ পৰা ভাৰতৰ তেল ক্ৰয়ৰ বিষয়ে অসন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁ কয়, “ভাৰতে ৰাছিয়াৰ পৰা প্ৰচুৰ পৰিমাণে তেল ক্ৰয় কৰাৰ বাবে মই হতাশ। আমি সেই বিষয়ে তেওঁলোকক জনাইছো, আৰু সেই কাৰণে আমি ভাৰতৰ ওপৰত ৫০ শতাংশ শুল্ক আৰোপ কৰিছো।” ইয়াৰ পূৰ্বে ট্ৰাম্পে তেওঁৰ সামাজিক মাধ্যম প্লেটফৰ্ম ট্ৰুথ ছ'চিয়েলত লিখিছিল, “চীনৰ অতি ক'লা সময়ত আমি ভাৰত আৰু ৰাছিয়াক হেৰুৱাই পেলাইছো। তেওঁলোকৰ এক সমৃদ্ধিশালী ভৱিষ্যত কামনা কৰোঁ!” এই পোষ্টৰ সৈতে তেওঁ প্ৰধানমন্ত্ৰী মোদী, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন, আৰু চীনৰ নেতা ঝি জিনপিঙৰ এক স্থিৰচিত্ৰও শ্বেয়াৰ কৰিছিল। এই মন্তব্য চীনৰ টিয়ানজিনত অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ (এছ চি অ') শীৰ্ষ সন্মিলনত মোদী, পুটিন, আৰু ঝিৰ মাজত হোৱা সাক্ষাৎকাৰৰ পিছত প্ৰকাশ পাইছিল, যিয়ে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এই পৰিপ্ৰেক্ষিতত, ট্ৰাম্পৰ সাম্প্ৰতিক মন্তব্য আৰু মোদীৰ সঁহাৰিয়ে ভাৰত-আমেৰিকা সম্পৰ্কৰ উন্নতিৰ সম্ভাৱনাৰ ইংগিত দিছে, যদিও ৰাছিয়াৰ পৰা তেল ক্ৰয়ৰ বিষয়টোৱে এতিয়াও দুয়োপক্ষৰ মাজত কিছু উত্তেজনাৰ সৃষ্টি কৰি আছে।

## ২২ ছেপ্টেম্বৰত বিটিচিৰ পাঁচ

ৰিজ'ন (বি টি আৰ)ৰ পাঁচখন জিলাত আগন্তুক বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে ২২ ছেপ্টেম্বৰত চৰকাৰী বন্ধ ঘোষণা কৰিছে। চৰকাৰৰ এক আনুষ্ঠানিক বিবৃতিত উল্লেখ কৰা হৈছে যে এই বন্ধ নেগ'চিয়েবল ইনষ্ট্ৰুমেণ্টছ (এন আই) এক্টৰ অধীনত জাৰি কৰা হৈছে। বিবৃতিত কোৱা হৈছে, “২২ ছেপ্টেম্বৰত ভোটগ্ৰহণৰ দিনা বি টি আৰৰ অধীনস্থ সকলো চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান, বেংক, আৰু চাহ বাগিচা বন্ধ থাকিব।” অসম ৰাজ্যিক নিৰ্বাচন আয়োগে গত ২৬ আগষ্টত এক জাননীৰ জৰিয়তে বি টি চিৰ ৪০টা সমষ্টিৰ ২০২৫ চনৰ নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছিল। এই সময়সূচী অনুসৰি, ২২ ছেপ্টেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব, আৰু ২৬ ছেপ্টেম্বৰত ভোটগণনাৰ পিছত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। মনোনয়ন দাখিলৰ শেষ তাৰিখ আছিল ২ ছেপ্টেম্বৰ, আৰু মনোনয়ন প্ৰত্যাহাৰৰ শেষ তাৰিখ ৫ ছেপ্টেম্বৰ। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, ভোটগ্ৰহণ ২২ ছেপ্টেম্বৰত পুৱা ৭: ৩০ বজাৰ পৰা বিয়লি ৪: ০০ বজালৈ চলিব। ভোটগণনা ২৬ ছেপ্টেম্বৰত পুৱা ৮: ০০ বজাৰ পৰা আৰম্ভ হ'ব। বি টি চি নিৰ্বাচনত মুঠ ভোটাৰৰ সংখ্যা ২৬, ৫৭, ৯৩৭, য'ত ১৩, ২৩, ৩৯৯জন পুৰুষ, ১৩, ৩৪, ৫২১জন মহিলা, আৰু ১৭জন তৃতীয় লিংগৰ ভোটাৰ অন্তৰ্ভুক্ত। বি টি চিৰ ৪০টা সমষ্টিৰ ভিতৰত ৩০টা সমষ্টি অনুসূচিত জনজাতি (এছ টি)ৰ বাবে সংৰক্ষিত, ৫টা সমষ্টি অ-অনুসূচিত জনজাতিৰ (নন-এছ টি) বাবে সংৰক্ষিত, আৰু বাকী ৫টা সমষ্টি সকলোৰে বাবে মুকলি। বি টি আৰৰ অন্তৰ্গত জিলাসমূহ হৈছে কোকৰাঝাৰ, চিৰাং, বাক্সা, ওদালগুৰি, আৰু তামোলপুৰ। বৰ্তমান বি টি চি পৰিষদত ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউ পি পি এল), বিজেপি, আৰু গণ সুৰক্ষা পাৰ্টিৰ জোট ক্ষমতাত আছে। তথাপি, বিজেপিয়ে এই নিৰ্বাচনত স্বতন্ত্ৰভাৱে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বি টি আৰত সক্ৰিয়ভাৱে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে।

## অসমত হ্ৰাস পাইছে আধাতে

স্তৰত ২৫.১ শতাংশৰ পৰা ১৭.৫ শতাংশলৈ হ্ৰাস পাইছে। তুলনামূলকভাৱে, ৰাষ্ট্ৰীয় স্তৰত এই হাৰ নিম্ন প্ৰাথমিকত ৩ শতাংশ, উচ্চ প্ৰাথমিকত ৩.৫ ক শতাংশ, আৰু মাধ্যমিকত ১১.৫ শতাংশ। ইউনেস্ক'ৰ তথ্যমতে, দৰিদ্ৰতা, লিংগ বৈষম্য, শিশু শ্ৰমিক হিচাপে নিয়োজিত হোৱা, আৰু পৰিয়ালৰ আৰ্থিক সংকটৰ দৰে কাৰণসমূহ এই সমস্যাৰ প্ৰধান কাৰক হিচাপে চিহ্নিত হৈছে। কিছুমান ক্ষেত্ৰত শিশুসকলে পৰিয়ালৰ কামত সহায় কৰিবলৈ বা সৰু ভাই-ভনীৰ যত্ন ল'বলৈ বিদ্যালয় ত্যাগ কৰিবলগীয়া হয়। শিক্ষক-শিক্ষাৰ্থী অনুপাতৰ ক্ষেত্ৰতো অসমে সন্তোষজনক ফলাফল দেখুৱাইছে, য'ত প্ৰাথমিক স্তৰত ১৯ জন, উচ্চ প্ৰাথমিকত ১৩ জন, মাধ্যমিকত ১২ জন, আৰু উচ্চতৰ মাধ্যমিকত ১৯জন শিক্ষাৰ্থীৰ বিপৰীতে এজন শিক্ষক উপলব্ধ, যিয়ে শিক্ষাৰ মানদণ্ড বজাই ৰখাত সহায় কৰিছে। নামভৰ্তিৰ হাৰতো উন্নতি পৰিলক্ষিত হৈছে, য'ত মাধ্যমিক স্তৰত এই হাৰ ৩৬.৭ শতাংশৰ পৰা ৪৩.৫ শতাংশলৈ বৃদ্ধি পাইছে। ইয়াৰ লগতে, নিম্ন প্ৰাথমিকৰ পৰা উচ্চ প্ৰাথমিকলৈ অগ্ৰগতিৰ হাৰ ৮৫ শতাংশৰ পৰা ৯০.৩ শতাংশ, উচ্চ প্ৰাথমিকৰ পৰা মাধ্যমিকলৈ ৮২ শতাংশৰ পৰা ৮৭.৭ শতাংশ, আৰু মাধ্যমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈ ৫২.৫ শতাংশৰ পৰা ৬১.৪ শতাংশলৈ বৃদ্ধি পাইছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰতো উল্লেখযোগ্য অগ্ৰগতি হৈছে। ৰাজ্যৰ ৪৪, ৩০০ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ ৯৮.৭৪ শতাংশত ছাত্ৰৰ বাবে টয়লেটৰ ব্যৱস্থা আছে, যাৰ ৯৮.৫৯ শতাংশ কাৰ্যক্ষম। ছাত্ৰীৰ বাবে ৯৯.২৬ শতাংশ বিদ্যালয়ত টয়লেট উপলব্ধ, যাৰ ৯৯.১৮ শতাংশ কাৰ্যক্ষম। খোৱাপানীৰ সুবিধা ৯৯.১৮ শতাংশ বিদ্যালয়ত আছে, যাৰ ৯৮.৮৬ শতাংশ কাৰ্যক্ষম। বিদ্যুৎ সংযোগ ৯৭.৮৬ শতাংশ বিদ্যালয়ত স্থাপন কৰা হৈছে, য'ত বহুতো বিদ্যালয়ত সৌৰশক্তিৰ ব্যৱস্থা আছে। পুথিভঁৰালৰ সুবিধা ৮৮.১৮ শতাংশ বিদ্যালয়ত উপলব্ধ হৈছে, যি পূৰ্বৰ তুলনাত যথেষ্ট উন্নত। তথাপি, প্ৰায় ২০, ০০০ বিদ্যালয়ত এতিয়াও সীমাৰ দেৱালৰ অভাৱ আছে, আৰু এই ক্ষেত্ৰত আৰু উন্নয়নৰ প্ৰয়োজন। এই সামগ্ৰিক উন্নতিয়ে অসমৰ শিক্ষাখণ্ডত নতুন আশাৰ সঞ্চাৰ কৰিছে।

## মিত্ৰতা নহয় ভংগ! কেন্দ্ৰৰ

ভ্ৰমণ নথি-পত্ৰ অবিহনে দেশত থাকিবলৈ অনুমতি দিছে। অগপৰ নেতৃত্বই এই নিৰ্দেশৰ পৰা অসমক ৰেহাই দিয়াৰ দাবীত উচ্চতম ন্যায়ালয়ত লেখ আবেদন দাখিল কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। সংবাদমেলত অগপৰ উপ-সভাপতি তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে কয়, “অসম চুক্তিৰ নিয়মক অৱজ্ঞা কৰা যিকোনো পদক্ষেপৰ আমি তীব্ৰ বিৰোধিতা কৰিম। আমাৰ দলে উচ্চতম ন্যায়ালয়ৰ কাষ চাপি অসমক এই নিৰ্দেশৰ পৰা ৰেহাই দিয়াৰ আবেদন জনাব। আমাৰ ন্যায়পালিকাৰ ওপৰত সম্পূৰ্ণ ভৰসা আছে, আৰু আমি বিশ্বাস কৰোঁ যে ন্যায়ালয়ে আমাৰ পক্ষত ৰায় দিব।” তেওঁ আৰু জনাই যে শুকুৰবাৰে অনুষ্ঠিত দলীয় বৈঠকত এই সিদ্ধান্ত গৃহীত হৈছে। ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তিৰ মৰ্ম ৰক্ষাৰ প্ৰতি দলটোৰ দৃঢ় প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰি দাসে কয় যে, অসম আন্দোলনৰ সময়ত ৮৫৫জন শ্বহীদৰ আত্মবলিদানৰ প্ৰতি এই নিৰ্দেশ অপমানজনক। তেওঁ স্পষ্ট কৰে যে অসম চুক্তিৰ বিৰুদ্ধে যোৱা যিকোনো পদক্ষেপৰ বিৰোধিতা কৰা হ'ব। নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯ত অ-মুছলমান অনুপ্ৰৱেশকাৰীৰ বাবে ভাৰতত প্ৰৱেশৰ সময়সীমা হিচাপে ৩১ ডিচেম্বৰ, ২০১৪ নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু Immigration and Foreigners (Exemption) Order, 2025ৰ অধীনত এই সময়সীমা ১০ বছৰ বৃদ্ধি কৰি ৩১ ডিচেম্বৰ, ২০২৪ কৰা হৈছে। এই সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত অগপৰ বিজেপিৰ সৈতে মিত্ৰতা অব্যাহত ৰখাৰ বিষয়ে সোধাত দাসে কয়, “এই বিষয়ে এতিয়াও কোনো চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই।” এই পূৰ্বেও অগপই নাগৰিকত্ব (সংশোধনী) আইন (CAA)ৰ পৰা অসমক ৰেহাই দিয়াৰ দাবীত উচ্চতম ন্যায়ালয়ত এক লেখ আবেদন দাখিল কৰিছিল, যি বিষয়টো বৰ্তমানো বিচাৰাধীন। অগপৰ এই পদক্ষেপে অসমৰ জনমানসত থকা বিদেশী অনুপ্ৰৱেশৰ বিষয়টোক পুনৰ চৰ্চালৈ আনিছে, আৰু এই গোচৰৰ ফলাফলে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

## ভাৰতত কোনো হিন্দু

পৰিৱেশক উত্তপ্ত কৰি তুলিছে। এই পৰিস্থিতিত বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই এক তাৎপৰ্যপূৰ্ণ মন্তব্যত কৈছে যে ভাৰতত কোনো হিন্দু বিদেশী নহয়। ইয়াৰ উপৰিও তেওঁ বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁইৰ সাম্প্ৰতিক মন্তব্যৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাজনৈতিক বিতৰ্কক আৰু জটিল কৰি তুলিছে। ২ ছেপ্টেম্বৰত কেন্দ্ৰীয় চৰকাৰে ইমিগ্ৰেচন এণ্ড ফৰেইনাৰ্ছ এক্ট, ২০২৫ৰ অধীনত এক অধিসূচনা প্ৰকাশ কৰে, যিয়ে আফগানিস্তান, পাকিস্তান আৰু বাংলাদেশৰ পৰা ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকলক বিশেষ সুবিধা প্ৰদান কৰে। এই আইনৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দল আৰু সংগঠনে তীব্ৰ প্ৰতিবাদ জনাইছে, যাৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত বিক্ষোভৰ সৃষ্টি হৈছে। ইয়াৰ সমান্তৰালভাৱে, অসম চৰকাৰে অ-মুছলমান লোকৰ বিৰুদ্ধে বিদেশী ন্যায়াধীকৰণত চলি থকা গোচৰ প্ৰত্যাহাৰৰ নিৰ্দেশ দিয়াৰ পিছতো পৰিস্থিতি আৰু জটিল হৈ পৰিছে। শুকুৰবাৰে নিশা গোৰেশ্বৰৰ শুক্লাইত তামোলপুৰ জিলা বিজেপিৰ পাঁচটা বিধানসভা সমষ্টিৰ মুখ্য কমিটীৰ নিৰ্বাচনী বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ পিছত সাংবাদিকৰ সৈতে কথা পাতি দিলীপ শইকীয়াই কৈছে, “ভাৰতত বঙালী হিন্দু, অসমীয়া হিন্দু বা বিহাৰী হিন্দু বুলি কোনো ভেদাভেদ নাই। সনাতনী হিন্দু তথা ভাৰতৰ মূল অধিবাসীসকলৰ সুৰক্ষা, শৰণ আৰু প্ৰয়োজন অনুসৰি সংৰক্ষণ প্ৰদান কৰাটো আমাৰ নৈতিক আৰু ৰাজনৈতিক দায়িত্ব। কোনো হিন্দুৱে ভাৰতত নিৰাপত্তাহীনতা অনুভৱ কৰা উচিত নহয়।” এই পৰিপ্ৰেক্ষিতত, ড° হীৰেন গোহাঁয়ে সম্প্ৰতি বিজেপিৰ আগ্ৰাসী ৰাজনীতিৰ ফলত অসমীয়া জাতিৰ সংকট বৃদ্ধি পাইছে বুলি মন্তব্য কৰিছিল। এই মন্তব্যৰ প্ৰত্যুত্তৰত দিলীপ শইকীয়াই তীক্ষ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে হীৰেন গোহাঁইৰ মন্তব্যৰ বাবেই অসমত বহু সমস্যাৰ সৃষ্টি হৈছে। তেওঁৰ এই বক্তব্যই ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশত নতুন বিতৰ্কৰ জন্ম দিছে। এই ঘটনাসমূহে অসমত নাগৰিকত্বৰ প্ৰসংগ আৰু ধৰ্মীয় সংখ্যালঘুৰ বিষয়ক লৈ চলি থকা তীব্ৰ বিতৰ্কক আৰু উত্তপ্ত কৰি তুলিছে।

## ৭৯০ পৃষ্ঠাৰ অভিযোগনামা

ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ডৰ গোচৰত সোহৰা মহকুমাৰ ন্যায়িক দণ্ডাধীশ প্ৰথম শ্ৰেণীৰ আদালতত ৭৯০ পৃষ্ঠাৰ এক বিশদ অভিযোগনামা দাখিল কৰিছে। এই গোচৰত ৰাজাৰ পত্নী সোণম ৰঘুবংশী, তেওঁৰ কথিত প্ৰেমিক ৰাজ কুশৱাহা, আৰু তিনিজন সহযোগী— বিশাল সিং চৌহান, আশিস সিং ৰাজপুত, আৰু আনন্দ কুৰ্মীক মূল অভিযুক্ত হিচাপে নামকৰণ কৰা হৈছে। অভিযোগনামাৰ সৈতে পৰ্যাপ্ত বস্তুগত প্ৰমাণ আৰু সংলগ্ন নথিপত্ৰও আদালতত জমা দিয়া হৈছে। পাঁচোজন অভিযুক্তক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোক বৰ্তমান ন্যায়িক জিম্মাত আছে। অভিযোগনামাত অভিযুক্তসকলৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ধাৰা ১০৩(১) (হত্যা), ২৩৮(ক) (প্ৰমাণ নষ্ট কৰা), আৰু ৬১(২) (অপৰাধমূলক ষড়যন্ত্ৰ)ৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। মেঘালয় আৰক্ষীৰ এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে যে, “২১ মে', ২০২৫ত মধ্য প্ৰদেশৰ ইন্দোৰৰ বাসিন্দা ৰাজা ৰঘুবংশী আৰু তেওঁৰ পত্নী সোণম ৰঘুবংশী মধুচন্দ্ৰিকাৰ বাবে শ্বিলংলৈ আহিছিল। পিছত তেওঁলোক সোহৰা (চেৰাপুঞ্জী)লৈ গৈছিল। ২৬ মে'ত এই দম্পতী নিৰুদ্দেশ হৈ পৰে, আৰু তৎক্ষণাত তেওঁলোকৰ সন্ধানৰ বাবে এক অনুসন্ধান অভিযান আৰম্ভ কৰা হয়।” বিজ্ঞপ্তিত আৰু কোৱা হৈছে, “সোহৰা আৰক্ষী, বিশেষ অভিযান দল (SOT), NDRF, SDRF, ট্ৰেকিং গোট, আৰু নিকটৱৰ্তী গাঁৱৰ স্থানীয় লোকৰ সমন্বিত প্ৰচেষ্টাৰে কেইবাদিন ধৰি চলা তীব্ৰ অনুসন্ধানৰ পিছত ২ জুন, ২০২৫ত সোহৰাৰ ৱেই ছাউডং জলপ্ৰপাতৰ সমীপৰ আৰ্লিয়াং ৰিয়াট কুনংগ্ৰিম, উম্বলাইত থকা এক গভীৰ খাদত ৰাজা ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত সোহৰা থানাত গোচৰ নং ০৭/২০২৫, BNS ধাৰা ১০৩(১)/২৩৮(ক)/৩০৯(৬)/৩(৬)ৰ অধীনত গোচৰ ৰুজু কৰা হৈছিল।” ইন্দোৰৰ এই দম্পতী মধুচন্দ্ৰিকাৰ বাবে মেঘালয়লৈ অহাৰ পিছত ২৩ মে'ত নিৰুদ্দেশ হৈ পৰিছিল। ৰাজাৰ মৃতদেহ সোহৰাৰ এক গভীৰ খাদত উদ্ধাৰ হোৱাৰ পিছত এই গোচৰে দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। সোণম কেইবাদিন ধৰি নিৰুদ্দেশ আছিল আৰু পিছত উত্তৰ প্ৰদেশৰ বাৰাণসী-গাজীপুৰ ঘাইপথৰ এখন ধাবাৰ সমীপত উদ্ধাৰ হয়। তদন্তৰ অংশ হিচাপে মেঘালয় আৰক্ষীৰ বিশেষ তদন্তকাৰী দল (SIT)এ সোহৰাত অভিযুক্তসকলৰ উপস্থিতিত অপৰাধৰ দৃশ্য পুনৰ্গঠন কৰিছিল, যাৰ ফলত গোচৰৰ তদন্তত গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিছিল। এই অভিযোগনামা দাখিলৰ জৰিয়তে এই চাঞ্চল্যকৰ হত্যাকাণ্ডৰ গোচৰটো এতিয়া আইনী পৰ্যায়ত প্ৰৱেশ কৰিছে। পূৰ্ব খাচি পাহাৰ জিলাৰ আৰক্ষী অধীক্ষক বিবেক সৈয়েমে জানিবলৈ দিছে যে তিনিজন অতিৰিক্ত অভিযুক্ত— লোকেন্দ্ৰ তোমাৰ, বল্লা আহিৰৱাৰ, আৰু শিলম জেমছৰ বিৰুদ্ধে প্ৰমাণ নষ্ট কৰাৰ অভিযোগত অতিৰিক্ত অভিযোগনামা দাখিল কৰা হ'ব। এই তিনিজনক মধ্য প্ৰদেশৰ বিভিন্ন স্থানৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছিল। ৰাজাৰ পৰিয়ালে এই গোচৰত সোণম আৰু অন্যান্য অভিযুক্তৰ বিৰুদ্ধে মৃত্যুদণ্ডৰ দাবী জনাইছে। ৰাজাৰ ডাঙৰ ভাই বিপিন ৰঘুবংশীয়ে কৈছে, “আমাৰ পৰিয়ালৰ একমাত্ৰ দাবী হৈছে সোণম, ৰাজ কুশৱাহা, আৰু অন্যান্য অভিযুক্তৰ বিৰুদ্ধে মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰা হওক।” তেওঁ লগতে কয় যে তেওঁলোকে এতিয়াও অভিযোগনামাৰ বিষদ অংশ নাজানে, কিন্তু আৰক্ষীৰ তদন্তৰ প্ৰতি তেওঁলোক সন্তুষ্ট।

## কৰিমগঞ্জৰ নাম প্ৰত্যাহাৰৰ

প্ৰতিবাদত ছাত্ৰ-ছাত্ৰীৰ সৈতে স্থানীয় ৰাইজে ৬ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি যান-বাহন চলাচল ব্যাহত কৰে। পৰিস্থিতি উত্তপ্ত হৈ পৰে যেতিয়া প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ ওপৰত শিল নিক্ষেপ কৰে বুলি অভিযোগ উত্থাপিত হয়, যাৰ ফলত আৰক্ষীয়ে প্ৰতিবাদকাৰীক ছত্ৰভংগ কৰিবলৈ লাঠিচালনা কৰে। এই ঘটনাত এজন প্ৰতিবাদকাৰী আহত হোৱাৰ লগতে বাতৰি সংগ্ৰহৰত সাংবাদিকৰ ওপৰতো আক্ৰমণৰ ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই জানিবলৈ দিয়া মতে, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত নিষেধাজ্ঞা উলংঘনৰ অভিযোগত ১১০ জনক আটক কৰা হৈছে, য'ত অধিকাংশই এন চি কলেজৰ ছাত্ৰ। ইয়াৰ উপৰিও, আৰক্ষীৰ কৰ্তব্যত বাধা প্ৰদানৰ অভিযোগত এগৰাকী কলেজৰ অধ্যাপককো গ্ৰেপ্তাৰ কৰা হৈছে। উল্লেখযোগ্য যে, এনে অশান্তি ৰোধৰ বাবে জিলা প্ৰশাসনে এক দিনৰ পূৰ্বে নিষেধাজ্ঞা জাৰি কৰিছিল। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত শ্ৰীভূমি জিলাৰ ব্যৱসায়িক প্ৰতিষ্ঠান, দোকান, আৰু মলসমূহ বন্ধ হৈ থকাৰ লগতে নিৰাপত্তা বাহিনীৰ তৎপৰতা অব্যাহত আছে। প্ৰশাসনে দাবী কৰিছে যে পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈছে, তথাপি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ যিকোনো নিষেধাজ্ঞা উলংঘনৰ ক্ষেত্ৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ সতৰ্কবাণী জাৰি কৰা হৈছে। লগতে, ৰাইজক শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰাৰ আৰু আইন-শৃংখলা বিঘ্নিত কৰিব পৰা কাৰ্যৰ পৰা বিৰত থাকিবলৈ প্ৰশাসনে আহ্বান জনাইছে।

## দিপীলাত মানৱ সত্তা গৱেষণা কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, পাথৰিঘাট, ৬ ছেপ্টেম্বৰ ঃ** দৰঙৰ ঐতিহাসিক খটৰা সত্ৰৰ নাতি দূৰৈৰ অৰ্জুনতলাত পৱিত্ৰ শিক্ষক দিৱসৰ দিনটোতে 'আই'ৰ উদ্যোগত মানৱ সত্তা গৱেষণা কেন্দ্ৰ এটি মুকলি কৰা হয়। তদুপলক্ষে পুৱা উপাসনা সুৰভি, পৰিবেশ নিষ্কাষণ, গছপুলি ৰোপণ আৰু আবেলি কৰ্মশালাৰ শিক্ষাৰ্থীৰ নাম পঞ্জীয়নৰ পিছতে মানৱ সত্তা গৱেষণা কেন্দ্ৰৰ দ্বাৰ উন্মোচন কৰে অসমীয়া ভাষা সাহিত্যৰ গৱেষক, কৃতী শিক্ষক ৰাজীৱ শৰ্মাই। সন্ধিয়া বিশিষ্ট সাহিত্যিক, অৱসৰপ্ৰাপ্ত শিক্ষক কমলাকান্ত ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হয় সম্বৰ্ধনা সভা। যুৱ নেতা দুলাল ডেকাই আঁতধৰা আৰু 'আই'ৰ সঞ্চালক পদুম নাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ব্যক্তিগত খণ্ড বিদ্যালয়ৰ শিক্ষক সকলক সম্বৰ্ধনা জনাই। আনন্দৰাম বৰুৱা জাতীয় বিদ্যালয়ৰ শিক্ষক নাৰায়ণ পাণ্ডেক অসম ৰাজ্যিক শিক্ষক শিৰোমণি বঁটা প্ৰদান কৰাৰ লগতে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জিণ্টুমণি নাথ, মিলেনীয়ম ইংলিছ স্কুল, শুক্লাইৰ শিক্ষক ভীম নিৰোলা, গণেশ ডেকা শিশু নিকেতনৰ শিক্ষয়িত্ৰী ভাগ্যৱতী ডেকা, পশ্চিম দৰং জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী মেঘালী কলিতা আৰু ভণ্টি হাজৰিকা, এন, আৰ ডি, এছ, দিপীলাৰ বিষয় শিক্ষক হিতেশ শইকীয়া, পাথৰিঘাট জাতীয় বিদ্যালয়ৰ শিক্ষকদ্বয় আব্দুৰ ৰহমান আৰু আব্দুল কুদ্দুছ, বৰমপুৰ জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ প্ৰণতি ডেকা, শংকৰদেৱ শিশু নিকেতন, দিপীলাৰ শিক্ষক বিপুল ভূএগ, প্ৰণৱ জ্যোতি নাথ আৰু হৃদয় ৰঞ্জন কলিতাক সাধনাৱতী শিক্ষক হিচাপে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। যুৱ সাংবাদিক ডাবু নাৰায়ণ কোঁৱৰ আৰু পশ্চিম দৰং প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত কাকতি নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা সভাত আই'ৰ কাৰ্যবাহী সম্পাদক হিৰকজ্যোতি মহন্ত, পশ্চিম দৰং জাতীয় বিদ্যালয়ৰ অধ্যক্ষ উপেন চন্দ্ৰ ডেকা, পাথৰিঘাট জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ইমৰান হুছেইন, সমাজকৰ্মী আলি হুছেইন, বিহু বিশেষজ্ঞ দিপুল ডেকা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। নিশা অসমীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে মানৱ সত্তা গৱেষণা কেন্দ্ৰৰ জৰিয়তে নৱ প্ৰজন্মৰ অধ্যয়নৰ সময় বৃদ্ধি কৰা, ম'বাইল আসক্তি দূৰীকৰণ, বক্তৃতা প্ৰদানৰ দক্ষতা আহৰণ, লিখা, পঢ়াৰ গতি বৃদ্ধি কৰা, মিউজিক থেৰাপীৰ জৰিয়তে মগজু সক্ৰিয়কৰণ আদিৰ উপৰিও যোগাসন, গীত, নৃত্য, অভিনয়, সুকুমাৰ কলা আদিৰ পাঠদান কৰা হ'ব।

## শ্ৰেয়াছ আয়াৰ

(BCCI) বাছনি সমিতিয়ে প্ৰবীণ বেটছমেন শ্ৰেয়াছ আয়াৰক ইণ্ডিয়া-এ দলৰ অধিনায়ক হিচাপে নিযুক্ত কৰিছে। আগন্তুক ১৬ ছেপ্টেম্বৰৰ পৰা অষ্ট্ৰেলিয়া-এৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া দুখন চাৰিদিনীয়া মেচত তেওঁ দলৰ নেতৃত্ব দিব। ইয়াৰ লগতে উইকেটকীপাৰ-বেটছমেন ধ্ৰুৱ জুৰেলক দলৰ উপ-অধিনায়ক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। এই দলত বহু প্ৰতিভাৱান আৰু প্ৰবীণ খেলুৱৈক স্থান দিয়া হৈছে, য'ত দুলীপ ট্ৰফীৰ ছেমি-ফাইনেলত দুটা শতক অৰ্জনকাৰী উইকেটকীপাৰ নাৰায়ণ জগদীছনো অন্তৰ্ভুক্ত। তবে, একেখন প্ৰতিযোগিতাত উজ্জ্বল শতক অৰ্জন কৰা ঋতুৰাজ গাইকৱাডক পুনৰবাৰ দলৰ বাহিৰত ৰখা হৈছে। দুলীপ ট্ৰফী ২০২৫ৰ ছেমি-ফাইনেলত ৱেষ্ট জ'নৰ হৈ ১৮৪ ৰানৰ অসাধাৰণ ইনিংছ খেলা শ্ৰেয়াছ আয়াৰক ইণ্ডিয়া-এ দলৰ অধিনায়কৰ গুৰুদায়িত্ব দিয়া হৈছে। তেওঁৰ লগতে ইংলেণ্ড ভ্ৰমণত ভাৰতীয় দলৰ হৈ খেলা ছাই সুদৰ্শন, নীতিশ কুমাৰ ৰেড্ডী, আৰু প্ৰসিদ্ধ কৃষ্ণৰেও দলত স্থান পাইছে। ধ্ৰুৱ জুৰেল, যিয়ে উইকেটকীপাৰৰ ভূমিকাৰ লগতে উপ-অধিনায়কৰ দায়িত্ব পালন কৰিব, তেওঁৰ প্ৰতিভাৰ জৰিয়তে দলক শক্তিশালী কৰিব।

## নাজিৰা সমজিলাত সমাগত দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠক সম্পন্ন

**অসম বাৰ্তা, নামতি, ৬ ছেপ্টেম্বৰ ঃ** নাজিৰা সমজিলাৰ আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ অধ্যক্ষতাত আজি সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সমাগত দুৰ্গা পূজা উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদযাপনৰ সময়ত দৰ্শনাৰ্থীৰ সুৰক্ষা, পূজা উদ্‌যাপন সম্পৰ্কীয় প্ৰয়োজনীয় অনুমতি সংগ্ৰহ, যানবাহনৰ নিয়মাৱলী, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, প্ৰতিমা বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বিগত বৰ্ষৰ কাৰ্যবিৱৰণীখন সহকাৰী আয়ুক্ত অৰুণাভ সোণোৱালে পাঠ কৰে। বৈঠকত দুৰ্গা পূজা উদযাপনৰ ক্ষেত্ৰত সমজিলা প্ৰশাসনৰ নিয়মাৱলী সন্দৰ্ভত অৱগত কৰা হয়। উক্ত বৈঠকত সমজিলা আৰক্ষী বিষয়া তুষাৰ দেশাই, নাজিৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চন্দনা বৰুৱাকে প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়াসকল আৰু বিভিন্ন পূজা সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

### নেপথ্যত অসমৰ এখন জনজাতীয় গাঁৱৰ লোক

# অসমৰ বনাঞ্চলত বন বিভাগৰ দ্বাৰা বনৰক্ষী কেম্প স্থাপনত বাধা অৰুণাচলী লোকৰ



**অসম বাৰ্তা বিশেষ, জাগুন, ৬ ছেপ্টেম্বৰ ঃ** ডিগবৈ বন সংমণ্ডলৰ অধীনৰ লেখাপানী আঞ্চলিক বন বিভাগৰ অন্তৰ্গত চালেকি সংৰক্ষিত বনাঞ্চলৰ বম গাৰাত আজি এক উত্তেজনা পূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। বনাঞ্চলখনৰ বম গাৰা নামে ঠাইত লেখাপানী বন বিভাগৰ দ্বাৰা এটা বনৰক্ষী কেম্প স্থাপনৰ বাবে নিৰ্মাণ কাৰ্য্য চলি আছিল। বনাঞ্চলখনৰ সীমাত অৱস্থিত অৰুণাচল প্ৰদেশৰ ফিন'বিৰো নামৰ গাঁওখনৰ আৰু অসমৰ লাং চিং গাঁৱৰ টাংছা জনগোষ্ঠীৰ জনজাতীয় লোকসকলে নিৰ্মাণ কাৰ্য্য চলি থকা ঠাইত উপস্থিত হৈ নিৰ্মাণ কাৰ্য্য বন্ধ কৰিবলৈ দাবী জনোৱাৰ লগতে বন বিভাগৰ বিষয়া কৰ্মচাৰী সকলৰ সৈতে তৰ্ক যুদ্ধত লিপ্ত হয়। জনজাতীয় লোক সকলে আপত্তি দৰ্শাই কয় যে এই কেম্প স্থাপন কৰিলে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰি অহা অসম অৰুণাচলৰ লোক সকলৰ মাজৰ যি মধুৰ সম্পৰ্ক আছে সেই সম্পৰ্ক বিনষ্ট হ'ব, উক্ত চালেকি বনাঞ্চলত অতি পূৰ্বৰে পৰা জনজাতীয় লোক সকলে কৰি অহা জুম খেতিত ব্যাঘাত জন্মিব ইয়াৰোপৰি আমাৰ ককা আজোককা সকলৰ দিনৰে পৰা বসবাস কৰি অহা এই অঞ্চলটো সংৰক্ষিত বনাঞ্চল হ'লেও কোনো কাৰণতে আমি ইয়াত বনৰক্ষী কেম্প কিম্বা গেট স্থাপন কৰিবলৈ নিদিও। প্ৰয়োজন হ'লে বন বিভাগে এই অঞ্চলৰ পৰা আঁতৰি গৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত কেম্প কিম্বা গেট স্থাপন কৰক তাত আমাৰ আপত্তি নাই বুলি জনায়। প্ৰত্যুত্তৰত লেখাপানী আঞ্চলিক বন বিষয়া গৰাকীয়ে জনায় যে এইখন এখন সংৰক্ষিত বনাঞ্চল আৰু বনাঞ্চলৰ যিকোনো ঠাইত কেম্প কিম্বা গেট স্থাপন কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব বন বিভাগৰ আছে। ইয়াৰোপৰি তেখেতে কয় যে বনাঞ্চল খনৰ ভিতৰত হ'ব পৰা অনৈতিক কাৰ্যকলাপসমূহ ৰোধ কৰিবৰ বাবে যাতে নিত্য নৈমিত্তিক দায়িত্ব পালন কৰাত সুবিধা হয় তাৰ বাবেহে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ বাদে পূৰ্বৰে পৰা বনাঞ্চল খনৰ মাজেৰে অহা যোৱা কৰা লোক তথা জুম খেতি কৰি জীৱিকা নিৰ্বাহ কৰি অহা লোক সকলৰ কোনো ধৰণৰ সমস্যা নহয় বুলি জনায়। ইয়াৰ পিছতো যদি আপোনালোকৰ এই সম্পৰ্কত আপত্তি আছে তেন্তে আমাক লিখিত ভাৱে দিয়ক এই সন্দৰ্ভত বন সংমণ্ডল বিষয়াৰ সৈতে এক আলোচনা কৰা হ'ব বুলি জনোৱাৰ লগতে বৰ্তমানে কোনো কাৰণতে এই নিৰ্মাণকাৰ্য বন্ধ কৰা নহ'ব বুলি জানিবলৈ দিয়ে। এতিয়া মূল বিষয়টো হৈছে যে অসমৰ এখন সংৰক্ষিত বনাঞ্চলত বন বিভাগৰ দ্বাৰা নিৰ্মাণ কাৰ্য্য চলোৱাৰ পৰিপ্ৰেক্ষিতত চুবুৰীয়া ৰাজ্য অৰুণাচলৰ লোকে আহি বাধা প্ৰদান কৰিবলৈ অহাৰ ৰহস্য কি? এই ক্ষেত্ৰত অসমৰ লাংচিং গাঁৱৰ লোক সকলে অৰুণাচলৰ লোকসকলক সমৰ্থন জনোৱাৰ আঁৰত কি ৰহস্য আছে? এনে ধৰণৰ বহু প্ৰশ্নৰ উদয় ঘটিছে দাঁতিকাষৰীয়া অঞ্চল সমূহত। সমগ্ৰ বিষয়টো সন্দৰ্ভত এটা কথা অনুমান কৰিব পাৰি যে বিগত কিছু বছৰৰ পৰা চালেকি বনাঞ্চলখনকে ধৰি বম গাৰাৰ সমগ্ৰ অঞ্চলটো ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ পৰা অৰুণাচল প্ৰদেশত অন্তৰ্ভুক্ত কৰিব লাগে বুলি অৰুণাচলৰ লোকসকলে দাবী উত্থাপন কৰি আহিছে আৰু অৰুণাচলৰ উক্ত দাবীৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই লাংচিং গাঁৱৰ লোক সকলেও অৰুণাচলৰ সৈতে চামিল হোৱাত আপত্তি নাই বুলি মন্তব্য আগবঢ়ায় আহিছে। সেই বাবেই হয়তো উক্ত বনাঞ্চল তথা বমগাৰা অঞ্চলত অসম চৰকাৰৰ কোনোধৰণৰ নিৰ্মাণ কাৰ্য্যৰ পোষকতা নকৰে এই দুয়োখন গাঁৱৰ ৰাইজে। এই ক্ষেত্ৰত অসম চৰকাৰৰ লগতে বন বিভাগ আৰু অসমৰ বিভিন্ন খিলঞ্জীয়া দল সংগঠনৰ ভূমিকা কি হ'ব সেয়াহে লক্ষণীয় বিষয় হিচাপে পৰিগণিত হ'ব।

# যোৰহাট বিজ্ঞানকেন্দ্ৰ আৰু তাৰকাগৃহত সংযোজিত হ'ল ঔষধি-বায়ু পৰিশোধিত উদ্ভিদৰ নাৰ্চাৰী

**অসম বাৰ্তা, যোৰহাট, ৬ ছেপ্টেম্বৰ ঃ** যোৰহাট বিজ্ঞানকেন্দ্ৰ আৰু তাৰকাগৃহৰ চৌহদত আজি ঔষধিযুক্ত আৰু বায়ু পৰিশোধন কৰিব পৰা বিভিন্ন প্ৰজাতিৰ গছপুলিৰে পৰিপূৰ্ণ এখন নাৰ্চাৰী উদ্বোধন কৰে। অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দীপ বৰুৱাই নাৰ্চাৰীখন উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে ঔষধিযুক্ত তথা বায়ু পৰিশোধন কৰিব পৰা গছপুলিসমূহৰ সংৰক্ষণ, পৰিৱেশৰ বাবে উপযোগিতা আদিৰ বিষয়ে জনাৰ লগতে অৰ্থনৈতিক দিশত থকা গুৰুত্বৰ বিষয়েও জানিব পাৰিব বুলি ব্যক্ত কৰে। অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি ৰমেন গগৈয়ে উদ্দেশ্যৰ বিষয়ে অৱগত কৰা অনুষ্ঠানত অসম শৈক্ষিক কেন্দ্ৰৰ সভাপতি প্ৰবীন বৰুৱা সহ বিভিন্নজন উপস্থিত থাকে। যোৰহাট বিজ্ঞানকেন্দ্ৰৰ শৈক্ষিক বিষয়া পূৰৱী দেৱীয়ে আঁত ধৰা সভাত অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে নাৰ্চাৰীখনৰ কাৰিকৰী দিশৰ বিষয়ে ব্যাখ্যা কৰে। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলাৰ সমন্বয়ক হেমেন কুমাৰ শইকীয়াই পৰিচালনা কৰা সম্বৰ্ধনা অনুষ্ঠানত নিজৰ দৈনন্দিন কৰ্তব্যৰ ওপৰঞ্চি ভাবে শ্ৰমদান কৰি নাৰ্চাৰী নিৰ্মাণ কৰা কৰ্মচাৰী অনিল বৰা, লক্ষেশ্বৰ কলিতা, ৰবী গোঁহাই, তাৰিকা বাছফৰক কৰ্ম-সংস্কৃতিৰ বাবে সম্বৰ্ধনা জনায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যোৰহাট জিলাৰ সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে শলাগ জনোৱা অনুষ্ঠানত যোৰহাট বিজ্ঞানকেন্দ্ৰৰ সমূহকৰ্মচাৰীৰ লগতে যোৰহাটৰ বহুকেইগৰাকী বিজ্ঞানকৰ্মী, বিজ্ঞান লেখক উপস্থিত থাকে।

### ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনী-কবিতা আবৃত্তি-নৃত্য প্ৰদৰ্শন

# জৰেগাঁৱত উলহ-মালহৰে শিক্ষক দিৱস পালন

**অসম বাৰ্তা, বাসুগাঁও, ৬ ছেপ্টেম্বৰ ঃ** ভাৰতৰ প্ৰথম গৰাকী উপ-ৰাষ্ট্ৰপতি তথা দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ ৫ ছেপ্টেম্বৰৰ জন্মদিনটো প্ৰতি বছৰে শিক্ষক দিৱস হিচাপে পালন কৰি অহা হৈছে। তাৰে লগত সংগতি ৰাখি বিভিন্ন ঠাইৰ লগতে বাসুগাঁও চহৰৰ নিকটবৰ্তী তথা কোকৰাঝাৰ জিলাৰ অন্তৰ্গত জৰেগাঁও হাইস্কুল আৰু পূৰ্বডোকৰা জৰেগাঁও এম ই স্কুলৰ যৌথ সহযোগত দিৱসটি উলহ-মালহৰে পালন কৰা হয়। ৰাতিপুৱা আৰম্ভণিতে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, প্ৰতিচ্ছবিত মাল্যৰ্পনৰ অন্তত এক সভা অনুষ্ঠিত হয়। পূৰ্ব ডোকৰা জৰেগাঁও এম ই স্কুলৰ সহ শিক্ষক পঞ্চানন ৰায়ে আঁতধৰা অনুষ্ঠানটিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন-কৃতিৰ ওপৰত আলোকপাত কৰি চমু বক্তব্য দাঙি ধৰে জৰেগাঁও মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নৱকান্ত ৰায় আৰু জৰেগাঁও হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি ভৃগু মুনি ৰায়ে। পূৰ্ব ডোকৰা জৰেগাঁও এম ই স্কুল পৰিচালনা সমিতিৰ সভাপতি মনোৰঞ্জন সৰকাৰৰ সভিপতিত্বত অনুষ্ঠিত সভাত ছাত্ৰী স্নিগ্ধা ৰায়, চন্দনা ৰায়, জেৰিনা ৰায়, অঞ্জনা ৰায়, মৰিয়ম বেগম, মিনতি হাসদা, জেৰিফা আখটাৰ আদিয়ে অসমীয়া, হিন্দী, চাওঁতাল, চাহ বাগানিয়া গীতৰ ওপৰত গ্ৰুপে নৃত্য প্ৰদৰ্শন কৰাৰ উপৰি দ্বীপজ্যোতি ৰায়, জান ৰায় আদিয়ে কবিতা আবৃত্তি আৰু দেৱশ্ৰী ৰায়ে জীৱনী পাঠ কৰে। অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী সকলে শিক্ষক-শিক্ষয়ত্ৰী অতিথি সকলক ফুলাম গামোচা, কলম, ফুলৰ তোৰা আদিৰে সম্বৰ্ধনা জনাই আৰ্শীবাদ গ্ৰহণ কৰে। জৰেগাঁৱৰ উপৰি অঞ্চলটিৰ কালীপুখুৰী হাইস্কুল, ভূমকী এল পি স্কুল, চেদামাৰী এল পি স্কুলৰ লগতে বাসুগাঁও চহৰৰ জে বি স্কুল, বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, নেতাজী সুভাষ বিদ্যানিকেতন উচ্চতৰ মাধ্যমিক বিদ্যালয় ইত্যাদি বিদ্যালয়-মহাবিদ্যালয় আদিতো শিক্ষক দিৱসটি বিভিন্ন কাৰ্যসূচীৰে উলহ-মালহৰে পালন কৰা বুলি জানিব পৰা গৈছে।

### মাজুলীতো শিক্ষক দিৱসৰ জিলাস্তৰীয় কাৰ্যসূচী

# ৮ গৰাকী শিক্ষকক কৃতী শিক্ষক বঁটা, ২৬ গৰাকীক বিশেষ সম্বৰ্দ্ধনা




**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** মাজুলীতো আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপিত হ'ল ৬৪ সংখ্যক শিক্ষক দিৱস। মাজুলী জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ উদ্যোগত জেংৰাইমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা ৬৪ সংখ্যক শিক্ষক দিৱসৰ গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠানত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত মাজুলীৰ স্থানীয় বিধায়ক ভুৱন গাম, মাজুলীৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰ, উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰাৰ পিছতেই শিক্ষক- শিক্ষয়িত্ৰী সকলৰ দ্বাৰা মন পৰশা সমৱেত সংগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰে আদৰণি ভাষণ দিয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মাজুলীৰ স্থানীয় বিধায়ক ভুৱন গামে পবিত্ৰ দিৱসটোত প্ৰতিগৰাকী শিক্ষকক শ্ৰদ্ধা জ্ঞাপন কৰি কয়-শিক্ষকসকল সমাজৰ বাবে অমূল্য সম্পদ। মহান দাৰ্শনিক, শিক্ষাবিদ তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ আদৰ্শৰে আকৰ্ষিত হৈ শিক্ষাৰ ক্ষেত্ৰত নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে। তেওঁলোকৰ অনবদ্য অৱদানৰ বাবে শিক্ষাৰ মানদণ্ড আজি উচ্চ পৰ্যায়ৰ লৈ পৰ্যবসিত হৈছে বুলি উল্লেখ কৰে। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই কয়-শিক্ষকসকল হৈছে সমাজৰ মেৰুদণ্ড। তেওঁলোকে কেৱল জ্ঞান প্ৰদান কৰাই নহয়, ছাত্ৰ-ছাত্ৰীৰ জীৱনত নৈতিক মূল্যবোধ, আত্মবিশ্বাস আৰু স্বপ্ন গঢ় দিয়ে। শিক্ষক এজন হৈছে পথ প্ৰদৰ্শক, যিয়ে অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰি জ্ঞানৰ পোহৰ প্ৰজ্বলন কৰে বুলি উল্লেখ কৰে। মাজুলী জিলা প্ৰশাসন আৰু মাজুলী জিলা শিক্ষা বিভাগৰ উদ্যোগত অনুষ্ঠিত ৬৪ সংখ্যক শিক্ষক দিৱসৰ জিলা স্তৰীয় কাৰ্যসূচীত জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক বিদ্যালয়ৰ পৰ্যায়লৈ কৃতী শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত ক্ৰমে কুমুদ গোস্বামী, মনোজ কুমাৰ নাথ, লোহিত শইকীয়া, প্ৰদীপ বৰুৱা, মনিষা দত্ত, পৱন গাম, ৰঞ্জু দাস, পুলেন চন্দ্ৰ বৰা সহ মুঠ ৮ গৰাকী শিক্ষকক আজি কৃতী শিক্ষকৰ বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। বঁটাত এখন চেলেং, সম্বৰ্দ্ধনা পত্ৰ আৰু স্মাৰক প্ৰদান কৰে। ইফালে মহামান্য ৰাজ্যপাল মনোনীত বঁটাৰ বাবে নিৰ্বাচিত হৈছে ক্ৰমে যতীন্দ্ৰ নাথ শইকীয়া, সুভদ্ৰা বৰা শইকীয়া, ফুলেশ্বৰী হাজৰিকা, গোপীৰাম ৰেগন, গিৰীশ ভূঞা, লীলাকান্ত ভট্টাচাৰ্য, যাদৱ চন্দ্ৰ দত্ত, বাবুল শৰ্মা আৰু মনোজ্যোতি বৰুৱাসহ মুঠ ৯ জন। তেওঁলোকক বিশেষ টোপোলাসহ চেলেং আৰু সম্বৰ্দ্ধনা পত্ৰৰে সন্মানিত কৰে। আনহাতে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে সঞ্জীৱ কুমাৰ দত্ত, উপেন পেগু, উপেন বৰা, ৰূপেশ্বৰ বৰা, অমিয়া বৰঠাকুৰ, যাদৱ পাতিৰ, অতুল হাজৰিকা, মুহি বায়ন বৰা, অনিল দত্ত আদি ৯জন আৰু চি আৰ চি চি হিচাপে উন্নত সেৱা আগবঢ়োৱা তিনিগৰাকী চি আৰ চি চি ক্ৰমে মিত্ৰনাথ মিলি, মনোজ্যোতি ৰেগন, মুকুল মুদৈক চেলেং আৰু সম্বৰ্দ্ধনা পত্ৰৰে বিশেষ সন্মান জনায়। গড়মূৰ পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিবেক দত্তই আঁত ধৰা অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে পৰীক্ষা সুচাৰুৰূপে ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ পেগু আদি উপস্থিত থাকে।

### ভাতৰ লগত বিহ মিহলাই পুত্ৰক হত্যাৰ অভিযোগ মাতৃৰ

# কুমুল্লীপাৰাত পিতৃৰ হাতত প্ৰাণ গ'ল ৮ বছৰীয়া পুত্ৰৰ

**অসম বাৰ্তা, জনীয়া, ৬ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অন্তৰ্গত কুমুল্লীপাৰাত ৩ চেপ্তেম্বৰ বুধবাৰে নিশা আহাৰ গ্ৰহণ কৰাৰ সময়তে পিতৃয়ে পুত্ৰক ভাতৰ লগত বিষ মিহলাই এক হত্যাকাণ্ড সংগঠিত কৰে। উল্লেখ্য যে কুমুল্লীপাৰাৰ সঞ্জীবুল ইছলামৰ লগত প্ৰায় ১২ বছৰ পূৰ্বে আনুষ্ঠানিকভাৱে বিবাহ পাশত আবদ্ধ হৈছিল তেতলিৰতলৰ তাছমিনা বেগমে। দীৰ্ঘদিন ধৰি সঞ্জীবুল ইছলামে নিচাসক্ত হৈ যৌতুক বিচাৰি হাৰাশাস্তি কৰি অহাৰ অভিযোগ উত্থাপন কৰে পত্নী তাছমিনা বেগমে। বুধবাৰেও সঞ্জীবুল ইছলামে ইৰিস্কা কিনাৰ নামত টকা বিচাৰি পত্নীক আবেলি পিতৃগৃহত পঠিয়াই দি নিশা ১০ মান বজাত ভাতৰ লগত পুত্ৰক (ফুৰাডন) নামৰ বিষ মিহলাই নিজেও পান কৰি আত্মহত্যাৰ অপচেষ্টা চলায়। খন্তেক পিছতেই পত্নীক ফোনযোগে অৱগত কৰে বিষ পানৰ কথা আৰু লগে লগে আৰম্ভ হয় হুৱা দুৱা। ততাতৈয়াকৈ স্থানীয় ৰাইজৰ সহযোগত দুয়োকে বৰপেটাৰ ফখৰুদ্দিন আলী আহম্মেদ চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয়, যদিও বাটতে মৃত্যু হয় ইঞ্জামুল ইছলাম নামৰ ৮ বছৰীয়া শিশুৰ। ইপিনে চিকিৎসা চলি থকা সঞ্জীবুলে সুস্থ হৈ কিছু সময় পাছতেই সুযোগ বুজি চিকিৎসালয়ৰ পৰা পলাই নিজ গৃহত আত্মগোপন কৰে। পৰৱৰ্তী সময়ত হাউলী আৰক্ষীয়ে পত্নী তাছমিনা খাতুনৰ এজাহাৰৰ ভিত্তিত সঞ্জীবুলক নিজ গৃহৰ পৰা আটক কৰি থানালৈ লৈ যায়।

# গৰৈমাৰীৰ ধৰ্মপ্ৰাণা মহিলা গিৰিবালা কলিতাৰ বিয়োগ

**অসম বাৰ্তা, গৰৈমাৰী, ৬ ছেপ্টেম্বৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী গাঁও নিবাসী সৰবৰাহী তথা ধৰ্মপ্ৰাণা মহিলা গিৰিবালা কলিতা (৯৯)ৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত মৃত্যু হয়। প্ৰয়াত ধৰ্মপ্ৰাণ মহিলা গিৰিবালা কলিতা অঞ্চলটোত নামতী হিচাপে সুখ্যাতি অৰ্জন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ ৬ গৰাকী পুত্ৰকে ধৰি বোৱাৰী, নাতি-নাতিনীসহ আত্মীয় স্ব-জনক ইহসংসাৰত এৰি যায়। সৰবৰাহী মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# অসম গেচ কোম্পানী আৰু চেণ্টাৰ ফ'ৰ ডেভে-ল'প-মেণ্ট অৱ এডভাঞ্চ কম্পিউটিংৰ মাজত বুজাবুজি চুক্তি




**অসম বাৰ্তা, দুলীয়াজান, ৬ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ উদ্যোগ প্ৰতিষ্ঠান অসম গেচ কোম্পানী লিমিটেড আৰু ভাৰত চৰকাৰৰ ইলেকট্ৰনি' আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনস্থ চেণ্টাৰ ফ'ৰ ডেভেলপমেণ্ট অফ এডভাঞ্চ কম্পিউটিংৰ (C-DAC) মাজত আজি বিভিন্ন দিশৰ প্ৰযুক্তিগত উন্নয়ন তথা বিকাশৰ উদ্দেশ্যে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে দুয়োটা প্ৰতিষ্ঠানে। অসম গেচ কোম্পানীৰ সভা গৃহত আয়োজিত এক অনুষ্ঠানত দুয়োটা প্ৰতিষ্ঠানৰ জেষ্ঠ বিষয়া সকলৰ উপস্থিতিত স্বাক্ষৰিত হোৱা এই বুজাবুজি চুক্তিৰ মূল উদ্দেশ্য হল C-DAC য়ে উদ্ভাৱন কৰা অত্যাধুনিক কাৰিকৰী প্ৰযুক্তি ব্যৱহাৰ কৰি অসম গেচ কোম্পানীৰ বিভিন্ন দিশৰ কাৰ্যপদ্ধতি, সুৰক্ষা তথা গ্ৰাহক সেৱা উন্নত তথা শক্তিশালী কৰা। দুয়োটা প্ৰতিষ্ঠানৰ মাজত স্বাক্ষৰিত হোৱা এই চুক্তিৰ জৰিয়তে C-DACয়ে অসম গেচ কোম্পানীৰ বিভিন্ন ক্ষেত্ৰত যেনে পাইপলাইনৰ কাৰ্যক্ষমতা নিৰীক্ষণ, স্বয়ংক্ৰিয় মিটাৰ ৰিডিং তথা ডিজিটেল গ্ৰাহক সেৱা ইত্যাদি দিশত বিভিন্ন অত্যাধুনিক প্ৰযুক্তি তথা ডিভাইছ প্ৰস্তুত কৰিব, যাৰ জৰিয়তে অসম গেচ কোম্পানীৰ কাৰ্য্যকৰি দক্ষতা বৃদ্ধি হ'ব আৰু কাম কাজ সমূহ ক্ষিপ্ৰতাৰে কৰিবলৈ সক্ষম হ'ব। লগতে অসম গেচ কোম্পানীৰ এই পদক্ষেপে ঘৰুৱা, ব্যৱসায়িক আৰু উদ্যোগিক উপভোক্তা সকলকো যথেষ্ট উপকৃত কৰিব। বুজাবুজিৰ চুক্তিখনে সামৰি লোৱা কেইটামান উল্লেখযোগ্য দিশ হ'ল অসম গেচ কোম্পানীৰ পাইপ লাইনৰ কাৰ্যক্ষমতা নিৰীক্ষণ তথা সু-পৰিচালনাৰ বাবে অত্যাধুনিক প্ৰযুক্তি উদ্ভাৱন আৰু প্ৰয়োগ। গেছৰ প্ৰবাহ আৰু চাপ পৰ্যবেক্ষণ আৰু নিয়ন্ত্ৰণৰ বাবে ৰিম'ত স্কাদা (Remote SCADA) শীৰ্ষক প্ৰযুক্তি উদ্ভাৱন তথ্য প্ৰয়োগ। স্বয়ংক্ৰিয় মিটাৰ ৰিডিং বাবে অত্যাধুনিক প্ৰযুক্তি উদ্ভাৱন তথা প্ৰয়োগ। একাধিক বিভিন্ন উৎসৰ পৰা তথ্য সমূহ একত্ৰিত কৰি এটা একক উৎসলৈ ৰূপান্তৰকৰণৰ বাবে ইউনিভাৰ্ছেল আই অ' টি (Universal IoT Gateway) উদ্ভাৱন আৰু প্ৰয়োগ। জৰুৰীকালীন পৰিস্থিতিত তৎপৰতাৰে কাম কৰিব পৰাকৈ অসম গেচ কোম্পানীত ভইচ ৰেকৰ্ড কৰিব পৰা জৰুৰীকালীন সহাঁৰি প্ৰযুক্তিৰ উদ্ভাৱন তথা প্ৰয়োগ। অসম গেচ কোম্পানীৰ বিভিন্ন গেছ পৰিবহণ ব্যৱস্থা আদিত গেছ নিৰ্গমন, জুই জ্বলা, ধোঁৱা ওলোৱা আদি ভয়ানক পৰিস্থিতিৰ মুকাবিলা কৰিবলৈ সঠিক সময় মতে ধৰা পেলোৱা আৰু সংকট সমূহ অগ্নি নিৰ্বাপক বিভাগলৈ প্ৰেৰণ কৰিবলৈ এড্জ (Edge Technology) প্ৰযুক্তিৰ বিকাশ তথা প্ৰয়োগ। নতুন গেছ কানেকচন, বিলৰ বিষয়ে অনুসন্ধান আৰু বিল পৰিশোধ গ্ৰাহকে সহজে নিজে কৰিব পৰাকৈ "কিয়স্ক" (Kiosks system) প্ৰযুক্তিৰ বিকাশ তথা প্ৰয়োগ। অসম গেচ কোম্পানীৰ তেল আৰু চি এন জি গেছৰ খুচুৰা বিপনন কেন্দ্ৰ সমূহত নিজে তেল-গেছ ভৰাব পৰা ব্যৱস্থাৰ বাবে অত্যাধুনিক প্ৰযুক্তিৰ উদ্ভাৱন তথা প্ৰয়োগ। অসম গেচ কোম্পানী আৰু চেণ্টাৰ ফৰ ডেভেলপমেণ্ট অফ এডভাঞ্চ কম্পিউটিং (C-DAC মাজত হোৱা এই বুজাবুজিৰ চুক্তিয়ে অসম গেচ কোম্পানীৰ বিভিন্ন দিশৰ ব্যৱহাৰিক প্ৰযুক্তি-ভিত্তিক উন্নয়নৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি দুয়োটা প্ৰতিষ্ঠানৰ বিষয়ববীয়া সকল যথেষ্ট আশাবাদী।

# মৰিগাঁও জিলা কৃষি বিভাগৰ দ্বাৰা আয়োজিত কৃষক বিজ্ঞানী মতবিনিময় অনুষ্ঠানৰ সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৬ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (CSS_ATMA)ৰ উদ্যোগত আয়োজিত কৃষক- বিজ্ঞানী মতবিনিময় শীৰ্ষক অনুষ্ঠানৰ আজি সফলভাৱে সামৰণি পৰে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠান অন্তিম দিনা জিলা কৃষি বিষয়া তপন কুমাৰ ব্ৰহ্মৰ সঞ্চালনাত কৃষক আৰু বিজ্ঞানী সকলৰ মাজত মতবিনিময় অনুষ্ঠান আয়োজন কৰা হয়। জিলাখনৰ প্ৰায় ৩০ গৰাকী কৃষকৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত কৃষক সকলক নাৰিকল খেতি, ইয়াৰ পেকেজ আৰু অনুশীলন শীৰ্ষক বিষয়ত মতবিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড০ সুকন্যা গগৈ সমল ব্যক্তি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ অংশ স্বৰূপে আত্মাৰ(CSS_ATMA)ৰ ডেপুটি প্ৰজেক্ট ডাইৰেক্টৰ হীৰামণি দাসে আঁচনি খনৰ অধীনত ৰূপায়িত বিভিন্ন সা-সুবিধা যেনে-কেঁচুসাৰ, কৃষি পাম, হাঁহ কুকুৰা পালন, বৈজ্ঞানিক পদ্ধতিৰে মৌ পালন, ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য, আত্মা আঁচনিৰ জৰিয়তে কৃষক সকল কেনেদৰে উপকৃত হৈছে আদি বিভিন্ন বিষয়ত কৃষক সকলক বিশদভাৱে অৱগত কৰে। ইয়াৰ উপৰি জিলা ন'ডেল বিষয়া মুছাহীদ ফাৰুকীৰ উপস্থিতিত জিলা কৃষক পৰামৰ্শ সমিতিৰ সভা কৃষক সকলৰ উপস্থিতিত আয়োজন কৰা হয়। অনুষ্ঠানত মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুছেইন, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া পদুম বৰা, কৃষি উন্নয়ন বিষয়া লোনা বৰুৱা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ, আত্মাৰ BTM, ATM সকলৰ লগতে সংশ্লিষ্ট বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

# উত্তৰ যোৰহাট জাতীয় বিদ্যালয় আৰু সেৱাৰ শিক্ষক দিৱস

**অসম বাৰ্তা, নিমাতীঘাট, ৬ ছেপ্টেম্বৰ ঃ** বাহনা তিনিআলিৰ সমীপত অৱস্থিত উত্তৰ যোৰহাট জাতীয় বিদ্যালয় আৰু যোৰহাটৰ অগ্ৰণী সামাজিক তথা পাৰিপাশ্বিক অনুষ্ঠানত সেৱা-ৰ উদ্যোগত আজি ৬৪ সংখ্যক শিক্ষক দিৱস পালন কৰে। পুৱা ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী স্বপ্না বৰা বৰুৱাই। বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সু-সাহিত্যিক ড° চেনিৰাম দত্তৰ সভাপতিত্বত অনুষ্ঠিত দিৱসৰ সভাত অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু পৰেশ নেওগ, কুঞ্জ চুবাদাৰ, হিৰণ্য বৰা, ইন্দ্ৰেশ্বৰ নাথ, ৰবীন দত্তক সম্বৰ্ধনা জনায়। সেৱাৰ কাৰ্যকৰী সমিতিৰ সম্পাদক ৰাজীৱ কুমাৰ নাজিৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ডাঃ বলীন খাৰঘৰীয়া, বুধিন্দ্ৰ কুমাৰ নেওগ, সেৱা-ৰ সভাপতি হেমেন কুমাৰ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় তৰুণ দত্ত, ভূপেশ দত্ত, অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক অশোক নাজিৰ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ চন্দ্ৰ শইকীয়া, বিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ বৰা, সমাজকৰ্মী জগন্নাথ অগ্নিবৰা প্ৰমুখ্যে বিভিন্নজনে বক্তব্য প্ৰদান কৰে। জেষ্ঠ শিক্ষয়িত্ৰী লেখিকা গগৈয়ে কবিতা আবৃত্তি কৰা সভাত ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰা ময়ূৰ দাসে হিন্দীত, অভিলাষ কলিতাই ইংৰাজীত, আস্থাজিতা নেওগ, বিশ্বদীপ বৰুৱাই অসমীয়াত বক্তব্য প্ৰদান কৰে। সভাত সৰ্বভাৰতীয় নীট পৰীক্ষাত উত্তীৰ্ণ অভিজিত শইকীয়াক অভিনন্দন জনায়। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি অৰ্কিড বয় ৰূপে খ্যাত সমীৰ ৰয়ে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া বোলছবিৰ প্ৰতি আগ্ৰহী হ'বৰ বাবে এক সজাগতা অনুষ্ঠান অনুষ্ঠিত কৰে।

### শিক্ষাগুৰুক সম্বৰ্ধনা

## ফুলনিত সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ উজনী মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত উজনী মাজুলী গাঁওপ্ৰধান সন্থাৰ উদ্যোগত অহা ৭ ছেপ্টেম্বৰ দেওবাৰে ফুলনি হাইস্কুল প্ৰাংগনত অৱসৰপ্ৰাপ্ত গাঁওপ্ৰধান সকলক সম্বৰ্ধনা জ্ঞাপনৰ এক কাৰ্যসুচীৰ আয়োজন কৰিছে। সেয়ে উক্ত সভাত সকলো গাঁওপ্ৰধানৰ উপস্থিতিৰ লগতে দিহা-পৰামৰ্শৰ কামনা কৰিছে আয়োজক সমিতিয়ে।

# নগাঁও পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজৰ সংবাদমেল

**অসম বাৰ্তা, কামপুৰ, ৪ ছেপ্টেম্বৰ ঃ** বৈঠালাংছ'ৰ নতুন বজাৰত অৱস্থিত ট্ৰাইবেল ব্লকৰ ভূমি কেন্দ্ৰিক বিবাদ সন্দৰ্ভত ছেৰদিহুন আক্লামত আন্তঃৰাজ্যিক আৰু আন্তঃ জিলা সীমা সুৰক্ষা তদাৰকী সমিতিৰ এক সংবাদ মেল অনুষ্ঠিত হয়। সংবাদ মেলত সমিতিৰ কাৰ্যকৰী সভাপতি ধনছিং তেৰাঙে উল্লেখ কৰে যে এই ট্ৰাইবেল ব্লকৰ অধীনত থকা ভূমিত ১৯৭১ চনত কচুৱা থানাৰ অন্তৰ্গত এটা আউট পোষ্ট স্থান কৰা হয় যদিও ২০০৭ চনত থানাখন নিস্ক্ৰিয় হৈ পৰে। কামপুৰ ৰেভিনিউ চাৰ্কলৰ অধীনত পট্টা থকা ভূমিত ব্ৰনছন তেৰশ নামৰ ব্যক্তিৰ নামত ডংকা চাৰ্কোলে একেডোখৰ মাটি পট্টা আবণ্টন দিয়ে। এই বিষয়টো নগাওঁ আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৰেভিনিউ চাৰ্কোলে প্ৰশাসনৰ জৰিয়তে আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ সক্ষম হ'ব বুলি সভাপতি গৰাকীয়ে ব্যক্ত কৰে। ইফালে নগাঁও-পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ৰ এক বৃহত এলেকাৰ ৩৬খন ৰাজহ গাওঁ সন্দৰ্ভতো সভাপতি গৰাকীয়ে কেতবোৰ বিষয় তথ্য সহকাৰে সংবাদমেলত দাঙি ধৰে।

# হাটশিঙিমাৰীত উপস্থিত মন্ত্ৰী কেশৱ চন্দ্ৰ মহন্ত

**অসম বাৰ্তা, হাটশিঙিমাৰী, ৬ ছেপ্টেম্বৰ ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অন্তৰ্গত খাৰুৱাবান্ধা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত লাখপতি বাইদেউৰ চেক বিতৰণী অনুষ্ঠান: কালি আবেলি স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা বিভাগৰ মন্ত্ৰী কেশৱ চন্দ্ৰ মহন্ত হাটশিঙিমাৰীত উপস্থিত হয় আৰু দলীয় সংগঠনৰ কাৰ্যকৰ্তা সকলৰ লগত মত বিনিময় কৰে। ইপিনে সন্ধিয়া সময়ত জিলা গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ আৰু জিলা উন্নয়ন মঞ্চৰ তৰপৰ পৰা মন্ত্ৰী গৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উক্ত দাবী সমূহ এনে ধৰণৰ: জৰীপৰ কাম আৰম্ভ কৰা, দেশী উন্নয়ন পৰিষদ গঠন, দেশী জনগোষ্ঠীয় সকলক ডি ভোটাৰৰ পৰা ৰেহাই দিয়া, বিধানসভাৰ আসন সংৰক্ষণ আৰু স্থায়ীভাৱে ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ স্থায়ীভাৱে প্ৰতিৰোধৰ ব্যৱস্থা আদি। আজি মন্ত্ৰী গৰাকীয়ে খাৰুৱা বান্ধা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত উপস্থিত হয় আৰু লাখপতি বাইদেউ সকলক চেক বিতৰণ কৰে। আজিৰ এই অনুষ্ঠানত হেজাৰ হেজাৰ মহিলা; দলীয় কৰ্মী আৰু সৰ্বসাধাৰণ ৰাইজৰ উপস্থিতি দেখি মন্ত্ৰীজনে আনন্দিত হয় আৰু জিলাখনৰ প্ৰতিটো বিভাগৰ উন্নয়ন হ'ব বুলি মন্তব্য কৰে। মন্ত্ৰীজনে এই বেলি পঞ্চায়তত নিৰ্বাচনত জয়ী হোৱা নিৰ্বাচিত পঞ্চায়তৰ প্ৰতিনিধি সকলক ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীজনে জিলা প্ৰশাসনক ধন্যবাদ জ্ঞাপন জনালে আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে মানকাচৰৰ বিধায়ক আমিনুল ইছলাম; প্ৰাক্তন বিধায়ক জাবেদ ইছলাম আদি কৰি হেজাৰ হেজাৰ আত্মসহায়ক গোটৰ সদস্যা সকল তথা লাখপতি বাইদেউ সকল।

### শিক্ষাৰ্থীয়ে প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ শিক্ষিত কৰিব লাগিব ঃ ড° কুলধৰ শইকীয়া

# মৰিগাঁৱৰ ১২ গৰাকী শিক্ষকলৈ জিলা কৃতী শিক্ষকৰ বঁটা




**অসম বাৰ্তা, লাহৰীঘাট, ৬ ছেপ্টেম্বৰ ঃ** "শিক্ষকসকলে শিক্ষাৰে প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ শিক্ষিত কৰিব লাগিব। মনোবল বৃদ্ধি কৰিব পৰাকৈ শিক্ষিত কৰিব লাগিব।" মৰিগাঁও জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ উদ্যোগত আজি আয়োজিত ৬৪ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষক দিৱসত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি এনেদৰে মন্তব্য কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° কুলধৰ শইকীয়াই। মৰিগাঁৱৰ সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ সভাগৃহত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে মৰিগাঁও শংকৰদেৱৰ বিদ্যা নিকেতনৰ ছাত্ৰ ছাত্ৰী সকলে গুৰু বন্দনা পৰিৱেশন কৰে। অনুষ্ঠানত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই আদৰণী ভাষণ দিয়ে। মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰীয়ে অনুষ্ঠানত মৰিগাঁও জিলাৰ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু চিনিয়ৰ ছেকেণ্ডেৰী বিদ্যালয়ৰ গীতৰ সংকলন উন্মোচন কৰে। অনুষ্ঠানত ১২ গৰাকী শিক্ষকক শৈক্ষিক ক্ষেত্ৰখনলৈ উল্লেখনীয় অৱদান আগবঢ়োৱা অৱদানৰ বাবে জিলা কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰে। সেই অনুসৰি গোভা মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধনেশ্বৰ দেউৰী, মৰিগাঁও ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী জৰ্জিনা বেগম, ডোঙাবড়ী মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী শিখা গগৈ, দন্দুৱা মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ৰূপৰেখা বৰা, মৰিগাঁও উচ্চতৰ মাধ্যমিক ও বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষক নিৰোদ বৰা, ছহিদ লক্ষ্মী ডেকা মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী চেনেহী ডেকা, পশ্চিম কালিকা জাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ভাৰতী দেৱী, ফলিহামাৰী পাম মজলীয়া বিদ্যালয়ৰ শিক্ষক ছাইদুৰ ৰহমান, গেৰুৱা ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষয়িত্ৰী লক্ষ্মীমাই ডেকা, ঘুনুচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মালা বৰা তামোলী, বীৰ চিলাৰায় মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰণ্টুমণি শইকীয়া আৰু হুগলতলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰুবুল মেধিক বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে, অনুষ্ঠানত ৰাষ্ট্ৰীয় /ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত শিক্ষকসকলক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

### অনুষ্ঠিত হ'ব ভাওনা প্ৰদৰ্শন আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা

# তামোলীছিগাত সৰ্বজনীন দুৰ্গোৎসৱৰ আৰু লক্ষ্মী পূজাৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, জাঁজী, ৬ ছেপ্টেম্বৰ ঃ** পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি এই বছৰো যোৰহাট জিলাৰ তামোলীছিগা বাসী ৰাইজ তথা শুভাকাংক্ষী সকলৰ সহযোগত তামোলীছিগা পূজা মন্দিৰ প্ৰাঙ্গনত ২৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰ লৈকে বিস্তৃত কাৰ্যক্ৰমণিকাৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৭ ছেপ্টেম্বৰত সন্ধ্যা দেৱীৰ বোধন আৰু ২৮ ছেপ্টেম্বৰত পূজা আৰম্ভ হ'ব। ইয়াৰোপৰি ২৯ ছেপ্টেম্বৰৰ সপ্তমী পূজাৰ দিনাই সৃষ্টি ৰংগণ সাংস্কৃতিক গোষ্ঠীৰ শিৱসাগৰৰ উদ্যোগত সদৌ অসম ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হব। আনহাতে অসমীয়া আৰু সংস্কৃত ভাষাৰ গীত নৃত্যত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান নিৰ্ণয় কৰা হ'ব বুলি উদ্যোক্তাই জানিবলৈ দিছে। দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত তিনিজন শ্ৰেষ্ঠ প্ৰতিযোগী নিৰ্বাচিত কৰি পুৰস্কাৰ হিচাপে ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। সমান্তৰালভাৱে ৰাতিলৈ স্থানীয় ও আমন্ত্ৰিত শিল্পীৰ দ্বাৰাই একাংকিকা নাট প্ৰদৰ্শন আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে ৩০ ছেপ্টেম্বৰ অষ্টমী পূজাৰ পাছতেই ৰাতিলৈ স্থানীয় শিশু সকলৰ দ্বাৰাই 'কুমৰ হৰণ, হৰি হৰৰ যুদ্ধ' ভাওনা প্ৰদৰ্শন হ'ব। ইয়াৰোপৰি ১ অক্টোবৰৰ নৱমী পূজাৰ পাছতেই ৰাতিলৈ "নৃত্যাঞ্জলি ডান্স একাডেমী"ৰ সৌজন্যত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। তদুপৰি ২ অক্টোবৰৰ দশমী পূজাৰ পাছত দেৱী বিসৰ্জন দিয়া হব। আনহাতে পূৰ্বৰ দৰেই ৬ অক্টোবৰ ৰ সন্ধিয়া লক্ষ্মী পূজা অনুষ্ঠিত হব। এই বছৰৰ দুৰ্গা দেৱীৰ প্ৰতিমা দাঁতা দেৰগাঁৱৰ প্ৰয়াত ৰঞ্জিত শৰ্মাৰ সোঁৱৰণত পত্নী ৰঞ্জু দেৱী ও পৰিয়ালবৰ্গ আৰু লক্ষ্মী পূজাৰ প্ৰতিমা দাতা ঋতুৰাজ শৰ্মা। সেয়েহে এই সকলো দিনৰ কাযসূচী সফল ৰূপায়ণ কৰিবলৈ উদযাপন সমিতিৰ সভাপতি পাৰ্বতী প্ৰসাদ ৰাজগুৰু, যুটীয়া সম্পাদক ঋতুৰাজ শৰ্মা, আৰু পাথপ্ৰতিম বৰুৱাই ৰাইজৰ সহযোগিতা কামনা কৰিছে।

**তেৰ গৰাকী কৃতি শিক্ষকক সম্বৰ্ধনা**

# অভয়াপুৰীত দুই শিক্ষক সংগঠনৰ শিক্ষক দিৱস পালন

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৬ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী আৰু উত্তৰ শালমাৰা মহকুমা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ উদ্যোগত আজি অভয়াপুৰী ৬৪ সংখ্যক শিক্ষক দিৱস বিস্তৃত কাৰ্য্যসূচীৰে উদ্‌যাপন কৰে। অভয়াপুৰী বেজবৰুৱা ভৱন চৌহদত পুৱা উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন্দ্ৰ ৰাভাই পতাকা উত্তোলন কৰাৰ পাচতে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে সন্মিলনীৰ কাৰ্যকৰী সভাপতি শ্যামল কান্তি সূত্ৰধৰে। দুপৰীয়া প্ৰাথমিক শিক্ষক সন্মিলনী সভাপতি ৰবীন্দ্ৰ ৰাভাৰ সভাপতিত্ব শিক্ষক সম্বৰ্ধনা সভাত অভয়াপুৰী সমজিলা আয়ুক্ত কাৰ্যালয়ৰ কাৰ্যবাহী দণ্ডাধীশ অনুপম দাস, উত্তৰ শালমাৰা মহকুমাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক প্ৰবীন চন্দ্ৰ ৰাভা, সৃজনগ্ৰাম আৰু বইটামাৰীৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ক্ৰমে নৱজিৎ বায়ন, নিৰ্মল নাৰ্জাৰী, মইনবড়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক অশোক কুমাৰ শৰ্মাকে ধৰি কেবাগৰাকী বক্তাই ড° সৰ্বপল্লী ৰাধাকৃষ্ণনক স্মৰণ কৰি শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। শিক্ষক সংগঠন দুটাৰ অধীনস্থ শিক্ষক-শিক্ষয়িত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশ লোৱা অনুষ্ঠানত শিক্ষক মৃদুল কুমাৰ দাস, চবিনা ইয়াছমিন, ৰবীন্দ্ৰ চন্দ্ৰ মণ্ডল, সুলতা সৰকাৰ, ললিত সৰকাৰ, মাণিক শীল, শুকৰুল ইছলাম, মনোৱাৰ হুছেইন, সিদ্ধেশ্বৰ ৰায়, বিজুলী ৰায়, মুকুল পাঠক, আব্দুল মান্নান আৰু ছফিয়া আহমেদক কৃতি শিক্ষকৰ সন্মান প্ৰদান কৰে। ইয়াৰোপৰি উক্ত অনুষ্ঠানতে কেবাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ককো উদ্যোক্তাসকলে সম্বৰ্ধনা জনায়।

# মুকালমুৱাৰ আদাবাৰীত বিধ্বংসী অগ্নিকাণ্ড

**অগ্নিকাণ্ডটোৰ ফলত প্ৰায় ৮ লক্ষাধিক টকাৰ সামগ্ৰী ভস্মীভূত**

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৬ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ আদাবাৰীত যোৱা নিশা সংঘটিত হোৱা এক অগ্নিকাণ্ডৰ ঘটনাত স্থানীয় ব্যৱসায়ী এগৰাকীৰ বৃহৎ ক্ষতি হয়। বাপকন কলিতা নামৰ লোক এজনৰ ষ্টেচনাৰী দোকানত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত প্ৰায় ৮ লক্ষাধিক টকাৰ ক্ষয়ক্ষতি হোৱা বুলি জনাইছে স্থানীয় লোকে। অগ্নিকাণ্ডটোত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দোকানখনৰ স্বত্বাধিকাৰী বাপকন কলিতাও। ঘটনাৰ নিশাই স্থানীয় লোকে ব্যৱসায়ীগৰাকীক আদাবাৰীস্থিত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ভৰ্ত্তি কৰে। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে।

# ৰিভাৰ ভিউ একাডেমিৰ অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৬ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ বৃহত্তৰ চাউলধোৱা অঞ্চলৰ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান ৰিভাৰ ভিউ একাডেমিয়ে শিক্ষক দিৱসৰ উপলক্ষে আজি অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত কৰে। এই উপলক্ষে বিদ্যালয়খনত অনুষ্ঠিত সভাত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দণ্ডিনাথ বৰাই। সভাত কেক কাটি শিক্ষক দিৱস উদযাপন কৰাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক কমল নেওগ, নগেনচন্দ্ৰ উপাধ্যায়, দণ্ডিনাথ বৰা, অভিজিৎ শইকীয়াক ফুলাম গামোচা আৰু গ্ৰন্থৰ দ্বাৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অনুষ্ঠান প্ৰদৰ্শন কৰে। ৰিভাৰ ভিউ একাডেমিৰ অধ্যক্ষ ৰাজেশ বৰদলৈয়ে আঁত ধৰা সভাত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ উপদেষ্টা পদ্মলাল গিৰি, উপ-সভাপতি তৰুণ শইকীয়াকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, আজি শিক্ষক দিৱসৰ উপলক্ষে সোৱণশিৰি শাখা সাহিত্য সভাই অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দণ্ডিনাথ বৰাক সম্বৰ্ধনা পত্ৰ, চেলেং প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰে।

# চামগুৰিৰ তেলিয়াগাঁৱত ট্ৰাকসহ ২৪টা চোৰাং গৰু জব্দ

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি পুৱতি নিশা চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই এখন চোৰাং গৰু ভৰ্তি ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি চামগুৰিৰ তেলিয়াগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত অভিযান চলাই ২৪ টাকৈ চোৰাং গৰু ভৰ্তি বাহন জব্দ কৰে। আৰক্ষীৰ তথ্য মতে, লক্ষ্মীমপুৰৰ পৰা মেঘালয়ৰ দিশে চোৰাংভাৱে গৰু সমূহ সৰবৰাহৰ চেষ্টা কৰা সৰবৰাহকাৰীয়ে এ-এছ-২৫-এফ-চি-৩৬৮৪ নম্বৰৰ ট্ৰাকখনত ২৪ টাকৈ গৰু চোৰাংভাৱে আনিছিল। চামগুৰিত আৰক্ষীৰ অভিযানৰ উমান পাই ট্ৰাকখন এৰি চালক আৰু হেন্দিমেনে পলায়ন কৰে। পৰৱৰ্তী সময়ত চোৰাং গৰু ভৰ্তি জব্দ কৰা বাহনখন চামগুৰি আৰক্ষী থানালৈ অনাৰ লগতে গৰুকেইটা নগাঁৱৰ এখন গোশালালৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, চোৰাং গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# শিল্পীপ্ৰাণ তৰুণ বৰুৱাৰ মৃত্যুত মাজুলী মহাবিদ্যালয়ৰ শোক

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন গুণী ছাত্ৰ তথা একালৰ সংগীত সম্পাদক, অৱসৰপ্ৰাপ্ত সাংস্কৃতিক বিষয়া, ধৰ্মপ্ৰাণ ব্যক্তি তৰুণ বৰুৱাৰ বিয়োগৰ বাৰ্তা পোৱাৰ লগে লগেই মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থীসকলে আজি পুৱা ১০ বজাত মহাবিদ্যালয় প্ৰাংগণত এখনি শোকসভাৰ অনুষ্ঠিত কৰে। মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক অধ্যাপক ডঃ অনুপ কুমাৰ দলেয়ে আঁত ধৰা সভাখনিত সভাপতিত্ব কৰে শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগে। তৰুণ বৰুৱাৰ আকৰ্ষণীয় ব্যক্তিত্ব সম্পৰ্কত বক্তব্য আগ বঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "তৰুণ বৰুৱা অভ্যন্তৰৰ পৰাই শৈল্পিক প্ৰতিভাৰে ঋদ্ধ ব্যক্তি আছিল। ছাত্ৰাৱস্থাতেই নিজৰ পটুতাৰ পৰিচয় জ্ঞাপনেৰে মাজুলী মহাবিদ্যালয়ৰ খ্যাতি বঢ়োৱাৰ গুণত তৰুণ বৰুৱাক কেতিয়াও নাপাহৰিব নোৱাৰি। আমাৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য অক্ষুণ্ণ ৰখাৰ বেলিকা তৰুণ বৰুৱাই লোৱা পদক্ষেপ উত্তৰপ্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰ'ব।" মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, জ্যেষ্ঠ অধ্যাপক গীতাৰাণী গোস্বামী, তুলসী ৰাজখোৱা, সুৰেন চন্দ্ৰ দাস, প্ৰণীতা ৰাজখোৱা, ড° ৰূপজ্যোতি বৰা, অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, বসন্ত বৰা, দেৱজ্যোতি খাটনিয়াৰ, প্ৰণৱজ্যোতি বৰা, ড° প্ৰফুল্ল বৰা, ড° দেৱজ্যোতি ভট্টাচাৰ্য, কৰ্মচাৰী গোটৰ সম্পাদক উৎপল বৰুৱা, দীনকান্ত হাজৰিকা, যোগ পাহাদী, নগেন শইকীয়াৰ উপৰি শিক্ষক-কৰ্মচাৰী তথা শিক্ষাৰ্থীৰ উপস্থিতিত সম্পন্ন হোৱা সভাখনিত বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

### বিদ্যালয়লৈ গৈ শিক্ষকক সম্বৰ্ধনা জ্ঞাপন

# বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, শিমলীতোলা, ৬ ছেপ্টেম্বৰ ঃ** আজি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় শিক্ষক দিৱস উদযাপন কৰা হয়। শিক্ষক, দাৰ্শনিক তথা অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো দেশজুৰি শিক্ষক দিৱস হিচাপে উদ্‌যাপন কৰা হয়। সমগ্ৰ দেশত উদযাপন কৰা শিক্ষক দিৱসৰ লগত সংগতি ৰাখি দক্ষিণ বৰপেটাৰ বাঘমাৰা চৰৰ অৰাজনৈতিক সংগঠন বাঘমাৰা চৰ ছাত্ৰ সংগঠনেও প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰে। সংগঠনৰ ভাৰপ্ৰাপ্ত সভাপতি ইনামুল হক, সম্পাদক ৰফিকুল ইছলাম, উপ-সভাপতি ইমান আলী ফকিৰ, সহঃ সম্পাদক নুৰজামাল হুছাইন, সাংগঠনিক সম্পাদক আব্দুৰ ৰহিমৰ লগতে অন্যান্য বিষয়ববীয়া, সদস্যৰ সৈতে বাঘমাৰা চৰৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ বাঘমাৰা চৰ ছিনিয়ৰ ছেকণ্ডাৰী স্কুল আৰু বাঘমাৰা চৰ হায়াৰ ছেকণ্ডাৰী স্কুলত গৈ শিক্ষক, কৰ্মচাৰী সকলক এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। শিক্ষক দিৱস উপলক্ষে জনোৱা সম্বৰ্ধনাত শিক্ষাগুৰু সকলে আপ্লুত হয় লগতে বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে।

### বিশিষ্ট গৱেষক ডঃ পুষ্প গগৈলৈ ব্ৰিটিছ বিৰোধী সংগ্ৰামৰ ভাৰতৰ প্ৰথম ছহিদ পিয়লি ফুকন সোঁৱৰণি ৰাজ্যিক বঁটা

# ৭ ছেপ্টেম্বৰত শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ পঞ্চদশ বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, শিৱসাগৰ, ৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ ভিতৰতে অন্যতম পুৰণি, ১৯৬৪ চনত স্থাপিত সাংবাদিকসকলৰ সংগঠন শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ পঞ্চদশ বাৰ্ষিক অধিবেশন খনি অহা ৭ ছেপ্টেম্বৰত আয়োজন কৰা হৈছে। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ অন্তৰ্ভুক্ত শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ পঞ্চদশ বাৰ্ষিক অধিবেশন উপলক্ষে শিৱসাগৰ নগৰৰ কে. পি, চাৰিআলিত অৱস্থিত কালী প্ৰসাদ সোঁৱৰণী ভৱনত পুৱা পতাকা উত্তোলনেৰে অধিবেশনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব জিলা সাংবাদিক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অনিল গুপ্তাই। পুৱা ৯ বজাৰ পৰা হ'ব লগা প্ৰতিনিধি সভাত শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ'ব। উক্ত প্ৰতিনিধি সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকিব অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাই। বিয়লি এক বজাৰ পৰা অনুষ্ঠিত হ'ব লগা মুকলি সভাত ধেমাজি নিবাসী বিশিষ্ট সাহিত্যিক, গৱেষক ড° পুষ্প গগৈক প্ৰথমবাৰৰ বাবে শিৱসাগৰ জিলা সাংবাদিক সংস্থাই ব্ৰিটিছ বিৰোধী সংগ্ৰামত ভাৰতৰ প্ৰথম ছহিদ পিয়লি ফুকন সোঁৱৰণী ৰাজ্যিক বঁটা প্ৰদান কৰা হ'ব। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰা আৰু অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাই। উক্ত মুকলি সভাতে শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি, শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক, বিশিষ্ট ক্ৰীড়া সংগঠক সোমেশ ডেকা আৰু আমগুৰিৰ জ্যেষ্ঠ সাংবাদিক, বিশিষ্ট সাহিত্যিক জুৰি শইকীয়াক শিৱসাগৰ জিলা সাংবাদিক সংস্থাই সম্বৰ্ধনা জ্ঞাপন কৰিব। অধিবেশনৰ সকলো কাৰ্যসূচীতে সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক জয়জ্যোতি গগৈয়ে।

# শিক্ষক দিৱসত উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ১৩ গৰাকী কৃতি শিক্ষকক সম্বৰ্ধনা

**অসম বাৰ্তা, অভয়াপুৰী, ৬ ছেপ্টেম্বৰ ঃ** উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজিৰ দিনটোত শিক্ষক দিৱস যথাযোগ্য মৰ্যাদাৰে পালন কৰা হয়। অভয়াপুৰীৰ বেজবৰুৱা ভৱনত আয়োজিত অনুষ্ঠানত শিক্ষকৰ প্ৰতি সন্মান আৰু কৃতজ্ঞতাৰ অনুভৱৰ এক ভব্য পৰিৱেশ সৃষ্টি কৰা হয়। অনুষ্ঠানৰ সভাপতিত্ব কৰে উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন্দ্ৰ ৰাভাই। বিশেষ অতিথি হিচাপে উপস্থিত থাকি অভয়াপুৰী সম জিলাৰ কাৰ্যবাহী দণ্ডাধীশ অনুপম দাসে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰি শিক্ষক দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সভাত উত্তৰ শালমাৰাৰ বিদ্যালয়সমূহৰ উপ পৰিদৰ্শক প্ৰবীন ৰাভা আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়ন আৰু বইটামাৰী শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিৰ্মল নাৰ্জাৰীয়ে অতিথি হিচাপে উপস্থিত থাকে। অতিথিসকলে শিক্ষকৰ অৱদান, সমাজ গঠন আৰু নতুন প্ৰজন্মক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিক্ষক দিৱস উপলক্ষে আয়োজিত আজিৰ অনুষ্ঠানত বিভিন্ন শিক্ষাখণ্ডৰ কৃতি শিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত কৃতি শিক্ষকসকলৰ ভিতৰত বইটামাৰী শিক্ষাখণ্ডৰ পৰা মৃদুল কুমাৰ ৰায়, ছাবিনা ইয়াছমিন, ৰবীন্দ্ৰ চন্দ্ৰ মণ্ডল, সৃজনগ্ৰাম শিক্ষাখণ্ডৰ পৰা ললিত চন্দ্ৰ কলিতা, মাণিক শীল, সুকুৰুল ইছলাম, মনোৱাৰ হুছেইন, সিদ্ধেশ্বৰ ৰায়, বিজুলী ৰায়, মুকুল পাঠক, আব্দুল মান্নান, ছুফিয়া আহমেদ, সুলতা সৰকাৰ। উত্তৰ শালমাৰাৰ উচ্চ প্ৰাথমিক শিক্ষক সন্থাৰ যুটীয়া উদ্যোগত আজিৰ এই শিক্ষক দিৱসত উপস্থিত বক্তাসকলে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ অৱদানক স্মৰণ কৰি তেওঁৰ শিক্ষা চিন্তাধাৰা আৰু আদৰ্শক আজিৰ সমাজত অংকুৰিত কৰাৰ আহ্বান জনায়। শিক্ষকে সমাজৰ দিশ নিৰ্দেশক, দেশ গঠনকাৰী বুলি উল্লেখ কৰি সকলোৱে শিক্ষকসকলৰ প্ৰতি গভীৰ সন্মান প্ৰকাশ কৰে। আজিৰ সভাত উচ্চ প্ৰাথমিক শিক্ষক সন্থাৰ মোৱাজ্জেম হুছেইন, প্ৰৱীন্দ্ৰ নাৰায়ণ কাকতি, অমল কান্তি ৰায়, প্ৰাথমিক শিক্ষক সন্মিলনীৰ অৰূপ কুমাৰ দত্ত, আব্দুল বাতেন, ইন্দ্ৰ বৰুৱা, দেৱেন নাথ, ভূমিধৰ বনিক্য, আব্বাছ আলী আদিয়ো উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণকাৰী শিক্ষক, শিক্ষানুৰাগী আৰু শিক্ষাৰ্থীৰ উপস্থিতিয়ে দিনটো এক তাৎপৰ্যপূৰ্ণ ৰূপ লাভ কৰে। ইফালে অভয়াপুৰীৰ এছিয়ান কিডছ ইংলিছ স্কুল, অভয়াপুৰী জাতীয় বিদ্যালয়, ৭৫৬ নং অভয়াপুৰী ২নং প্ৰাথমিক বিদ্যালয়তো আড়ম্বৰপূৰ্ণভাৱে শিক্ষক দিৱস পালন কৰা হয়।

**"প্ৰজ্ঞাৰ বাটেৰে" উন্মোচন**

# তিনিচুকীয়াত শিক্ষক দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'টাৰ, তিনিচুকীয়া, ৬ ছেপ্টেম্বৰ ঃ** আজি তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত শতাধিক শিক্ষক - শিক্ষয়িত্ৰীৰ উপস্থিতিত তিনিচুকীয়া জিলাৰ ৬৪ সংখ্যক "জিলা শিক্ষক দিৱস" উদযাপন কৰা হয়। উক্ত অনুষ্ঠানতে সভাৰ কাৰ্য্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে অসম মাধ্যমিক শিক্ষা পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ধনদেৱ মহন্তই। ইয়াৰ পিছতেই তিনিচুকীয়া জিলা শিক্ষা বিভাগৰ তত্ত্বাৱধানত আৰু জিলা শৈক্ষিক গোটৰ হৈ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়াৰদ্বাৰা সম্পাদিত ই-আলোচনী "প্ৰজ্ঞাৰ বাটেৰে" উন্মোচন কৰে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাচাৰ্য ড° মদন শৰ্মাই। জিলাখনৰ সাতজনকৈ শিক্ষকক আজি জিলা কৃতি শিক্ষক হিচাপে সম্বৰ্ধনা জনোৱা হয়। চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত নেওগ, গুইজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰুবুল কলিতা, লাইপুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বনদ্বীপ গগৈ, প্ৰজাবস্তি প্ৰাথমিক বিদ্যালয়ৰ বৰজান মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মন্তোস বিশ্বাস, তেজীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভবেন মৰাণ, ন-পতিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনোদ ঘিমিৰেক সম্বৰ্ধনা জনোৱা এই অনুষ্ঠানত তিনিচুকীয়া বিধান সভা সমষ্টিৰ বিধায়ক সঞ্জয় কিশান, জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তী শৰ্মা, তিনিচুকীয়া জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ প্ৰাক্তন সম্পাদক প্ৰদীপ শইকীয়া, বৰুৱাহোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক প্ৰণৱ জ্যোতি সেনাপতি, মাৰ্ঘেৰিটা টাউন হাইস্কুলৰ প্ৰধান শিক্ষক অমূল্য দত্তৰ লগতে আৰু বহু কেইজন গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

# ৰূপহীহাটৰ আম বাগানত পথ দুৰ্ঘটনা, নিহত এক

**অসম বাৰ্তা, ৰূপহীহাট, ৬ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ আমবাগানত আজি আবেলি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। উক্ত পথ দুৰ্ঘটনাত থিতাথে নিহত হয় এজন যুৱক। স্কুটি আৰু মালবাঁহী মেজিক বাহনৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত সংঘটিত হয় পথ দুৰ্ঘটনাটি। পথ দুৰ্ঘটনাত থিতাথে নিহত হোৱা যুৱকজন হল দেৱালতলাৰ বাপ্টু মণ্ডল। দুৰ্ঘটনাত পতিত হোৱা মালবাহী বাহনৰ নম্বৰ হৈছে এএছ-২৭-চি-৩৮২০ আৰু স্কুটিৰ নম্বৰ হৈছে এএছ-০১-বিএই ছ-৫০১৬। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ মালবাহী মেজিক বাহনৰ চালকজনক আটক কৰাৰ লগতে নিহত হোৱা যুৱকজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পাতাললৈ প্ৰেৰণ কৰিছে। উক্ত পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ আমবাগান অঞ্চলত এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

# শিক্ষক দিৱস উপলক্ষে প্ৰাক্তন ছাত্ৰ ভাৰতীৰ সম্বৰ্ধনা অনুষ্ঠান

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** দেশজুৰি উদ্‌যাপিত হোৱা শিক্ষক দিৱসৰ লগত সংগতি ৰাখি আজি শিশু শিক্ষা সমিতি, অসমৰ প্ৰাক্তন ছাত্ৰ ভাৰতী আৰু অসম প্ৰকাশন ভাৰতীৰ তৰফৰ পৰা বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী, শিশু শিক্ষা সমিতি, অসমৰ সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী, ক্ষেত্ৰীয় আভ্যন্তৰীণ হিচাপ পৰীক্ষক ড° বিবেকানন্দ শৰ্মাৰ লগতে সমূহ পূৰ্ণকালীন সদস্য-সদস্যা সকলক অসম প্ৰকাশন ভাৰতীৰ সভাগৃহত সম্বৰ্ধনা জনোৱা হয়। ড° বিবেকানন্দ শৰ্মাই তেখেতৰ বক্তব্যত সমাজ পৰিবৰ্তনত শিক্ষাগুৰু সকলৰ ভূমিকা অপৰিসীম বুলি কয়। এই দায়িত্ব আমি সকলোৱে আন্তৰিকতাৰে আৰু নিষ্ঠা সহকাৰে পলন কৰা উচিত। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ ভাৰতীৰ ক্ষেত্ৰীয় সংযোজিকা স্বপ্না দেৱীয়ে জ্ঞানৰ পোহৰ বিলাই ব্যক্তি নিৰ্মাণ কৰা সমাজৰ মাৰ্গদৰ্শক স্বৰূপ শিক্ষাগুৰুসকললৈ শিক্ষক দিৱস উপলক্ষে সশ্ৰদ্ধ প্ৰণাম জনায়।

### অগপ নেতা মুজাফৰ আলীক হত্যা

# নাৰিকলা পেৰপেৰীত উদ্ধাৰ অগপ নেতাৰ মৃতদেহ

**অসম বাৰ্তা, অভয়াপুৰী, ৬ চেপ্তেম্বৰ ঃ** অগপ নেতা মুজ্জাফৰ আলীক (৪০) কালি নিশা কোনোবা অচিনাক্ত হত্যাকাৰী বা হত্যাকাৰীৰ দ'লে চোকা অস্ত্ৰৰে হত্যা কৰি ধৰ্মপুৰ-বৰঘোলা পথৰ মাজত থকা এখন পকী দলঙৰ তলত পেলাই দি যোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰি মতে সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ ৰাঙাপানী গাঁও পঞ্চায়তৰ এক নং শিমলাবাৰী গাঁৱৰ ওফেচ উদ্দিনৰ কনিষ্ঠ পুত্ৰ তথা সৰবৰহী লোক মুজ্জাফৰ আলীৰ নিঠৰ দেহ আজি লোকনিৰ্মাণ বিভাগৰ "বৰঘোলা-ধৰ্মপুৰ"ৰ পেৰপেৰী সুঁতিৰ ওপৰত থকা এখন পকী দলঙৰ তলত আজি ৰাতিপুৱাৰ ভাগত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। শৰীৰত আঘাতৰ স্পষ্ট চিন থকালৈ লক্ষ্য কৰি ৰাইজে মুজ্জাফৰক চোকা অস্ত্ৰৰে হানিখুচি হত্যা কৰি তাত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে। এটি কন্যা সন্তানৰ পিতৃ মুজ্জাফৰে কন্যাটিৰ পঢ়াশুনা আৰু ব্যৱসায়ৰ খাতিৰত অভয়াপুৰীত ভাড়া ঘৰত আছিল। তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে প্ৰাক্তন বিধায়ক ভূপেন ৰায়, অগপ নেতা চহিদুল হ'ক ঘটনাস্থলীত উপস্থিত হয় আৰু দোষীক কৰায়ত্ত কৰিবলৈ দাবী উৎখাপন কৰে। ইপিনে আৰক্ষীয়ে ফৰেনছিক বিভাগৰ দ'ল আনি মৃতদেহটো চমজি লৈ যাবতীয় কৰ্ম সম্পাদন কৰাৰ লগতে আৰম্ভ কৰি দিছে তদন্ত।

### চামগুৰিত পথ দুৰ্ঘটনা, দুজন গুৰুতৰভাৱে আহত

# ভাস্কৰ্যশিল্পীৰ বাহন নিয়ন্ত্ৰণ হেৰুৱাই সোমাল কলং সুঁতিত

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ভেলেউগুৰি অঞ্চলৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন ভাস্কৰ্য শিল্পৰ লগতে তেওঁৰ পত্নী গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, চামগুৰিৰ শিঙিয়াৰ নিবাসী ৰাজেন বৰা নামৰ ভাস্কৰ্যশিল্পী গৰাকীয়ে আজি নগাঁৱৰ পৰা পত্নী আৰু পুত্ৰৰ সৈতে নিজ ঘৰলৈ আহি থকা অৱস্থাত ভেলেউগুৰি অঞ্চলৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত এ-এছ- ১২- জি- ০৬৬২ নম্বৰৰ ব্যক্তিগত বাহনখন পথৰ নিয়ন্ত্ৰণ হেৰুৱাই কলং নদীত সোমাই যায়। ফলত ভাস্কৰ্য শিল্পীজনৰ লগতে তেওঁৰ পত্নী গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত স্থানীয় ৰাইজ উপস্থিত হৈ গুৰুতৰভাৱে আহত হোৱা পৰিয়ালটিক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।


● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন